www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমাৰ শেষ হ'বলৈ আৰম্ভ কৰে যেতিয়া আমি ওকত্বপূৰ্ণ কথাবোৰৰ প্ৰতি নিমাত হে পৰো। - মাৰ্টিন লথাৰ কিং জুনিয়ৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

দ্বিতীয় বছৰ ❑ সংখ্যা- ৫৫ ❑ বৃহস্পতিবাৰ ❑ ৫ নৱেম্বৰ, ২০২৬ চন ❑ Volume/Year- II ❑ Issue- 55 ❑ Thursday ❑ 5th November, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

ভোটাৰ তালিকাৰ খচৰাত নাম নথকাসকলে কৰিব পাৰিব নতুনকৈ আবেদন

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ নৱেম্বৰ ঃ ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন হোৱা লোকসকলৰ বাবে ভাল খবৰ। ভাৰতীয় নিৰ্বাচন আয়োগে মঙলবাৰে এই কথা স্পষ্ট কৰি দিয়ে যে, যিসকল ভোটাৰৰ নাম বিশেষ বিস্তৃত পুনৰীক্ষণ অৰ্থাৎ এছআইআৰৰ অংশ হিচাপে প্ৰকাশিত নিৰ্বাচনী তালিকাৰ খচৰাত নাথাকে, তেনেক্ষেত্ৰত তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ নতুনকৈ আবেদন দাখিল ❑ ৬ পৃষ্ঠাত

তালিকাত ড° কৰবী ডেকা হাজৰিকা, ড° অনিল শইকীয়া, প্ৰহ্লাদ চন্দ্ৰ তাছা, থানেশ্বৰ মালাকাৰ আৰু ড° জগদীশ পাটগিৰি

অসম সাহিত্য সভাৰ ২০২৭-২৯ বৰ্ষৰ সভাপতি নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৪ নৱেম্বৰ ঃ অসম সাহিত্য সভাৰ পৰবৰ্তী সভাপতি নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২০২৭-২৯ বৰ্ষৰ কাৰ্যকালৰ বাবে সভাপতি পদত পাঁচগৰাকী বিশিষ্ট ব্যক্তিৰ নাম মনোনীত কৰিছে অসম সাহিত্য সভাই। সভাৰ মুখ্য কাৰ্যালয়ত জ্যেষ্ঠ সদস্যসকলৰ উপস্থিতিত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত এই নামকেইটা চূড়ান্ত কৰা হয়। মনোনীত ব্যক্তিসকল হৈছে ড° কৰবী ডেকা হাজৰিকা, ড° অনিল শইকীয়া, ❑ ৬ পৃষ্ঠাত

গুৱাহাটীৰ পৰা শিৰসাগৰলৈ লৈ যোৱা অৱস্থাত জাঁজী ফুলপানীছিগাত গুলীচালনা

আৰক্ষীৰ গুলীত নিহত ঘাটক ঘনকান্ত গগৈ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ নৱেম্বৰ ঃ গুৱাহাটীৰ 'হোটেল বিলাস ইন'ত সংঘটিত গুলীচালনাৰ মূল অভিযুক্ত ঘনকান্ত গগৈ আৰক্ষীৰ গুলীত নিহত হৈছে। বুধবাৰে পুৰতি নিশা শিৰসাগৰ জিলাত আৰক্ষীৰ জিম্মাৰ পৰা পলাবলৈ চেষ্টা কৰাৰ সময়ত তেওঁ গুলীবিদ্ধ হয়। পুৰা প্ৰায় ৩৫ ১০ বজাত গৌৰীসাগৰ থানাৰ অন্তৰ্গত ফুলপানীছিগাৰ ৰংমন ধাবাৰ সমীপত এই ঘটনা সংঘটিত হয়। শিৰসাগৰ আৰক্ষীৰ এটা দলে গুৱাহাটীৰ পৰা ঘনকান্ত গগৈক আনি এক গোচৰৰ তদন্তৰ বাবে শিৰসাগৰ সদৰ থানালৈ লৈ গৈ আছিল। শিৰসাগৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াই জনোৱা মতে, পঞ্জাৰ নেশ্যনেল বেংকৰ ঋণ জালিয়াতিৰ গোচৰত ঘনকান্ত গগৈৰ নাম ওলাই তেহাৰ পাছত মঙলবাৰে নিশা গুৱাহাটীৰ পৰা তেওঁক শিৰসাগৰলৈ নিয়াৰ বাবে আৰক্ষীয়ে ❑ ৬ পৃষ্ঠাত



পৰিয়ালৰ স্বস্তি প্ৰকাশ; ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত মৰণোত্তৰ পৰীক্ষা

ঘনকান্ত গগৈৰ এনকাউণ্টাৰ ভুক্তভোগী ভৰালী পৰিয়ালৰ "ভগৱানৰ ন্যায়" আখ্যা



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ নৱেম্বৰ ঃ গুৱাহাটীৰ 'হোটেল বিলাস ইন'ত সংঘটিত পাঁচজনীয়া নৃশংস হত্যাকাণ্ডৰ মূল অভিযুক্ত ঘনকান্ত গগৈ আৰক্ষীৰ এনকাউণ্টাৰত নিহত হোৱাৰ পিছত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ঘটনাত ভুক্তভোগী ৰবপোৰ ভৰালী পৰিয়ালে স্বস্তি প্ৰকাশ কৰি অভিযুক্তৰ মৃত্যুক "ভগৱানৰ ন্যায়" বুলি অভিহিত কৰিছে। বুধবাৰে পুৰতি নিশা প্ৰায় ৩৫ ১০ বজাত শিৰসাগৰৰ ফুলপানীছিগাত ৰংমন ধাবাৰ সমীপত এই ঘটনা সংঘটিত হয়। আৰক্ষীৰ মতে, গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ পৰা শিৰসাগৰ আৰক্ষীয়ে আন এক গোচৰৰ তদন্তৰ বাবে ঘনকান্ত গগৈক শিৰসাগৰ থানালৈ লৈ গৈছিল। শিৰসাগৰ সদৰ থানাত ৰুজু হোৱা ১০৮৩২০২৪ নম্বৰ গোচৰৰ সূত্ৰে তেওঁক লৈ যোৱা হৈছিল। আৰক্ষীৰ বিবৃতি অনুসৰি, আদবাটত ঘনকান্তই প্ৰস্তাৱৰ বাবে ❑ ৬ পৃষ্ঠাত

নিহত ঘনকান্তক 'সন্ত্ৰাসবাদী' আখ্যা শিৰসাগৰৰ বিধায়কৰ

এনকাউণ্টাৰ সমৰ্থন নকৰোঁ, কিন্তু আইনী পথেৰে ফাঁচী হ'বলগীয়া আছিল ঃ অখিল গগৈ



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৪ নৱেম্বৰ ঃ গুৱাহাটীৰ 'হোটেল বিলাস ইন'ত সংঘটিত পাঁচজনীয়া নৃশংস হত্যাকাণ্ডৰ মূল অভিযুক্ত ঘনকান্ত গগৈ আৰক্ষীৰ এনকাউণ্টাৰত নিহত হোৱাৰ ঘটনাই ৰাজ্যত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনা সন্দৰ্ভত শিৰসাগৰৰ বিধায়ক অখিল গগৈয়ে সংবাদ মাধ্যমৰ সম্মুখত স্পষ্ট তথা সমালোচনাভিত্তিক প্ৰতিক্ৰিয়া ব্যক্ত কৰে। ❑ ৬ পৃষ্ঠাত

আৰক্ষী জিম্মাত থকা অভিযুক্তক সুৰক্ষা নিদি এনকাউণ্টাৰ কৰাটো সহজভাবে ল'ব পৰা নাই ঃ পৰিয়াল

ঘনকান্ত গগৈৰ এনকাউণ্টাৰৰ তথ্য প্ৰশাসনৰ পৰা নোপোৱাৰ অভিযোগ পৰিয়ালৰ



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৪ নৱেম্বৰ ঃ গুৱাহাটীৰ 'হোটেল বিলাস ইন'ত সংঘটিত ভয়ংকৰ পাঁচজনীয়া হত্যাকাণ্ডৰ মূল অভিযুক্ত ঘনকান্ত গগৈ আৰক্ষীৰ এনকাউণ্টাৰত নিহত হোৱাৰ পাছতেই ঘটনাক লৈ তেওঁৰ পৰিয়ালৰ লোকে প্ৰশাসনৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ঘনকান্তৰ পৰিয়ালৰ সদস্যসকলে সংবাদ মাধ্যমৰ আগত আৰক্ষী আৰু প্ৰশাসনৰ ভূমিকা সম্পৰ্কে একাধিক প্ৰশ্ন উত্থাপন কৰে। এনকাউণ্টাৰৰ সমগ্ৰ ঘটনা বাতৰি আৰু সংবাদ মাধ্যমৰ জৰিয়তেহে জানিব পৰা ❑ ৬ পৃষ্ঠাত

অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰসকলক দ্বিতীয় 'টুৰ অৱ ডিউটি'ৰ সুবিধা

অগ্নিবীৰৰ চাকৰিৰ কাৰ্যকাল দুবছৰ বৃদ্ধি



নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ নৱেম্বৰ ঃ দেশৰ যুবক-যুবতী তথা অগ্নিবীৰসকলৰ বাবে গুৰুত্বপূৰ্ণ খবৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত বুধবাৰে অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেট বৈঠকত অগ্নিবীৰসকলৰ চাকৰিৰ কাৰ্যকাল বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় কেবিনেটে অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰসকলৰ বাবে অতিৰিক্ত দুবছৰৰ 'দ্বিতীয় টুৰ অৱ ডিউটি' অনুমোদন কৰিছে। এই সন্দৰ্ভত কেন্দ্ৰীয় প্ৰতিৰক্ষা ❑ ৬ পৃষ্ঠাত

পাঁচ মিনিটতে 'দেশদ্রোহী' বুলি প্ৰমাণ কৰাৰ দাবী

প্ৰধানমন্ত্ৰী মোদীক মুকলি বিতৰ্কৰ প্ৰত্যাহ্বান ৰাহুল গান্ধীৰ



নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ নৱেম্বৰ ঃ লোকসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পুনৰ মুকলি বিতৰ্কৰ প্ৰত্যাহ্বান জনাইছে। বুধবাৰে সংঘটিত অনুষ্ঠিত কংগ্ৰেছৰ 'ইনছাফ বেলী'ত ভাষণ দি তেওঁ দাবী কৰে যে প্ৰধানমন্ত্ৰী মোদীক 'দেশদ্রোহী' আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ নিয়ন্ত্ৰণত থকা বুলি তেওঁ মাত্ৰ পাঁচ মিনিটৰ ভিতৰত প্ৰমাণ কৰিব পাৰে। ৰাহুল ❑ ৬ পৃষ্ঠাত

■ পূৰ্ণিয়াৰ BJP পদযাত্ৰাত অংশ ল'লে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ■

ৰাহুল গান্ধীক বাংলাদেশলৈ পঠিয়াই দিম ঃ হিমন্ত বিশ্ব শৰ্মা



নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ নৱেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে বিহাৰৰ পূৰ্ণিয়াত বিজেপিয়ে আয়োজন কৰা 'গণতন্ত্ৰ বক্ষা কৰক-তাৰাজকতা দূৰ কৰক' শীৰ্ষক পদযাত্ৰাত অংশগ্ৰহণ কৰে। এই সভাত অংশ লৈ তেওঁ শেহতীয়াকৈ ইণ্ডিয়া ব্লকে ভ্ৰহ্মৰ বিৰুদ্ধে আৰু দেশৰ মুখ্য নিৰ্বাচন আয়োগৰ বিৰুদ্ধে কৰা প্ৰতিবাদৰ প্ৰসংগত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীক লক্ষ্য কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয়, "বাবৰ, ঔৰংজেবৰ দৰে অনুপ্ৰবেশকাৰীক চিনাক্তকৰণ আৰু ভোটাৰ তালিকাৰ পৰা অনুপ্ৰবেশকাৰীৰ নাম কৰ্তন কৰা প্ৰক্ৰিয়াৰ বিৰোধিতা কৰি অনুপ্ৰবেশকাৰীসকলক সুৰক্ষা দিয়াৰ চেষ্টা কংগ্ৰেছে চলাইছে। নিৰ্বাচনত পৰাজয়ৰ পাছত ৰাহুল গান্ধীয়ে কান্দিছে। চিন্তা নকৰিব ৰাহুল ❑ ৬ পৃষ্ঠাত

শক্তি সংৰক্ষণ আৰু গুৰুত্বপূৰ্ণ খনিজ প্ৰক্ৰিয়াকৰণত কেন্দ্ৰৰ বৃহৎ পদক্ষেপ

কেবিনেটৰ ১৪, ৫০০ কোটি টকাৰ ভিজিএফ আৰু ২, ৮১৪ কোটি টকাৰ কেপেক্স ছাপ'ৰ্ট আঁচনিত অনুমোদন

নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ নৱেম্বৰ ঃ শক্তি সংৰক্ষণ আৰু গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ প্ৰক্ৰিয়াকৰণত স্বাবলম্বী হোৱাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে দুখন বৃহৎ আঁচনিত অনুমোদন জনাইছে। বুধবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেট বৈঠকত এই আঁচনি দুখনত অনুমোদন জনোৱা হয়। কেবিনেটে ৯২ গিগাৱাট ঘণ্টাৰ গ্ৰীড-স্কেল শক্তি সংৰক্ষণৰ বিকাশৰ বাবে ১৪, ৫০০ ❑ ৬ পৃষ্ঠাত



ট্ৰাম্পৰ পৰাজয় স্বীকাৰ কৰি ডেম'ক্ৰেটসকলক অভিনন্দন

আমেৰিকাৰ মধ্যকালীন নিৰ্বাচনত ৰিপাব্লিকানৰ বৃহৎ পৰাজয়

অনলাইন ডেস্ক, অসম বার্তা, ৪ নৱেম্বৰ ঃ আমেৰিকাৰ মধ্যকালীন নিৰ্বাচনত ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ ৰিপাব্লিকান পাৰ্টিয়ে বৃহৎ পৰাজয়ৰ সম্মুখীন হৈছে। ভোটগণনাৰ প্ৰাৰম্ভিক তথ্য অনুসৰি ডেম'ক্ৰেটিক পাৰ্টিয়ে ছিনেট লগতে হাউছ অৱ ৰিপ্ৰেজেনটেটিভতো ❑ ৬ পৃষ্ঠাত

আন্দোলনকাৰী আৰু আৰক্ষীৰ মাজত তীব্ৰ বাক-বিতণ্ডা

পিআৰএচিৰ ১২ ঘণ্টীয়া বন্ধত স্তব্ধ ইটানগৰ



নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ নৱেম্বৰ ঃ অৰুণাচল প্ৰদেশত প্ৰস্তাবিত 'উজনি চিয়াং বহুমুখী প্ৰকল্প'ক কেন্দ্ৰ কৰি সৃষ্টি হোৱা চেপা উত্তপ্ত জনাই এইবাৰ ৰাজধানী চহৰ ❑ ৬ পৃষ্ঠাত

ঘনকান্ত কেৰল শ্ফুটাৰ নে তেওঁৰ আঁৰত ভূমাফিয়া চক্ৰ আছে, গভীৰ তদন্ত হওক ঃ গৌৰৰ গগৈ

ভৰালী পৰিয়ালৰ বাসগৃহত গৌৰৰ গগৈ এনকাউণ্টাৰেৰে তদন্ত সামৰাৰ বিৰোধিতা



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৪ নৱেম্বৰ ঃ গুৱাহাটীৰ 'হোটেল বিলাস ইন'ত সংঘটিত গুলীচালনাত নিহত ভৰালী পৰিয়ালৰ সদস্যসকলৰ ৰবপোষ্টিত বাসগৃহত আজি উপস্থিত হয় অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা সাংসদ গৌৰব গগৈ। তেওঁ শোকসন্তপ্ত পৰিয়ালৰ লোকসকলক সান্ত্বনা কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে। আপোনজনক হেৰুওৱাৰ বেদনা কোনো সান্ত্বনাই দুৰ কৰিব নোৱাবে বুলি উল্লেখ কৰি এই কঠিন সময়ত পৰিয়ালটোৰ দুখৰ সমভাগী হোৱা বুলি ❑ ৬ পৃষ্ঠাত

নিৰ্বাচন আয়ুক্তৰ "আজীৱন আইনী ৰক্ষাকৱচ"ক লৈ উচ্চতম ন্যায়ালয়ৰ জাননী

কেন্দ্ৰ আৰু নিৰ্বাচন আয়োগক চাৰি সপ্তাহৰ ভিতৰত জবাব দাখিলৰ নিৰ্দেশ



নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ নৱেম্বৰ ঃ মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য নিৰ্বাচন আয়ুক্তসকলক ২০২৩ চনৰ আইনৰ অধীনত প্ৰদান কৰা পূৰ্ণ আইনী সুৰক্ষা বা ৰক্ষাকৱচৰ সাংবিধানিক বৈধতাক লৈ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতীয় নিৰ্বাচন আয়োগলৈ জাননী জাৰি কৰিছে। বুধবাৰে এখন জনস্বাৰ্থ জড়িত গোচৰৰ ❑ ৬ পৃষ্ঠাত

ভাৰতৰ ২২.৫ অভাৰতে লক্ষ্য অতিক্ৰম; অৰ্শদীপ সিঙৰ চাৰিটা উইকেট

বিৰাটৰ দুৰ্দান্ত ইনিংছত নিউজীলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ পাঁচ উইকেটৰ জয়



নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ নৱেম্বৰ ঃ নিউজীলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন এদিনীয়া মেচত টীম ইণ্ডিয়াই জয়লাভ কৰিছে। বুধবাৰে অকলেণ্ডৰ ইডেন পাৰ্কত অনুষ্ঠিত এই মেচখনত বৰষুণে বাবে বাবে বাধা দিয়াৰ পিছতো ডাকৰ্থ-লুইছ-ষ্টাৰ্ণ (DLS) পদ্ধতিৰে ভাৰতে পাঁচ উইকেটত জয় সাব্যস্ত কৰে। বিৰাট কোহলীৰ আকৰ্ষণীয় বেটিঙৰ বাবে ভাৰতীয় দলটোৱে মাত্ৰ ২২.৫ অভাৰতে জয়ৰ লক্ষ্য অতিক্ৰম কৰে। বৰষুণৰ বাবে ভাৰতৰ লক্ষ্য সংশোধন কৰি ৩২ অভাৰত ১৪৩ বান নিৰ্ধাৰণ কৰা হৈছিল। এই লক্ষ্য অনুসৰণ কৰি বিৰাট কোহলীয়ে ৫১টা বলত ৭৪ বানৰ এক উজ্জ্বল ইনিংছ খেলে। তেওঁৰ ইনিংছত ১৩টা চাৰি আৰু এটা ছয় আছিল। ইয়াৰ পূৰ্বে টছত জয়ী হৈ ভাৰতে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেটিং কৰি নিউজীলেণ্ডে ৪০.২ অভাৰত আটাইকেইটা উইকেট ❑ ৬ পৃষ্ঠাত

ধৰ্ষণ আৰু শিশু নিৰ্যাতনৰ গোচৰত ক্ষিপ্ৰ ন্যায়ৰ বাবে ৮৫০খন ফাষ্ট ট্ৰেক আদালতলৈ কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন



নেশ্যনেল ডেস্ক, অসম বার্তা, ৪ নৱেম্বৰ ঃ মহিলা আৰু শিশুৰ ওপৰত হোৱা অত্যাচাৰৰ গোচৰত ক্ষিপ্ত নায় নিশ্চিত কৰা, দেশৰ সেউজ শক্তিৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু জটিল খনিজ পদাৰ্থ ঘৰকা প্ৰক্ৰিয়াকৰণ আওৰাই নিয়াৰ লক্ষ্যৰে কেন্দ্ৰীয় কেবিনেটে গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহত ❑ ৬ পৃষ্ঠাত

৩০ নৱেম্বৰত ৩২টা সমষ্টিত ভোটগ্ৰহণ; ২৪ নং পৰিষদীয় সমষ্টিৰ পৰা পুনৰ নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ প্ৰস্তুতি ৰাজু সোণোৱালৰ

সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ৰণশিঙা

অসম বাৰ্তা, মেৰাপানী, ৪ নৱেম্বৰ ঃ প্ৰায় দুবছৰৰ অপেক্ষা আৰু উৎকণ্ঠাৰ অন্ত অৱশেষত বাজিল সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ নিৰ্বাচনৰ ৰণশিঙা। অসম ৰাজিক নিৰ্বাচন আয়োগে অহা ৩০ নৱেম্বৰত পৰিষদৰ সমগ্ৰ ৩২টা সাধাৰণ পৰিষদীয় সমষ্টিৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দিন ঘোষণা কৰাৰ পাছতে সোণোৱাল কছাৰী জনগোষ্ঠীৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছে। নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে জনগোষ্ঠীটোৱ ৰাজনৈতিক মহলত আৰম্ভ হৈছে ব্যাপক তৎপৰতা। বিভিন্ন ৰাজনৈতিক শিবিৰৰ লগতে সম্ভাব্য প্ৰাৰ্থীসকলেও ইতিমধ্যে নিৰ্বাচনী প্ৰস্তুতিৰ দিশত তৎপৰতা আৰম্ভ কৰা পৰিলক্ষিত হৈছে। ইফালে, গোলাঘাট জিলাৰ নৰগঠিত ২৪ নং পৰিষদীয় সমষ্টিৰ পৰা গোলাঘাট পৰিষদীয় সমষ্টিৰ কাৰ্যবাহী সদস্য ৰাজু সোণোৱাল। নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছতে তেওঁৰ বাসগৃহত উপস্থিত হয় বহু দলীয় কৰ্মী, সমৰ্থক আৰু শুভাকাংক্ষী। আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰি সমৰ্থকসকলৰ মাজত পৰিলক্ষিত হয়ব্যাপক উৎসাহআৰু উদ্দীপনা। এই উপলক্ষে সমৰ্থকসকলে সোণোৱাল কছাৰী জনগোষ্ঠীৰ পৰম্পৰাগত ফুলাম গামোচাৰে ৰাজু সোণোৱালক সম্বৰ্ধনা জনোৱাৰ লগতে আগন্তুক নিৰ্বাচনী যাত্ৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য যে, পূৰ্ব গোলাঘাট পৰিষদীয় সমষ্টিৰ কাৰ্যবাহী সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰা ৰাজু সোণোৱালে এইবাৰ নৱগঠিত ২৪ নং পৰিষদীয় সমষ্টিৰ পৰা পুনৰ জনসমৰ্থন লাভৰ লক্ষ্যে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ প্ৰস্তুতি চলাইছে। নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে তেওঁৰ বাসগৃহত সমৰ্থকসকলৰ উপস্থিতি আৰু সম্বৰ্ধনা কাৰ্যসূচীয়ে আগন্তুক নিৰ্বাচনক লৈ তেওঁৰ শিবিৰত সৃষ্টি হোৱা উৎসাহৰ ছবিখনেই প্ৰতিফলিত কৰিছে। অৱশ্যে প্ৰাৰ্থিত্ব সম্পৰ্কীয় চূড়ান্ত সিদ্ধান্ত আৰু আনুষ্ঠানিক নিৰ্বাচনী কাৰ্যসূচী পৰবৰ্তী সময়তহে স্পষ্ট হ'ব। আনহাতে, অসম ৰাজিক নিৰ্বাচন আয়োগে ঘোষা ৩ নৱেম্বৰত জাৰি কৰা নিৰ্বাচনী অধিসূচনা অনুসৰি, অহা ১০ নৱেম্বৰ মনোনয়ন দাখিলৰ অন্তিম দিন হিচাপে নিৰ্ধাৰণ কৰা হৈছে। ১২ নৱেম্বৰক মনোনয়ন-পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৬নৱেম্বৰ হ'ব প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন। ইয়াৰ পাছতে ৩০ নৱেম্বৰত অনুষ্ঠিত হ'ব ভোটগ্ৰহণ। প্ৰয়োজন সাপেক্ষে ১ ডিচেম্বৰত পুনৰ ভোটগ্ৰহণৰ বাবস্থা ৰখা হৈছে। ৩ ডিচেম্বৰত ভোটগণনা অনুষ্ঠিত কৰাৰ লগতে ৫ ডিচেম্বৰৰ ভিতৰত সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে আয়োগে। প্ৰায় দুবছৰৰ বিৰতিৰ অন্তত নিৰ্বাচনৰ দিন ঘোষণা হোৱাত স্বাভাৱিকতেই উৎফুল্ল হৈ পৰিছে সোণোৱাল কছাৰী জনগোষ্ঠীৰ বাইজ। নিৰ্বাচনক কেন্দ্ৰ কৰি জনগোষ্ঠীটোৰ ৰাজনৈতিক সচেতন মহলৰ লগতে বিভিন্ন দল-সংগঠনৰ মাজতো বৃদ্ধি পইছে আলোচনা-পৰ্যালোচনা। বিশেষকৈ গোলাঘাট জিলাৰ নৱগঠিত ২৪ নং পৰিষদীয় সমষ্টিত ৰাজু সোণোৱালৰ পুনৰ নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ প্ৰস্তুতিয়ে সমষ্টিটোক ৰাজনৈতিক পৰিবেশ অধিক চৰ্চিত কৰি তুলিছে। নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে সমৰ্থকসকলৰ মাজত দেখা দিয়া উৎসাহ-উদ্দীপনাই আগন্তুক দিনবোৰত সমষ্টিটোত ব্যাপক নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱাৰ ইংগিত বহন কৰিছে। মনোনয়ন দাখিলৰ সময়সীমা ওচৰ চাপি অহাৰ লগে লগে সম্ভাব্য প্ৰাৰ্থীসকলৰ মাজত ৰাজনৈতিক তৎপৰতা অধিক বৃদ্ধি পোৱাৰ সম্ভাবনা আছে। এতিয়া ২৪ নং পৰিষদীয় সমষ্টিত কোন কোন প্ৰাৰ্থীয়ে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হয় আৰু ভোটাৰ সমৰ্থন লাভ কৰি কোনে শেষ হাঁহি মাৰিবলৈ সক্ষম হয়, সেয়াই হ'ব পৰবৰ্তী সময়ৰ লক্ষণীয় বিষয়।

তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নৱ-কিৰণ ক্লাৱ এণ্ড লাইব্ৰেৰীৰ পঞ্চদশ বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

অসম বাৰ্তা, জনীয়া, ৪ নৱেম্বৰ ঃ ৰবপটীয়া বানিয়াৰাপাৰা আঞ্চলৰ অন্যতম আগশাৰীৰ বেচৰকাৰী সংস্থা নৱ-কিৰণ ক্লাব এণ্ড লাইব্ৰেৰীৰ পঞ্চদশ বাৰ্ষিক অধিৱেশন ১, ২, আৰু ৩নৱেম্বৰ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সফল সামৰণি পৰে। কাৰ্যসূচী মতে প্ৰথম দিনা, পূৱা ৪ বজাত মাৰাথান দৌৰ, ৬ বজাত স্বচ্ছ ভাৰত অভিযান, ৭ বজাত পতাকা উত্তোলন কৰে ক্লাবৰ সভাপতিৰ দ্বাৰা। দ্বিতীয় দিনা, পূৱা ৭ বজাত স্বচ্ছ ভাৰত অভিযান, ৯ বজাত বৃক্ষৰোপণ, ১০ বজাত ভেশ্চন প্ৰতিযোগিতা, ১১ বাজত পিঠা-পনা প্ৰতিযোগিতা, আবেলি ২ বজাত আকস্মিক বক্তৃতা প্ৰতিযোগিতা, ৩ বাজত নৃত্য প্ৰতিযোগিতা, সন্ধ্যা ৫ বজাত 'সপোনৰ পৰা সম্ভাৱনালৈ' শীৰ্ষক আলোচনা চক্ৰ। আলোচনা চক্ৰৰ সঞ্চালক হিচাপে উপস্থিত থাকে দেৱান শ্ৰীহিদুল ইছলাম, মুখ্য উপদেষ্টানব-কিৰণ ক্লাব এণ্ড লাইব্ৰেৰী। আলোচকসকল ক্ৰমে ডঃ শফিকুল ইছলাম, জেহেকল ইছলাম খান, আনোৱাৰ ছহেইন। সন্ধিয়া ৬ বজাত বঁটা বিতৰণী সভা। সন্ধিয়া ৭ বজাত 'সুৰৰ লহৰ' অনুষ্ঠানত এঞ্জেলিকা ছাৰা আৰু ছাহিল বুলবুলৰ সংগীতানুষ্ঠান। অন্তিম দিনা অৰ্থাৎ ৩ নৱেম্বৰ আবেলি ৩ বজাত মুকলি কুইজ, ৪ বজাত নৱ-কিৰণ পৰিষালৰ সদস্যৰ পৰিচয় পৰ্ব, সন্ধিয়া ৫ বাজত মুকলি সভা। জনপ্ৰিয় ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ এম নেবাজুলৰ সভাপতিত্ব অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে টাইন ছহেইন, সভাপতি, এবিএম ছু। নিৰ্ভিষ্ট বক্তা হিচাপে উপস্থিত থাকে ড কুলৰঞ্জন ডেকা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ৰবপটীয়া। আমন্ত্ৰিত অতিথি ইমৰান ছহেইন, গবেষক ছাত্ৰ তথা প্ৰজেক্ট ইঞ্জিনিয়াৰ' ডিজাইন এণ্ড ডেভেলপমেণ্ট অফ ল'-ফিল্ড এম আৰ আই' উপস্থিত থাকি সাম্প্ৰতিক অসমৰ পৰিস্থিতি আৰু জ্বলন্ত সমস্যাৰ ওপৰত বাইজক উদ্দেশ্যি তত্ত্বগধূৰ ভাষণ প্ৰদান কৰে। উল্লেখযোগ্য যে, মুকলি সভাত দুগৰাকীকৈ মেধাৰী ছাত্ৰ-ছাত্ৰীক 'নৱ-কিৰণ জলপানি' আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হয়। ইয়াৰ উপৰি, আগন্তুক বৰ্ষৰ পৰা এই আঁচনিৰ অধীনত ২০গৰাকী মেধাবী ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব বুলি ক্লাব কৰ্তৃপক্ষই জানিবলৈ দিয়ে। কেবল সেয়াই নহয়, অঞ্চলটোৰ শৈক্ষিক পৰিবেশ উন্নত কৰাৰ লক্ষ্যে আগন্তুক বৰ্ষৰ পৰাই নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিনামূলীয়া কোচিং ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও কৰ্তৃপক্ষই জানিবলৈ দিয়ে। জন্মলগ্নৰে পৰা বিভিন্ন সামাজিক আৰু জনকল্যাণমূলক কাম-কাজৰ মাজেৰে ইতিমধ্যে অঞ্চলটোৰ সৰ্বসাধাৰণ বাইজৰ মাজত বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে সংস্থাটোৱে। বিশেষকৈ বৰুদানৰ ক্ষেত্ৰত ক্লাবটোৰ সদস্যসকলৰ ভূমিকা উল্লেখনীয়। বিভিন্ন সময়ত চিকিৎসালয়ত তেজৰ অভাবত জীৱন-মৃত্যুৰে যুঁজি থকা বোগীৰ কাষত থিয় দি স্বেচ্ছাই বৰুদান কৰি আহিছে সদস্যসকলে। মানৰ সেৱাক মূলমন্ত্ৰ হিচাপে গ্ৰহণ কৰি চলি অহা ক্লাবটোৰ সদস্যসকলে কেবল ২০২৬ বৰ্ষতে প্ৰায় ৭০ গৰাকী ৰোগীক বৰুদান কৰি মানৱতাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি নৱ-কিৰণ স্বাস্থ্য কেন্দ্ৰ' নামৰ এক বিনাশুল্কীয়া চিকিৎসা কেন্দ্ৰ প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে এই পদক্ষেপে। আনহাতে, ভাৰতীয় সেনাবাহিনীত যোগদানৰ সপোন পুহি ৰখা সকলক প্ৰয়োজনীয় শাৰীৰিক অনুশীলন আৰু প্ৰশিক্ষণ প্ৰদান কৰি আহিছে ক্লাবটোৱে। সামাজিক দায়বদ্ধতা আৰু মানৱ সেৱাৰ মনোভাৱেৰে অঞ্চলটোত এক ইতিহাস কৰিবৰ্তনৰ ধাৰা অব্যাহত ৰখাৰ প্ৰয়াস কৰিছে নব-কিৰণ ক্লাব এণ্ড লাইব্ৰেৰীয়ে। মুকলি সভাৰ শেষত 'সুৰঞ্জলি' অনুষ্ঠানত পশ্চিমবংগৰ সংগীত শিল্পী যৰ্থ দত্ত, কলাগুৰু ৰবপটীয়া আৰু স্থানীয় শিল্পীৰ গীতে দৰ্শকক আপ্লুত কৰে।

অভয়াপুৰী সমজিলাৰ শ্ৰেষ্ঠ কৰ্মচাৰী হিচাপে সন্মানিত পুলক দাস



অসম বাৰ্তা, অভয়াপুৰী, ৪ নৱেম্বৰ ঃ কৰ্মৰ প্ৰতি একাগ্ৰতা, সততা, সময়নিষ্ঠা আৰু দায়িত্ববোধেৰে নিজৰ কৰ্মক্ষেত্ৰত বিশেষ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা পুলক দাসে লাভ কৰিছে এক উল্লেখযোগ্য সন্মান। অভয়াপুৰী সমজিলাৰ শ্ৰেষ্ঠ কৰ্মচাৰী হিচাপে নিৰ্বাচিত কৰি তেওঁক আনুষ্ঠানিকভাবে বঁটা প্ৰদান কৰা হয়। অভয়াপুৰী সমজিলা কাৰ্যালয়ত অনুষ্ঠিত এক বিশেষ কাৰ্যসূচীত জিলাৰ আয়ুক্ত মহোদয়ে পুলক দাসৰ হাতত এই সন্মান তুলি দিয়ে। কৰ্মক্ষেত্ৰত নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰাটো প্ৰতিগৰাকী কৰ্মচাৰীৰ বাবে এক গুৰুত্বপূৰ্ণ গুণ। কিন্তু নিজৰ দায়িত্বৰ সীমাৰ ভিতৰত থাকি কেবল কাম সম্পাদন কৰাই নহয়, কৰ্মৰ প্ৰতি আন্তৰিকতা, সময়ৰ সদ্ব্যহাৰ আৰু দায়িত্ববোধৰ পৰিচয় দাঙি ধৰিব পৰাটোহে এগৰাকী কৰ্মচাৰীৰ প্ৰকৃত পৰিচয়। পুলক দাসৰ এই সন্মানে সেই কৰ্মসংস্কৃতিৰ এক ইতিবাচক দিশ প্ৰতিফলিত কৰিছে। নিজৰ ওপৰত অৰ্পিত দায়িত্বসমূহ নিষ্ঠা, সততা আৰু আন্তৰিকতাৰে পালন কৰি অহা পুলক দাসে কৰ্মক্ষেত্ৰত এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। কৰ্মৰ প্ৰতি থকা একাগ্ৰতা, দায়িত্বশীল মনোভাব আৰু কৰ্তব্যপৰায়ণতাই তেওঁক এই বিশেষ স্বীকৃতি লাভৰ পথ প্ৰশস্ত কৰিছে। এগৰাকী কৰ্মজীৱনত লাভ কৰা এনে স্বীকৃতিয়ে এগৰাকী কৰ্মচাৰীৰ মনোবল বৃদ্ধি কৰাৰ লগতে ভবিষ্যতে অধিক উৎসাহ আৰু উদ্যমেৰে কৰ্ম সম্পাদন কৰিবলৈ প্ৰেৰণা যোগায়। পুলক দাসৰ এই সফলতাই পুনৰবাৰ প্ৰমাণ কৰিছে যে নিষ্ঠা, সততা আৰু কৰ্মৰ প্ৰতি একাগ্ৰতা থাকিলে কৰ্মক্ষেত্ৰত স্বীকৃতি লাভ কৰাটো সম্ভৱ। অভয়াপুৰী সমজিলাৰ শ্ৰেষ্ঠ কৰ্মচাৰী হিচাপে লাভ কৰা এই সন্মান পুলক দাসৰ কৰ্মজীৱনৰ এক স্মৰণীয় অধ্যায় হৈ ৰ'ব। তেওঁৰ এই সফলতাত বিভিন্নজনে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে আগন্তুক দিনবোৰতো অধিক নিষ্ঠা, সততা আৰু দায়িত্ববোধেৰে জনসেৱাত ব্ৰতী হৈ থাকিব বুলি আশা প্ৰকাশ কৰিছে।

সৰুপথাৰ মহাবিদ্যালয়ৰ গবেষণা পত্ৰিকা 'পানচৈ' উন্মোচন

অসম বাৰ্তা, সৰুপথাৰ, ৪ নৱেম্বৰ ঃ সৰুপথাৰ মহাবিদ্যালয়ত আয়োজিত "জনগাথনিৰ ইতিহাস, পৰিবৰ্তন আৰু সাম্প্ৰতিক অসমৰ বহুনাম জনসংখ্যাৰ পুনৰ্গঠন" শীৰ্ষক বিষয়ক বাষ্ট্ৰীয় আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠানৰ বিশেষ মুহূৰ্তত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ উদ্যোগত প্ৰকাশিত আন্তঃবাষ্ট্ৰীয় মানবিশ্বিষ্ট দ্বিভাষিক গবেষণা পত্ৰিকা 'পানচৈ' (Panchoi)ৰ চতুৰ্থ বৰ্ষৰ প্ৰথম সংখ্যাটি (Vol. XIV, Issue-I, August ২০২৬) আনুষ্ঠানিকভাবে উন্মোচন কৰা হয়। পিয়েৰ-বিভিউ (Peer-Reviewed) পত্ৰিকাখনৰ আন্তঃবাষ্ট্ৰীয় প্ৰামাণিক বাবাবাচিক সংখ্যা হৈছে ISSN ২৩২০-৬৩০৬। উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ, মুখ্য অতিথি ওৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক, কলা শাখাৰ প্ৰাক্তন ডীন তথা ইতিহাস বিভাগৰ অধ্যাপক ৰাজীব সন্দিকৈ, সম্মানীয় অতিথি নতুন দিল্লীৰ ICHR-ৰ উত্তৰ-পূব আঞ্চলিক কেন্দ্ৰৰ সহকাৰী সঞ্চালক (গবেষণা) তথা নিয়ন্ত্ৰণ বিষয়া ড° বিনোদ কুমাৰ, সমল ব্যক্তি অসম বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ প্ৰাক্তন মুৰব্বী তথা জ্যেষ্ঠ অধ্যাপক জি. ৰাম আৰু কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° জ্ঞানেন্দ্ৰ বৰ্মন। উল্লেখ্য যে, বিশিষ্ট গবেষক, লেখক তথা সৰুপথাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° প্ৰণব ফুকন মুখ্য সম্পাদক আৰু ড° অমৰ শইকীয়া সহযোগী সম্পাদক হিচাপে থকা 'পানচৈ'ৰ এই বিশেষ সংখ্যাটিত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ আৰু মহাবিদ্যালয়ৰ গবেষক-অধ্যাপকসকলৰ সৰ্বমুঠ ৪৭খন উচ্চমানৰ গবেষণাপত্ৰ সন্নিবিষ্ট কৰা হৈছে। ইয়াৰে ৩৪খন গবেষণাপত্ৰ অসমীয়া ভাষাত আৰু ১৩খন গবেষণাপত্ৰ ইংৰাজী ভাষাত প্ৰকাশ পাইছে। পত্ৰিকাখনৰ অসমীয়া ভাগত লোকসাহিত্য, আধুনিক কবিতা, চুটিগল্প, উপন্যাস, নাটকৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা-উপভাষাৰ ওপৰত বিস্তৃত ভাষাতাত্ত্বিক বিশ্লেষণমূলক প্ৰবন্ধ প্ৰকাশ কৰা হৈছে। বিশেষকৈ ড° অমৰ শইকীয়াৰ অৰুণাচলৰ 'ছেবুদকপেন ভাষাৰ স্বৰধ্বনিৰ বিশ্লেষণ', ড° বাস্না দাসৰ 'গোৱালপৰীয়া উপভাষাৰ শব্দ সাধনৰ প্ৰত্যয়', ড° পংকজ্যোতি বৰা আৰু জয়শ্ৰী শইকীয়াৰ 'ছেবুদকপেন ভাষাৰ স্বৰধ্বনিৰ পৰিচয়', ড° প্ৰাপ্তি ঠাকুৰৰ 'মহাকাব্যত সাংবাদিক চৰিত্ৰ হিচাপে হনুমান', আৰু ড° লিলি দাসৰ 'সাউৰী প্ৰথা' সম্পৰ্কীয় গবেষণা পত্ৰ বিশেষভাৱে উল্লেখনীয়। ইয়াৰ উপৰি ভূপেন হাজৰিকাৰ গীত, লক্ষ্মীনাথ বেজবৰুৱা, মহিম বৰা, শীলভদ্ৰ, মেদিনী চৌধুৰী, মামণি ৰয়চম গোস্বামী, ৰংবং তেৰাং, নীলমণি ফুকন আৰু অন্যান্য শৰ্মা পুজাৰীৰ সাহিত্যকৃতিৰ ওপৰত একাধিক তথ্যাগধূৰ আলোচনা ইয়াত সন্নিবিষ্ট হৈছে। আনহাতে, পত্ৰিকাখনৰ ইংৰাজী ভাগত ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০, গ্ৰাম্য দৰিদ্ৰতা নিৰাৰণ আঁচনি, উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃৰাজ্যিক সীমান্ত সংঘাত, অংগনৱাড়ী কেন্দ্ৰৰ ভূমিকা, মুগা শিল্প আৰু cultural identity, যোগ আৰু personality development আদি বিভিন্ন সমসাময়িক প্ৰাসংগিক বিষয়ত ১৩খন গবেষণাপত্ৰ সন্নিবিষ্ট কৰা হৈছে। পত্ৰিকাখনৰ সম্পাদনা সমিতিত অসম তথা ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ প্ৰাসংগিক বিষয়ত ১৩খন শইকীয়া, ড° বজুজিৎ গগৈ, প্ৰাঞ্জল দত্ত, ড° বিপীপ খনিকৰ, ড° মনামী পৰাশৰ আৰু তৃষিতা বড়ো। একেদৰে পত্ৰিকাখনৰ উপদেষ্টা আৰু সমীক্ষক মণ্ডলীত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছাৰ জিতেন হাজৰিকা, বায়গঞ্জ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছাৰ দীপক কুমাৰ ৰায়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰফেছাৰ প্ৰফুল্ল কুমাৰ নাথ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰফেছাৰ সত্যকাম বৰঠাকুৰ, অসম বিশ্ববিদ্যালয়ৰ প্ৰফেছাৰ কুসুম বৰুৱা আৰু প্ৰফেছাৰ সৌগত নাথ, সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ, যমুনামুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত কুমাৰ দাস আৰু অবসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° প্ৰশান্ত কুমাৰ চাহৰ দৰে বিশিষ্ট শিক্ষাবিদসকল ভূষিত হৈ আছে। উন্মোচনী অনুষ্ঠানত উপস্থিত অতিথি আৰু শিক্ষাবিদসকলে সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এই নীৰবচ্ছিন্ন শৈক্ষিক প্ৰয়াসক ভূয়সী প্ৰশংসা কৰে আৰু 'পানচৈ'ৰ অঞ্চলটোৰ বৌদ্ধিক তথা গবেষণামূলক পৰিবেশ অধিক সমৃদ্ধ আৰু গতিশীল কৰি তুলিব বুলি মত প্ৰকাশ কৰে।

গৱেষণা ক্ষেত্ৰলৈ বৰ্ণাঢ্য সংযোজন

টিফুক স্বৰ্ণকাপ ফুটবলত তিতাবৰক হৰুৱাই চেপন চাহ বাগিচা এফ.চি. পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ

অসম বাৰ্তা, চেপন, ৪ নৱেম্বৰ ঃ চৰাই দেউ জিলাৰ টিফুক ৰাজহুৱা খেলপথাৰত চলি থকা তৃতীয় বাৰ্ষিক টিফুক স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত 'গ্ৰুপ-বি'ৰ প্ৰথমখন মেচত ডিব্ৰুগড়ৰ চেপন চাহ বাগিচা ফুটবল ক্লাবে, যোৰহাটৰ তিতাবৰ ফুটবল ক্লাবক ৩-০ গলৰ ব্যবধানত পৰাজিত কৰি পৰবৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। তুমুল খেলখনৰ প্ৰথমাৰ্ধ গলশূন্যভাবে সামৰণি পৰে। আনহাতে দ্বিতীয়াৰ্ধৰ ৪৬ মিনিটত চেপন চাহ বাগিচাৰ ফুটবল ক্লাবৰ দলৰ নিৰ্ভৰযোগ্য খেলুৰে মানসজ্যোতি ভূমিজে দলক ১-০ অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ পিছত পুনৰ চেপন চাহ বাগিচাৰ ফুটবল ক্লাবৰ হৈ গুঞ্জন কোঁৱৰে খেলৰ ৪৯ আৰু ৮০ মিনিটত দুটাকৈ গ'ল স্কৰ কৰাৰ লগতে দলটোৰ গলৰ সংখ্যা ৩-০ লৈ বৃদ্ধি কৰে। আনহাতে ক্ৰমাগতভাবে তিনিটাকৈ গলত পিছ পৰি থকা তিতাবৰ ফুটবল ক্লাবে গলৰ সংখ্যা হ্ৰাস কৰিব বাবে খেলৰ অন্তিম সময়লৈকে চেষ্টা অব্যাহত ৰাখিছিল যদিও সফল হ'ব নোৱাৰিলে। আজিৰ খেলখনত বিধিনিষিদ্ধ আচৰণ কৰা তিতাবৰ দলৰ চাদিক ছহেইন আৰু সমীৰ কৰ্মকাৰক ৰেফাৰীয়ে হালধীয়া কাৰ্ড দেখুৱাই সতৰ্ক কৰি দিছে। খেলখন পৰিচালনা কৰে নাজিৰাৰ পুষ্পৰঞ্জন বৰুৱাই। তেওঁক লাইনত সহায় কৰে পৰিমল বুঢ়াগোহাঁই আৰু বিশ্বজিৎ গগৈয়ে। চতুৰ্থ বেলাত্ব গগৈ। উল্লেখ্য যে ইয়াৰ পূৰ্বে আজিৰ খেলখন আনুষ্ঠানিকভাবে উদ্বোধন কৰে প্ৰাক্তন ফুটবলাৰ বিপুল কুমাৰ ফুকনে। আনহাতে আজিৰ খেলখনত 'মেন অৱ দ্যা মেচ'ৰ পুৰস্কাৰ লাভ কৰে চেপন চাহ বাগিচা ফুটবল দলৰ ফৰৱাৰ্ড গুঞ্জন কোঁৱৰে। খেলুৰৈগৰাকী পুৰস্কাৰ প্ৰদান কৰে ৫৬৭ নং চেপন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেশ গগৈয়ে। কাইলৈ প্ৰতিযোগিতাৰ 'গ্ৰুপ -বি'ৰ দ্বিতীয়খন খেল অনুষ্ঠিত হ'ব। খেলখনত মৰাণৰ বটামৰা ফুটবল ক্লাবে চৰাই দেউৰ অসমজ্যোতি সংঘৰ মুখামুখি হ'ব। কিক অফ বিয়লি ১-৩০ বজাত।

নাম শুধৰণি

ইয়াৰ দ্বাৰাই মই শ্ৰী দেবেশ্বৰ মৰাং (DEBESWAR MORANG), পিতৃ- মৃত চৰেশ্বৰ মৰাং, নিবাস- চন্তক বৰমচিং গাঁও, ডাকঘৰ- চন্তক, জিলা- শিবসাগৰ, অসময়ে ঘোষণা কৰিছোঁ যে শিবসাগৰ জিলাৰ নাজিৰা ৰাজহুৱা চৰাৰ অন্তৰ্গত ধোপৰৰ মৌজাৰ মিৰি গাঁৱৰ প্যাট্টা নং ৮৪ আৰু দাগ নং ৬৫ ৰ ভূমিৰ নথিপত্ৰত ভুলবশতঃ মোৰ নাম "দেবেশ্বৰ মৰাং"ৰ সলনি "দেবেন চন্দ্ৰ মৰাং" বুলি লিপিবদ্ধ হৈছে। আচলতে "দেবেশ্বৰ মৰাং" আৰু "দেবেন চন্দ্ৰ মৰাং" দুয়োটা নামেই একেজন ব্যক্তি মইহে হয়। এই সন্দৰ্ভত মই ঘোষণা কৰোঁ যে ৰাজহুৱা ৰাজিৰা আদালতৰ IN-AS74748053201579Y ন'টাৰী ৰাজহুৱা শপতনামা প্ৰস্তুত কৰিছোঁ। এতিয়াবে পৰা উক্ত মাটিত মোৰ নাম শ্ৰী বীবেন গগৈ বুলিহে গণ্য হ'ব।

AB-215/2026

নাম শুধৰণি

ইয়াৰ দ্বাৰাই মই শ্ৰী দেবেশ্বৰ মৰাং (DEBESWAR MORANG), পিতৃ- মৃত চৰেশ্বৰ মৰাং, নিবাস- চন্তক বৰমচিং গাঁও, ডাকঘৰ- চন্তক, জিলা- শিবসাগৰ, অসময়ে ঘোষণা কৰিছোঁ যে শিবসাগৰ জিলাৰ নাজিৰা ৰাজহুৱা চৰাৰ অন্তৰ্গত ধোপৰৰ মৌজাৰ মিৰি গাঁৱৰ প্যাট্টা নং ৮৪ আৰু দাগ নং ৬৫ ৰ ভূমিৰ নথিপত্ৰত ভুলবশতঃ মোৰ নাম "দেবেশ্বৰ মৰাং"ৰ সলনি "দেবেন চন্দ্ৰ মৰাং" বুলি লিপিবদ্ধ হৈছে। আচলতে "দেবেশ্বৰ মৰাং" আৰু "দেবেন চন্দ্ৰ মৰাং" দুয়োটা নামেই একেজন ব্যক্তি মইহে হয়। এই সন্দৰ্ভত মই ঘোষণা কৰোঁ যে ৰাজহুৱা ৰাজিৰা আদালতৰ IN-AS74777635200638Y ন'টাৰী ৰাজহুৱা শপতনামা প্ৰস্তুত কৰিছোঁ। এতিয়াবে পৰা উক্ত মাটিত মোৰ নাম দেবেশ্বৰ মৰাং বুলিহে গণ্য হ'ব।

AB-216/2026

সাফল্যৰে এটা বৰ্ষ; প্ৰথম প্ৰতিষ্ঠা দিৰসত ব্যতিক্ৰমী পদক্ষেপ অজিত শৰ্মা নাট্য বিদ্যালয়ৰ

অসম বাৰ্তা, দেৰগাঁও, ৪ নৱেম্বৰ ঃ দেৰগাঁৱৰ নাট্যক্ষেত্ৰত এক নতুন আশাৰ সঞ্চাৰ কৰা অজিত শৰ্মা নাট্য বিদ্যালয়ে সাফল্যৰে অতিক্ৰম কৰিলে প্ৰতিষ্ঠাৰ প্ৰথমটো বৰ্ষ। বিগত এটা বছৰত পদ্ধতিগত নাট্য শিক্ষাৰ প্ৰসাৰ, নাট্য চৰ্চা আৰু বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীয়ে জবিয়তে নৱপ্ৰজন্মৰ মাজত নাট্যকলাৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰাৰ লগতে বহু উদীয়মান অভি নেতা-অভি নেত্ৰীক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বিদ্যালয়খনে বিশেষ ভূমিকা গ্ৰহণ কৰি আছিল। দেৰগাঁৱৰ আফু গাঁৱত অৱস্থিত নাট্য বিদ্যালয়খন

কুমুল্লী পাৰা-খন্দকাৰ পাৰা পঞ্চায়তত দুটাকৈ পথৰ আধাৰশিলা স্থাপন বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ

এদিনতে সমষ্টিৰ বিভিন্ন স্থানত ৯টা পথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ

অসম বার্তা, কুমল্লী পাৰা, ৩ নৱেম্বৰ ঃ গ্ৰাম্য যোগাযোগ ব্যৱস্থাৰ উন্নয়ন আৰু বাইজৰ দীৰ্ঘদিনীয়া যাতায়াতজনিত সমস্যা লাঘৱ কৰাৰ লক্ষ্যত ২৫ নং পাকা বেতবাৰী বিধানসভা সমষ্টিত পথ নিৰ্মাণৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশস্বৰূপে আজি সমষ্টিটোৰ ৩৯নং কুমুল্লী পাৰা-খন্দকাৰ পাৰা গাঁও পঞ্চায়ত অঞ্চলত দুটাকৈ পথৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক জাকিৰ হুছেইন শিকদাৰে।

২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰধানমন্ত্ৰী গ্ৰাম ড়ক যোজনাৰ অধীনত এম আৰ এল ৩৯-খন্দকাৰ পাৰা ৰোডৰ পৰা হাউলী-জনীয়া পথলৈ সংযোগী পথ আৰু ২৭ নং দক্ষকুড়ি-খন্দকাৰ পাৰা কটাখালি মছজিদলৈ যোৱা পথটোৰ নিৰ্মাণকাৰ্য আধাৰশিলা স্থাপনেৰে আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰা হয়। এই উপলক্ষে আয়োজিত কাৰ্যসূচীত সংশ্লিষ্ট গাঁও পঞ্চায়তৰ সভানেত্ৰী শ্ৰীমতী নাৰা শিকদাৰ, কেইবাগাৰাকীও স্থানীয় জনপ্ৰতিনিধি, দলীয় নেতা-কৰ্মী আৰু বৃহৎসংখ্যক স্থানীয় বাইজ উপস্থিত থাকে। উল্লেখ্য যে, বিধায়ক জাকিৰ হুছেইন শিকদাৰে জানিবলৈ দিয়া অনুসৰি, আজিৰ নিৰ্দেশটোত ২৫ নং পাকা বেতবাৰী বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত মুঠ ৯টা পথৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰা হয়। ইপিনে, নিৰ্বাচনী প্ৰচাৰৰ সময়ত ৰাইজক প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ কথা দোহাৰি বিধায়কগৰাকীয়ে সমষ্টিটোৰ ৰাস্তা-ঘাটৰ উন্নয়ন, পকী দলং নিৰ্মাণ, নদীৰ গৰাখহনীয়া সমস্যা সমাধান, বেঁকী নদীৰ ওপৰেৰে জয়েন বজাৰৰ পথ খড়িচালিলৈ সংযোগী পথ নিৰ্মাণকে ধৰি বিভিন্ন উন্নয়নমূলক কাম-কাজ দ্ৰুতগতিত আগবঢ়াই নিয়াৰ আশ্বাস প্ৰদান কৰে।

বিহালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ব্যতিক্ৰমী অন্তৰংগ আলাপ অনুষ্ঠান

অসম বার্তা, জিনজিয়া, ৩নৱেম্বৰ ঃ বিশ্বনাথ জিলাৰ বিহালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদ্যালয়খনিৰ ন-পুৰণি শিক্ষক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ উদ্যোগত এক ব্যতিক্ৰমী তথা সৌহাৰ্দ্যপূৰ্ণ অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক বোধন খতিয়া আৰু প্ৰাক্তন অধ্যক্ষনলিনী দেৱীৰ মূল উদ্যোগ আৰু বৰ্তমানৰ সমগ্ৰ শিক্ষক-কৰ্মচাৰীসকলৰ বিশেষ সহযোগত অনুষ্ঠিত এই মনোজ্ঞ অনুষ্ঠানত প্ৰাক্তন অধ্যক্ষসকলৰ উপৰিও কেইবাগৰাকীও অবসৰপ্ৰাপ্ত বিষয় শিক্ষক আৰু সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। যোৱা ২৮ অক্টোবৰত বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাবধায়ক অজিত ছেত্ৰীৰ আদৰণী ভাষণেৰে শুভাৰম্ভ ঘটা এই বিশেষ সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰপ্ৰসাদ শইকীয়া আৰু অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ উপ সঞ্চালক মনোজ কাফ্লে। মুখ্য অতিথি ইন্দ্ৰ প্ৰসাদ শইকীয়াৰ মননশীল আৰু সুগভীৰ ভাষণে উপস্থিত প্ৰত্যেককে আপ্লুত কৰি তোলে। বিদ্যালয়ৰ কৰ্মবত বিষয় শিক্ষক হেমন্ত বৰাই আঁত ধৰা অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলে নিজ নিজ শৈক্ষিক অভিজ্ঞতা সাঁথৰি আৰু সাৰগৰ্ভ বক্তব্য ৰাখে। ইফালে, মূল মনোৰঞ্জনকৰ্মী অন্তৰংগ আলাপৰ ভাগটি সফলতাবে সঞ্চালনা কৰে অবসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ শৰ্মাই। স্মৃতিবোমন্থনেৰে মুখৰ হৈপৰা এই কাৰ্যসূচীত প্ৰাক্তন অধ্যক্ষ ক্ৰমে ধূলন্ত বৰা, ৰেণু চহৰীয়া শইকীয়া, নলিনী দেৱী, সিদ্ধাৰ্থ পাল, অবসৰপ্ৰাপ্ত বিষয় শিক্ষক মোহন বৰা, কণালী ফুকন বৰা, ৰুজভেল্ট হৰ, পৰেশ হাজৰিকা, কিশোৰ খতিয়া তথা অবসৰপ্ৰাপ্ত সহকাৰী শিক্ষক লক্ষ্মী শইকীয়া, হেম প্ৰধান, ক্ষেমৰাজ ঘিমিঙে, ৰীনা দেৱ, সন্তোষ বৰুৱাকে ধৰি বহুকেই গৰাকী অবসৰপ্ৰাপ্ত শিক্ষাগুৰুৰে সক্ৰিয় ভাবে অংশগ্ৰহণ কৰি অতীতৰ নানা মধুৰ অনুভৱ ব্যক্ত কৰে। শিক্ষাক আৰু শিক্ষাগুৰুক এনে বিৰল সমন্বয়ে সমগ্ৰ বিদ্যালয় প্ৰাংগণত এক অনন্য, আবেগিক আৰু উৎসমুখৰ পৰিবেশৰ সৃষ্টি কৰে।

কামৰূপৰ দদৰাত ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ

ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ৩ নৱেম্বৰ ঃ কামৰূপ জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত মঙ্গলবাৰে দদৰাৰ গঙ্গমৌ গাঁৱত এটা ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন কৰে হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। শুভ উদ্বোধন কৰি বিধায়ক গৰাকীয়ে কয় যে এই ধান ক্ৰয় কেন্দ্ৰটো স্থাপনৰ জৰিয়তে জিলাখনৰ ধান ক্ৰয় ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লগতে স্থানীয় কৃষকসকলৰ বাবে উন্নত বজাৰ সুবিধা নিশ্চিত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। কেন্দ্ৰটোৰ জৰিয়তে চৰকাৰী ন্যূনতম সমৰ্থন মূল্য (MSP)ত কৃষকৰ পৰা ধান ক্ৰয়ৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত কৃষকসকলে এক স্বচ্ছ আৰু সুসংগঠিত বিপণন ব্যৱস্থা লাভ কৰাৰ লগতে উৎপাদিত ধানৰ উচিত মূল্য লাভ কৰিব আৰু কম মূল্যত ধান বিক্ৰী কৰিবলৈ বাধ্য হোৱা পৰিস্থিতি পৰা ৰক্ষা পৰিব। উল্লেখ্য যে, চলিত ২০২৬-২৭ বৰ্ষৰ খাৰিফ বিপণন বতৰৰ (Kharif Marketing Season) বাবে ধানৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২, ৪৪১ টকা নিৰ্ধাৰণ কৰা হৈছে। এই ব্যৱস্থাই কৃষকসকলক উৎপাদিত শস্যৰ উচিত আৰু লাভজনক মূল্য প্ৰদান কৰাৰ লগতে কৃষি খণ্ডৰ বিকাশত সহায় কৰিব। উদ্বোধনী অনুষ্ঠানত ৫০ গৰাকীৰো অধিক কৃষকে অংশগ্ৰহণ কৰে। ধান ক্ৰয় প্ৰক্ৰিয়াৰ এক উৎসাহজনক আৰম্ভণি হিচাপে এই উপলক্ষে কলিতাকুছি গাঁৱৰ কৃষক খগেন্দ্ৰ বেজবৰুৱাই কেন্দ্ৰটোত ৬৮ কুইণ্টল ধান বিক্ৰী কৰে। অনুষ্ঠানত কামৰূপৰ জিলা কৃষি বিষয়া হিতেশ বেজবৰুৱা, সহকাৰী কৃষি সঞ্চালক মুকুল বৰ্মন, হাজো কৃষি উন্নয়ন বিষয়া পাৰ্থজ্যোতি বৰা, ৰামদিয়া কৃষি উন্নয়ন বিষয়া ডেনিম বৰা আৰু গেৰোৱা কৃষি উন্নয়ন বিষয়া অঞ্জন জ্যোতি ডেকাৰ লগতে কৃষি বিভাগৰ অন্যান্য বিষয়া আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৰত 'প্ৰযুক্তি দিৱস'



অসম বার্তা, বেৰেজীয়া, ৪ নৱেম্বৰ ঃ কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৰৰ চৌহদ থকা প্ৰদৰ্শনী পাম(instructional farm)ত আজি দিনযোৰা কাৰ্যসূচীৰে 'প্ৰযুক্তি দিৱস' অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটিত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰি নগাঁও জিলা আয়ুক্ত আৰণ্যক শইকীয়াই "বজাৰৰ তথ্য সংগ্ৰহ(market intelligence), উপযুক্ত মূলত উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলৈ মজবুত বজাৰ সংযোগ স্থাপন আৰু প্ৰাথমিক শস্যৰ সমান্তৰালভাৱে মিলেট (millet)ৰ দৰে মূলাৱৰ্ধিত সামগ্ৰী উৎপাদনৰ গুৰুত্ব"ৰ ওপৰত আলোকপাত কৰে। সভাত বক্তব্য ৰাখি জিলা কৃষি বিষয়া মিথিল নাৰায়ণ বৰুৱাই "অধিক উৎপাদনৰ বাবে শাৰীবদ্ধভাৱে বোপণ কৰাটো আজি অভাৱৰ বাবে পৰম্পৰাগতভাবে এই পদ্ধতি গ্ৰহণ কৰাত বাধাৰ সৃষ্টি হৈছে। সেয়েহে তেওঁ মুখ্যমন্ত্ৰীৰ উন্নয়নমূলক পদক্ষেপৰ অধীনত মেচিনৰ সহায়ত ধান ৰোৱা মেচিন(transplanters) আৰু বিণাৰৰ বাবে চৰকাৰী বেহাই মূল্য প্ৰদানৰ বিষয়টো দোহাৰে। ইয়াৰ উপৰিও তেওঁ কৃষকসকলক চলি থকা পঞ্জীয়ন, ধান ক্ৰয়, বৃদ্ধি কৰা ন্যূনতম সমৰ্থন মূল্য আৰু মাটিমাহ তথা মটৰমাহৰ সৈতে হিলে ক্ৰপিং (relay cropping)ৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানটিত মাগুলিক গৱেষণা কেন্দ্ৰ চিলনীৰ মুখ্য বিজ্ঞানী ড° হিৰণ্য কুমাৰ বৰাই কৃষকসকলক পামৰ প্ৰদৰ্শনী প্ৰত্যক্ষ কৰাৰ পাছতে শস্যৰ প্ৰজাতি নিৰ্বাচন কৰিবলৈ আৰু জিলা কৃষি বিষয়া তথা কৃষি বিজ্ঞান কেন্দ্ৰৰ সঠিক প্ৰাৰ্থিজাঁচি পৰামৰ্শ অনুসৰি চৰকাৰী আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৰৰ উদ্যান শস্য বিশেষজ্ঞা জু লি শৰ্মা, ভূ মি বিজ্ঞান বিশেষজ্ঞ দিপেন চন্দ্ৰ নাথ, পথাৰ শস্য বিশেষজ্ঞা ড° বন্তি গগৈ, সামুহিক বিজ্ঞান বিশেষজ্ঞা ড° আছফিকা ইছলাম, পাম পৰিচালক শকুন্তলি শৰ্মা, সহযোগী কৃণজ্যোতি বৰা, মনিৰাম বৰা, কাৰিকৰী বিষয়া বিণু নাৰায়ণ ফুকনৰ লগতে কেইবাগৰাকীও প্ৰগতিশীল কৃষক উপস্থিত থকে।

ভাৰত চৰকাৰৰ মিনিষ্ট্ৰি অৱ এনভাইৰনমেণ্ট, ফৰেষ্ট আৰু ক্লাইমেট চেঞ্জ বিভাগৰ পত্ৰই জোকাৰিছেৱন বিভাগৰ ভিতৰচ'ৰাত

গোলাঘাটত স্বয়ং বন প্ৰাধিকাৰী আৰু আঞ্চলিক বন বিষয়াৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত চলিছে বনজ সম্পদৰ লুণ্ঠন

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, গোলাঘাট, ৪ নৱেম্বৰ ঃ অসম চৰকাৰৰ বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই দায়িত্বভাৰ গ্ৰহণ কৰিহেই কম বিভাগত চলি থকা অবাধ দুৰ্নীতি, লুণ্ঠন আৰু ধ্বংসযজ্ঞ ৰোধ কৰাৰ কথা সদন্তে ঘোষণা কৰাৰ লগতে এনে দুৰ্নীতি, লুণ্ঠনত জড়িত সকলক কঠোৰ শাস্তি প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছিল। বন মন্ত্ৰীগৰাকীৰ এই ঘোষণাক অসাৰ প্ৰতিপন্ন কৰি তুলিছে গোলাঘাট জিলাত চলি থকা অবাধ বনজ সম্পদৰ লুণ্ঠনৰাজে। এই বনজ সম্পদৰ লুণ্ঠনত নামি পৰিছে স্বয়ং গোলাঘাটৰ বন সংৰক্ষণী প্ৰাধিকাৰী আৰু নুমলীগড় আঞ্চলিক বন বিষয়া গৰাকী। জিলা বন সমন্বয় প্ৰাধিকাৰী আৰু আঞ্চলিক বন বিষয়া গৰাকীৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত চিণ্ডিকেট ৰাজ চলইনুমলীগড়ৰ বিভিন্ন এলেকাত অবাহতে ৰাখিছে অবাধ বনজ সম্পদৰ লুণ্ঠনৰাজ। শেহতীয়াকৈ ভাৰত চৰকাৰৰ মিনিষ্ট্ৰি অৱ এনভাইৰনমেণ্ট, ফৰেষ্ট আৰু ক্লাইমেট চেঞ্জ বিভাগীয় এক পত্ৰই জোকাৰিছে গোলাঘাটৰ বন বিভাগৰ ভিতৰ চ'ৰাত। আমাৰ হাতত পৰা তথ্য অনুসৰি গোলাঘাটৰ এগৰাকী সচেতন ব্যক্তিয়ে নুমলীগড় খণ্ড বন কাৰ্যালয়ৰ অধীনৰ বান্দৰদৌৰাগাছি এম চি-১, এম চি-২ৰ লগতে চোনাইঘাট, জাৰুবৰাট, ফটালিল, ইচলামঘাট, চৰাজীবাৰী, ওকাৰাঘাট আৰু দিলীপঘাটত অবৈধভাৱে চলি থকা বালি, শিল আৰু মাটি খননৰ এক উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰি ভাৰত চৰকাৰৰ ফৰেষ্ট প্ৰটেকচন অধীনৰ মিনিষ্ট্ৰি অৱ এনভাইৰনমেণ্ট, ফৰেষ্ট এণ্ড ক্লাইমেট চেঞ্জ বিভাগলৈ পত্ৰ প্ৰেৰণ কৰিছিল। এই পত্ৰখন যোৱা ১৪ অক্টোবৰত বিভাগটোৱে গ্ৰহণ কৰাৰ পিছতেই ৰাজ্যৰ বন বিভাগৰ বিষয়টো পৰীক্ষণ কৰাৰ লগতে বন বিভাগৰ আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ভাৰত চৰকাৰৰ ফৰেষ্ট প্ৰটেকচন বিভাগৰ চি চি সঞ্জয় কুমাৰ চৌহান স্বাক্ষৰিত এক পত্ৰ আমস চৰকাৰৰ বন বিভাগৰ পি চি চি এফলৈ যোৱা ১৬ অক্টোবৰত প্ৰেৰণ কৰে। পি চি চি এফ কাৰ্যালয়ে এই পত্ৰ লাভ কৰাৰ পিছত গোলাঘাট বন বিভাগত চলি থকা বেআইনী কাৰ্যকলাপৰ বিষয়ে গোলাঘাটৰ বন বিভাগলৈ পত্ৰ প্ৰেৰণ কৰে। উক্ত পত্ৰ লাভ কৰাৰ পিছতেই ধৰকাছুটি হেকৰাইছে গোলাঘাটৰ বন বিভাগে। গোলাঘাট বন সমগুল প্ৰাধিকাৰী মুকুট চন্দ্ৰ দাসে ততাতৈয়াকৈ ২৩ অক্টোবৰত B/GD/illegal/2026/7155-56নম্বৰ এক পত্ৰযোগে গোলাঘাট আঞ্চলিক বনাঞ্চলিক বিষয়া আৰু গোলাঘাট বনাঞ্চলিক কাৰ্যালয়ৰ প্ৰটেকচন বিষয়াক অবৈধ খননকাৰ্য সঠিক তদন্ত কৰি তিনি দিনৰ ভিতৰত তদন্তৰ প্ৰতিলিপি জমা দিবলৈ নিৰ্দেশ দিয়ে।

মাজুলীত চাংগা মাজুলী, বিকং মাজুলী, ফুলনি জকাইবোৰা সমষ্টি

৪০ সমষ্টিত ৩০ নৱেম্বৰত মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ নিৰ্বাচন

অসম বার্তা, উজনী মাজুলী, ৩ নৱেম্বৰ ঃ অসম ৰাজিক নিৰ্বাচন আয়োগে আজি মিচিং স্বায়ত্ত্ব শাসিত পৰিষদ (MAC) নিৰ্বাচন-২০২৬ৰ সম্পূৰ্ণ কাৰ্যসূচী ঘোষণা কৰিছে। ঘোষিত সূচী অনুসৰি অহা ৩০ নৱেম্বৰত ৪০টা সমষ্টিত ভোটাধিকাৰ অনুষ্ঠিত হ'ব। ভোট গণনা ৩ ডিচেম্বৰত অনুষ্ঠিত হোৱাৰ লগতে ৫ ডিচেম্বৰৰ ভিতৰত সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব। ঘোষণা অনুসৰি পৰিষদৰ মুঠ ৪০খন আসনৰ ভিতৰত ২৯খন অনুসূচিত জনজাতি (ST), ৫খন মুক্ত (Open) আৰু ৬খন মহিলা সংৰক্ষিত হিচাপে নিৰ্ধাৰণ কৰা হৈছে। মাজুলী জিলাৰ অধীনত ৩০ নং চাংগা মাজুলী, ৩১ নং ফুলনি জকাইবোৰা আৰু ৩২ নং বিকং মাজুলী (ST) সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। ১০ নৱেম্বৰেলৈ মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ১২ নৱেম্বৰত মনোনয়ন পত্ৰ পৰীক্ষা আৰু বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ১৬ নৱেম্বৰ হৈছে মনোনয়ন প্ৰত্যাহৰৰ অন্তিম তাৰিখ আৰু সেই দিনাই প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৩০ নৱেম্বৰত পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪.০০ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰয়োজন সাপেক্ষে ১ ডিচেম্বৰত পুনৰ ভোটগ্ৰহণ কৰা হ'ব। ৩ ডিচেম্বৰত পুৱা চ বজাৰ পৰা ভোট গণনা আৰম্ভ কৰি ফলাফল ঘোষণা কৰা হ'ব। আয়োগে জনোৱা মতে, মনোনয়ন পত্ৰ দাখিলৰ সময় পুৱা ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। লগতে ৩নৱেম্বৰৰ পৰাই সমগ্ৰ মিচিং স্বায়ত্ত্ব শাসিত পৰিষদ এলেকাত নিৰ্বাচনী আচৰণ বিধি বলবৎ হৈছে।

গোলাঘাটৰ 'কৃষ্টিমালা'ৰ পঞ্চম প্ৰতিষ্ঠা দিৱস সম্পন্ন

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, গোলাঘাট, ৪ নৱেম্বৰ ঃ গোলাঘাটৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান 'কৃষ্টিমালা'ৰ পঞ্চম প্ৰতিষ্ঠা দিৱস যোৱা ১ নৱেম্বৰত দিনযোৰা কাৰ্যসূচীৰে এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। সেইদিনা পুৱাৰ ভাগত তিনিটা শাখাত অনুষ্ঠিত কবিতা আবৃত্তি প্ৰতিযোগিতাত "ক" শাখাত প্ৰথম বিমুশা গগৈ, দ্বিতীয় প্ৰিয়াংগী বৰা, তৃতীয় দেবাংগনা বৰঠাকুৰ আৰু চতুৰ্থ লোহিত ৰাজখোৱা, "খ" শাখাত প্ৰথম অন্বেষণা চলিহা, দ্বিতীয় অয়নাঙ্ক চলিহা, তৃতীয় ভাস্কৰ বৰকটকী আৰু চতুৰ্থ পৰাগ প্ৰতিম বৰা, "গ" শাখাত প্ৰথম কংকনা বৰা, দ্বিতীয় স্নেহা বৰুৱা আৰু তৃতীয় সংগীতা বৰাই পুৰস্কাৰ লাভ কৰে। বিচাৰক হিচাপে আছিল আৰুত্তিকাৰ, অভিনেত্ৰী যোবহাটৰ গায়ত্ৰী দেৱী আৰু নৱ প্ৰজন্মৰ আবৃত্তিকাৰ, লেখিকা স্ৰোতস্বিনী তামোলী। সম্পাদিকা পাপৰি শইকীয়া বৰাই আঁত ধৰা আবৃত্তি প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে বিশিষ্ট আবৃত্তিকাৰ বনশ্ৰী কাকতিয়ে। সন্ধ্যানৈ সম্পাদিকা পাপৰি শইকীয়া বৰাই পৰিবেশন আৰু পৰিচালনাত "শাৰদী সন্ধ্যাৰ জোনাকী মেল" শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। অসমৰ প্ৰতিষ্ঠিত চিত্ৰশিল্পী, কৃষ্টিমালাৰ উপদেষ্টা মনজিৎ ৰঙচাৰা আৰু সভাপতি অৰিন্দম বৰাৰ পৰিকল্পনাৰে সজাই তোলা মায়াময় মঞ্চত ৬০ দকৰ পৰা বৰ্তমান সময়লৈকে চলচ্চিত্ৰৰ বাচকনবীয়া গীতৰ পৰিবেশনে উপস্থিতসকলক নষ্টালজিক কৰি তোলে। 'শিলে শিলে ঠেকা খালে', 'জোনটি ওলালে', 'মন হীৰা দৈ', 'আহুমুটি আহ'কে ধৰি 'বৈ বৈ বিনালে' গীতসমূহে অসমীয়া চলচ্চিত্ৰ-সঙ্গীতৰ সমৃদ্ধশালী ধাৰাটোক আকৌ এবাৰ প্ৰতিষ্ঠা কৰিলে। অনুষ্ঠানটিত অসমীয়া সঙ্গীতৰ পুৰোধা ডা' ভূপেন হাজৰিকা আৰু প্ৰথিতযশা সাহিত্যিক নবকান্ত বৰুৱাৰ কবিতা-গীতৰ যুগল কণ্ঠীৰে পাপৰি শইকীয়া বৰাৰ বচনা আৰু পৰিচালনাৰে এক ব্যতিক্ৰমী অনুষ্ঠানেৰে দুয়োজন ব্যক্তি বিশেষৰ প্ৰতি জন্ম-শতবৰ্ষৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। 'কৃষ্টিমালা'ৰ সদস্যসকলে অনুষ্ঠানটিত দলীয়ভাৱে জ্যোতিপ্ৰসাদৰ নিৰ্বাচিত কবিতাৰ এক মনোজ্ঞ আবৃত্তি অনুষ্ঠানৰ লগতে দুটি নৃত্যও পৰিবেশন কৰে। উল্লেখযোগ্য যে বৰ্তমান মুম্বাই নিবাসী কণ্ঠশিল্পী দেবজিত শইকীয়াই কেইবাটিও গীত পৰিবেশনেৰে অনুষ্ঠানটিক জীপাল কৰি তোলে।



অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, টংলা, ৪ নৱেম্বৰ ঃ বৃহত্তৰ টংলা অঞ্চলৰ মহানুভৱ ভাষানুৰাগী জনমাজৰ সহযোগত আৰু টংলা সাহিত্য সভাৰ প্ৰয়াসত টংলা সাহিত্য সভা ভৱনৰ চৌহদত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা সাহিত্যাৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ অম্লান স্মৃতিত নবনিৰ্মিত আবক্ষ মূৰ্তিটো আজি টংলা বিধান সভাৰ বিধায়ক বিকন চন্দ্ৰ ডেকাই উন্মোচন কৰি কয় অসমীয়া ভাষাক জীয়াই ৰখাৰ প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। তেখেতে সাহিত্যাৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ সাহিত্য সৃষ্টি, জাতীয় প্ৰেম, জাতীয় চিন্তা, অসমীয়া ভাষাটোৰ উত্তৰণৰ হকে কৰা মহান ত্যাগ, অবদান, কষ্টসহিষ্ণুতাৰ শলাগ লৈ গভীৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। সাহিত্যাৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ আবক্ষ মূৰ্তিৰ ফলক উন্মোচন কৰে মূৰ্তি নিৰ্মাতা সমিতিৰ কাৰ্যকৰী সভাপতি আদিত চন্দ্ৰ কলিতাই। মুদৈবড়ী পৰিবাদীয় সমষ্টিৰ পাৰিষদ দিগন্ত বৰুৱাই সৃষ্টি, স্মৃতি, বেজবৰুৱাময় প্ৰহৰ শীৰ্ষক সভা উন্মোচন কৰে। টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ পূৰ্বে শিল্পী কিৰণ চন্দ্ৰ ডেকাৰ পৰিচালনাত চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক গীতটি স্থানীয় শিল্পীবৃন্দই পৰিবেশন কৰে। টংলা সাহিত্য সভাৰ সম্পাদক শ্যামল কুমাৰ দাস আৰু স্মৰণিকা সম্পাদনা সমিতিৰ সম্পাদক গৌৰীশংকৰ দাসে আঁত ধৰা সভাত ওদলগুৰি জিলা সাহিত্য সভাৰ সভাপতি জনাব তজৰ আলি আহমেদে স্মৰণিকা 'সাহিত্যৰথী' উন্মোচন কৰে। সভাত খালিংদুবাৰ সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰী, মূৰ্তি নিৰ্মাতা শিয়ংকা বসুমতাৰী, বিটিচিৰ মনোনীত পাৰিষদ ৰতন চন্দ্ৰ ৰাভা, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক ৰিঝাৰবল ৰাভা, সমাজ ভাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ, ওদালগুৰি জিলা সমিতিৰ সভাপতি নিলয় চলিহা, লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক তৰুণ আজাদ ডেকাই ভাষণ দিয়ে। দীপ্তিমা ভবালীয়ে কবিতা আবৃত্তি আৰু শিল্পী মনোজ বৰাই গীত পৰিবেশন কৰা সভাত 'ওদালগুৰি বন্ধু' ধৰণীধৰ মেধি, ওদালগুৰি জিলা সাহিত্য সভাৰ উপ সভাপতি সন্তোষা কছৰী, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তাৰা নাথ কলিতা, ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সঙ্ঘৰ সভাপতি মিন্টু বৰুৱা, টংলা সাহিত্য সভাৰ উপ সভাপতি তপেশ্বৰ ৰাভা, আবক্ষ মূৰ্তি নিৰ্মাণ সমিতিৰ বিষয় ৰবীয়াৰ লগতে দাতা, জ্যেষ্ঠ, কনিষ্ঠ ব্যক্তি, বিশিষ্ট নাগৰিক উপস্থিত থাকে। পুৰাৰ ভাগত টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে।

দেৰগাঁৱৰ ১১ সংখ্যক অসম আৰক্ষী বাহিনীৰ আশিহাৰা কেৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ সাফল্য

অসম বার্তা, দেৰগাঁও, ৪নৱেম্বৰ ঃ দেৰগাঁৱৰ ১১ সংখ্যক অসম আৰক্ষী বাহিনীৰ চৌহদত থকা অব্যাহত ৰাখিছে। এই প্ৰশিক্ষণ কেন্দ্ৰত অসম আৰক্ষীত কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলৰ সন্তানৰ লগতে দেৰগাঁও আৰু আশিহাৰা কেৰাটে স্কুলৰ মুখ্য প্ৰশিক্ষক হিচাপে কৃষ্ণকাহাৰুৱৰ (Black Belt 2nd Dan), তুলসী লোহাৰ (Black Belt 3rd Dan) আৰু আমিন খানে (Black Belt 1st Dan) প্ৰশিক্ষক প্ৰদান কৰি আছিহে। নিজৰ কৰ্মব্যস্ততাৰ মাজতো এই তিনিগৰাকী প্ৰশিক্ষকে নিয়মীয়াকৈ সময় উলিয়াই কণ কণ প্ৰশিক্ষাৰ্থীসকলক সমৰকলাৰ প্ৰশিক্ষণ দি আহিছে।বিশেষকৈ এই প্ৰশিক্ষক কেন্দ্ৰত কেৰল আৰক্ষী বিভাগৰ কৰ্মচাৰীৰ সোণ আৰু ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, ২০১৮ চনৰ পৰা আশিহাৰা কেৰাটে স্কুলৰ মুখ্য প্ৰশিক্ষক হিচাপে কৃষ্ণকাহাৰুৱৰ (Black Belt 2nd Dan), তুলসী লোহাৰ (Black Belt 3rd Dan) আৰু আমিন খানে (Black Belt 1st Dan) প্ৰশিক্ষক প্ৰদান কৰি আছিহে। নিজৰ কৰ্মব্যস্ততাৰ মাজতো এই তিনিগৰাকী প্ৰশিক্ষকে নিয়মীয়াকৈ সময় উলিয়াই কণ কণ প্ৰশিক্ষাৰ্থীসকলক সমৰকলাৰ প্ৰশিক্ষণ দি আহিছে।বিশেষকৈ এই প্ৰশিক্ষক কেন্দ্ৰত কেৰল আৰক্ষী বিভাগৰ ক

অসমৰ ৰাজ্যপালৰ উপস্থিতিত প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ত নৰ্থ ইষ্ট এডুকেচন কনক্লেভ ২০২৬ৰ শুভাৰম্ভ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৪ নৱেম্বৰ ঃ গুৱাহাটীস্থিত প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ৰ হাজবোৰী, চন্দ্ৰপুৰস্থিত চৌহদত অসমৰ মহামহিম ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ গৰিমাময় উপস্থিতিত 'নৰ্থ ইষ্ট এডুকেশন কনক্লেভ-২০২৬' অনুষ্ঠিত হয়। 'Realising NEP 2020: From Implementation to Optimum Outcomes' শীৰ্ষক বিষয়বস্তুৰে আয়োজিত এই কনক্লেভত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ পৰা ৩৫ গৰাকী উপাচাৰ্য/প্ৰতিষ্ঠানিক সঞ্চালক, ১৭ড গৰাকী শিক্ষাবিদ আৰু মহাবিদ্যালয়ৰ প্ৰতিনিধি, ৮৩ গৰাকী অধ্যক্ষ তথা ২৫ গৰাকী IQAC প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। এইউপলক্ষে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা তথা জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংঘলে চলিত শৈক্ষিক বৰ্ষৰ পৰাই প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ত 'প্ৰাগজ্যোতিষপুৰ আয়ুৰ্বেদ গুৰুকুল' আৰম্ভ কৰাৰ অনুষ্ঠানিক ঘোষণা কৰে। কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়, নতুন দিল্লীৰ স্বীকৃতিপ্ৰাপ্ত এই বিশেষ কাৰ্যসূচী সমগ্ৰ ভাৰতবৰ্ষৰ মাত্ৰ পাঁচটা প্ৰতিষ্ঠানত আৰম্ভ হ'ব, যাৰ ভিতৰত প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয় সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ প্ৰতিষ্ঠান। এই পদক্ষেপে আয়ুৰ্বেদ শিক্ষা আৰু ভাৰতীয় পৰম্পৰাগত জ্ঞান ব্যৱস্থাৰ প্ৰসাৰত এক নতুন দিশৰ সূচনা কৰিব। অনুষ্ঠানত প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ৰ আচাৰ্য লেফটেনেণ্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) ৰাণা প্ৰতাপ কলিতা, বিদ্যা ভাৰতী উচ্চ শিক্ষা সংস্থানৰ ৰাষ্ট্ৰীয় সভাপতি অধ্যাপক কৈলাস চন্দ্ৰ শৰ্মা আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ পৰ্যালোচনা সমিতিৰ অধ্যক্ষ অধ্যাপক এম জগদীশ কুমাৰে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। কনক্লেভৰ অংশ হিচাপে 'নশামুক্ত ভাৰত অভিযান' ৰ অধীনত এক শপতগ্ৰহণ অনুষ্ঠানেও আয়োজন কৰা হয়। অসমৰ মহামহিম ৰাজ্যপালৰ



উপস্থিতিত প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাঘবেন্দ্ৰ প্ৰসাদ তিৱাৰীয়ে উপস্থিত বিভিন্ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, প্ৰতিষ্ঠানিক সঞ্চালক, মহাবিদ্যালয়ৰ অধ্যক্ষ, IQAC প্ৰতিনিধি, শিক্ষাবিদ আৰু আমন্ত্ৰিত অতিথিসকলক নশামুক্ত ভাৰত গঢ়াৰ শপত বাক্য পাঠ কৰায়। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাঘবেন্দ্ৰ প্ৰসাদ তিৱাৰীয়ে উদ্বোধনী ভাষণত ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ ৰ ফলপ্ৰসূ ৰূপায়ণ, গুণগত শিক্ষা, দক্ষতা বিকাশ আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ মাজত সহযোগিতা অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানৰ শেষত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড' দেবব্ৰত খনিকৰে ধন্যবাদসূচক বক্তব্য প্ৰদান কৰি অসমৰ মহামহিম ৰাজ্যপাল, মন্ত্ৰী, বিশিষ্ট অতিথিসকল, বিভিন্ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, প্ৰতিষ্ঠানিক সঞ্চালক, অধ্যক্ষ, শিক্ষাবিদ, প্ৰতিনিধি আৰু উপস্থিত সকলো আমন্ত্ৰিত অতিথিলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

৪৮ ঘণ্টাৰ সময়সীমা বান্ধি কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ

নুমলীগড় শোধনাগাৰত অনা-অসমীয়া পুঁজিপতিৰ নিৰনুৰাক ভাতে মৰাৰ ষড়যন্ত্ৰ

তেল টেংকাৰ নিবিদাৰ;ষড়যন্ত্ৰমূলক সিদ্ধান্ত সলনিৰ দাবীত জাঙুৰ খাই উঠিল টাইপা

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৪ নৱেম্বৰ ঃ অসম চুক্তিৰ আধাৰত স্থাপিত একমাত্ৰ উদ্যোগ নুমলীগড় শোধনাগাৰত একাংশ অনা-অসমীয়া পুঁজিপতি গোষ্ঠীয়ে ৰাজ্যখনৰ নিজনুৰা যুৱক-যুৱতীসকলৰ মুখত মাধ্যমাৰ সোধাই কেৱল পুঁজিপতিসকলৰ স্বাৰ্থত কাম কৰি অহা বুলি অভিযোগ উত্থাপন কৰিছে চাই আহোম যুৱ পৰিষদ অসম গোলাঘাট জিলা সমিতিয়ে। শেহতীয়াকৈ নুমলীগড় শোধনাগাৰৰ অধীনত অসম পেট্ৰলিয়াম ক'পৰেশন লিমিটেড (BPCL) য়ে ৩৪খন তেল টেংকাৰ চলাবৈলৈ চুক্তিবদ্ধ কৰিছে। এই ক্ষেত্ৰত বি.পি.চি.এল.এ একাংশ ধনী শ্ৰেণীৰ লোকক টেংকাৰ চলাই ৰখা অথবা বৰ্তমান কমেও আগতীয়াকৈ ৩৬ন টেংকাৰ ক্ৰয় কৰিব পৰা লোককহে নতুন নিবিদাত স্থান লাভ কৰিব পাৰিব বুলি এক নিয়মাবলী প্ৰস্তুত কৰিছে। এনে সিদ্ধান্তই নিজনুৰা যুৱক-যুৱতী সকলক বঞ্চিত কৰাৰ কৌশল বুলি কৰিছে। গতিকে বি.পি.চি.এল.ৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি বি.পি.চি.এল. আৰু এন.আৰ.এল কৰ্তৃপক্ষক কঠোৰভাবে সকীয়াই দিয়ে সংগঠনটোৰে। আজি এক স্মাৰক পত্ৰ প্ৰদান কৰি অহা ৪৮ ঘণ্টাৰ সময়সীমা বান্ধি দি টাইপা গোলাঘাট জিলা সমিতিয়ে নিবিদাৰ নীতি সংশোধন কৰাৰ দাবী জনায়। টাইপা গোলাঘাট জিলা সমিতিৰ মুখ্য উপদেষ্টা পূৰ্ণ ৰাজখোৱা, ভাৰপ্ৰাপ্ত সভাপতি বিমান বৰুৱা, কাৰ্যকৰী সভাপতি মনোজ গগৈ, সাধাৰণ সম্পাদক মুকুন্দ গগৈ স্বাক্ষৰিত স্মাৰক পত্ৰখনত আৰু কোৱা হয় যে- যদিহে নিজনুৰা যুৱক-যুৱতীসকলৰ প্ৰতি ন্যায় আৰু সহানুভূতি দৃষ্টিভংগী গ্ৰহণ নকৰে তেহেলে টাই আহোম যুব পৰিষদ, অসম, গোলাঘাট জিলা সমিতিয়ে নিজনুৰাৰ অধিকাৰৰ বে সুৰক্ষা আৰু ন্যায় সংগত অধিকাৰৰ দাবীত সংগ্ৰাম তীব্ৰতৰ কৰি তুলিব। বিপিচিএলৰ ইতিমধ্যে তিনিখন বা তাতকৈ অধিক টেংকাৰ থকা ব্যক্তিসকলৰে অগ্ৰাধিকাৰ লাভ কৰিব বুলি দিয়া নীতি নিয়ম প্ৰত্যাহাৰ কৰাৰ দাবী জনায়। লগতে প্ৰকৃত নিজনুৰা আৰু আৰ্থিকভাৱে দুৰ্বল স্থানীয় যুৱক যুৱতী সকলক নিবিদাৰ প্ৰক্ৰিয়াত বিশেষ অগ্ৰাধিকাৰ দিয়াৰ সুযোগ প্ৰদান কৰা, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে কেবল সংৰক্ষণৰ সুবিধা প্ৰদান কৰিলেই নহ'ব প্ৰকৃত নিজনুৰা সকলক এই সুবিধাৰ পৰা বঞ্চিত কৰাৰ ষড়যন্ত্ৰ প্ৰত্যাহাৰ কৰা, সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত টেংকাৰ চলাই থকাসকলৰ সৈতে গোপন বুজাবুজি আৰু পক্ষপাতিত্ব অভিযোগৰ নিবন্ধক তদন্তৰ দাবী জনায়। ইয়াবোপৰি প্ৰস্তাৱিত নিবিদাৰ নীতি নিয়ম অতি শীঘ্ৰে সংশোধন কৰি স্বচ্ছ আৰু নিষ্কাষাৰে নিবিদাৰ ব্যৱস্থা কৰি সকলোলে বাবে সুযোগ প্ৰদান কৰাৰ দাবী জনায় স্মাৰক পত্ৰ প্ৰদান কৰে। গোলাঘাট জিলা আয়ুষ্কৰ জবিয়তে প্ৰদান কৰা এই স্মাৰক পত্ৰৰ প্ৰতিলিপি অসম চৰকাৰৰ পেট্ৰলিয়াম মন্ত্ৰী হৰ্ষদীপ সিং পুৰী, অসমৰ মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মা, উদ্যোগ মন্ত্ৰী বিমল বৰা, বিপিচি এলৰ সঞ্চালক আৰু নুমলীগড় শোধনাগাৰৰ সঞ্চালকলৈ প্ৰেৰণ কৰে। এই স্মাৰক পত্ৰ প্ৰদান অনুষ্ঠানত টাই আহোম যুব পৰিষদ অসমৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অৰুণ গগৈ, সহকাৰী সম্পাদক জিতু গগৈ আৰু হৰি সন্দিকৈয়ে অংশগ্ৰহণ কৰে।

সোৱণশিৰি সাহিত্য সভা, কবি সন্মিলন, বগীনদী প্ৰেছ গীল্ডকে ধৰি বিভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ

১৫২১ শকাব্দত প্ৰতিষ্ঠিত ঐতিহ্যমণ্ডিত গুৱাগাছা সত্ৰৰ পুনঃনিৰ্মাণৰ কামৰ শুভাৰম্ভ বিধায়ক ৰণজিৎ কুমাৰ দাসৰ

অসম বার্তা, ৰংপেটাৰোড, ৪ নৱেম্বৰ ঃ ১৫২১ শকাব্দত মহাপুৰুষ শ্ৰীশ্ৰী ৰামচৰণ ঠাকুৰদেৱে প্ৰতিষ্ঠা কৰা ঐতিহ্যমণ্ডিত গুৱাগাছা সত্ৰৰ পুনঃনিৰ্মাণৰ কামৰ আনুষ্ঠানিকভাবে আজি শুভাৰম্ভ কৰে অসম বিধানসভাৰ অধ্যক্ষ তথা ভবনীপুৰ-সবডোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাসে। সত্ৰখনৰ পুনঃনিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰি বিধায়কগৰাকীয়ে কয় যে ঐতিহাসিক সত্ৰখন দীৰ্ঘদিন ধৰি জবাজীৰ্ণ অবস্থাত আছিল। সত্ৰখনৰ উন্নয়ন আৰু পুনৰ নিৰ্মাণৰ বাবে পূৰ্বে প্ৰায়ৰ কথা পৰিকল্পনা আজি বাস্তৱ ৰূপ লাভ কৰিছে। সত্ৰখনৰ পুনঃনিৰ্মাণৰ প্ৰথম পৰ্যায়ত ২৫ লাখ টকা আৱণ্টন কৰা হৈছে বুলি ঘোষণা কৰি তেওঁ কয় যে কামৰ অগ্ৰগতি আৰু প্ৰয়োজন অনুসৰি পৰবৰ্তী সময়তো পুঁজি যোগান ধৰা হ'ব। মূল ৰভাঘৰৰ লগতে সত্ৰখনৰ সংলগ্নভাবে এটা ভাজঘৰ নিৰ্মাণৰ কামো হাতত লোৱা হৈছে। বিধায়কগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে পূৰ্বে 'অসম দৰ্শন' আঁচনিৰ অধীনত সত্ৰখনৰ মূল তোৰণ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছিল। বৰ্তমান ৰভাঘৰ আৰু ভাজঘৰৰ পুনঃনিৰ্মাণৰ কাম আহি থকা এপ্ৰিল মাহৰ পূৰ্বে সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ঐতিহ্যমণ্ডিত গুৱাগাছা সত্ৰখনৰ পুনঃনিৰ্মাণৰ কাম আৰম্ভ কৰিব পাৰি আনন্দ প্ৰকাশ কৰি বিধায়ক গৰাকীয়ে অসম চৰকাৰৰ সহযোগিতা আৰু ৰাইজৰ আশীৰ্বাদত অঞ্চলটোক সত্ৰ-নামঘৰ সমূহৰ উন্নয়নমূলক কাম আগবঢ়ি যোৱা বুলি উল্লেখ কৰে। গুৱাগাছা সত্ৰৰ পুনঃনিৰ্মাণে অঞ্চলটোৰ আঁচনি, আধ্যাত্মিক আৰু ঐতিহ্যমণ্ডিত পৰম্পৰা সংৰক্ষণৰ ক্ষেত্ৰত এক নতুন দিশ উন্মোচন কৰিব বুলি আশা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।



শ্ৰীশ্ৰী এলেঙী মদাৰগুৰি সত্ৰৰ বৰ আই হেমপ্ৰভা মহন্তৰ মহাপ্ৰয়াণ, কাটৰি চাপৰি অঞ্চলত শোকৰ ছাঁ

অসম বার্তা, লখিমপুৰ বিশেষ, ৪ নৱেম্বৰ ঃ লখিমপুৰ জিলাৰ কাটৰি চাপৰি-লখিম গাঁওৰ এক সম্মানীয় ধৰ্মীয় অনুষ্ঠান শ্ৰীশ্ৰী এলেঙী মদাৰগুৰি সত্ৰৰ বাবে আজি এক শোকাবহ দিন। আজি ৪ নৱেম্বৰৰ পুৱা ঠিক ৯ বাজি ৫৯ মিনিটত সত্ৰখনৰ প্ৰয়াত সত্ৰাধিকাৰ বিষ্ণুপ্ৰসাদ মহন্তৰ পত্নী তথা সত্ৰৰ বৰ আই হিচাপে পৰিচিত ধৰ্মপ্ৰাণা হেমপ্ৰভা মহন্তই ইহলোক ত্যাগ কৰি বৈকুণ্ঠগামী হয়। জানিব পৰামতে, বাৰ্ধক্যজনিত কাৰণত লগতে বিভিন্ন স্বাস্থ্যজ নিত জটিলতাত ভুগি তেখেতে যাবা কিছুদিন ধৰি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত চিকিৎসাধীন হৈ আছিল। চিকিৎসকৰ পৰামৰ্শমতে মৰ্মে যোৱা ৩ নৱেম্বৰৰ নিশা প্ৰায় ১২.৩০ বজাত তেখেতক ঘৰলৈ অনা হৈছিল। আজি পুৱা নিজ বাসগৃহতে পৰিয়ালৰ সকলোকে এৰি তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেখেতে পাঁচজন পুত্ৰ ক্ৰমে বিদ্যুৎ মহন্ত, বিকাশ মহন্ত, সঞ্জীব মহন্ত, যদুমণি মহন্ত, মানস মহন্ত, এগৰাকী জীয়ৰী সন্ধ্যা মহন্ত, নাতি জোঁৱেই দেবাশিস কায়স্থকে ধৰি, পাঁচ গৰাকী বোৱাৰী, ১৪ গৰাকী নাতি-নাতিনীকে ধৰি বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। ধৰ্মপ্ৰাণা হেমপ্ৰভা মহন্ত কেৱল সত্ৰাধিকাৰৰ পত্নী হিচাপেই নহয়, সমগ্ৰ কাটৰি চাপৰি অঞ্চলৰ বাবে আছিল এক মাতৃস্বৰূপা ব্যক্তিত্ব। সৰলতা, আতিথ্য আৰু ধৰ্মপৰায়ণতাৰ বাবে তেখেতক সকলোৱে শ্ৰদ্ধা আৰু মৰম কৰিছিল। সত্ৰৰ প্ৰতি থকা তেখেতৰ আগাধ ভক্তি আৰু নিষ্ঠা আছিল অনুকৰণীয়। প্ৰয়াত সত্ৰাধিকাৰৰ অনুপস্থিতিতো তেখেতে সত্ৰখনৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত পৰিয়ালক সদায় প্ৰেৰণা যোগাই আহিছিল। তেখেতৰ বিয়োগৰ বাতৰি বিয়পি পৰাব লগে লগে সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পৰে। সোৱণশিৰি শাখা সাহিত্য সভা, সোৱণশিৰি শাখা কবি সন্মিলন, বগীনদী প্ৰেছ গীল্ড, কণানী যুব সমাজকে ধৰি বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান, দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তিকামনা কৰি পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

চৰকাৰী পেঞ্চনাৰৰ জীৱন প্ৰমাণ পত্ৰ জমা দিয়াৰ দিন

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৪ নৱেম্বৰ ঃ অহা ইংৰাজী ১০ নৱেম্বৰ তাৰিখে (মঙ্গলবাৰে) দিনৰ ১১.০০ বজাৰ পৰা ২.০০ বজালৈ, জীবন ফুকন নগৰৰ বন্ধন গেছ এজেন্সীৰ সমীপত অবস্থিত ডিব্ৰুগড় চৰকাৰী পেঞ্চনাৰ ভবনত, ষ্টেট বেংক আৰ ইণ্ডিয়াত একাউণ্ট থকা চৰকাৰী পেঞ্চনাৰসকলৰ জীৱন প্ৰমাণ পত্ৰ (Life Certificate) সমূহ, ষ্টেট বেংকৰ বিষয়াসকল আহি গ্ৰহণ কৰিব। গতিকে সকলো পেঞ্চনাৰকে উক্ত দিনাখন মূল আধাৰ কাৰ্ড, পেন কাৰ্ড, বেংকৰ পাছবুক আৰু পেঞ্চন বুকৰ লগতে প্ৰত্যেকেই একোটাকৈ জেৰক্স কপি লগত লৈ আহিবলৈ পেঞ্চনাৰ সম্থাৰ সম্পাদক মুদল শৰ্মাই অনুৰোধ জনাইছে লগতে কিবা থাকিলে যোগাযোগ কৰিব পাৰে- ৯৪০১৬-৫২৬৯৮/ ৯১০৩৩-১৬৮৯৬ নম্বৰত।

জুবিন গাৰ্গৰ মৃত্যুৰ উচিত ন্যায়ৰ দাবীত গোলাঘাটত আটাছুৰ দুই ঘণ্টীয়া অৱস্থান ধৰ্মঘট

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৪ নৱেম্বৰ ঃ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচিত ন্যায়, প্ৰকৃত সত্য উদ্ঘাটন আৰু দোষীক কঠোৰ শাস্তিৰ দাবীত সদৌ তাই আহোম ছাত্ৰ সম্থা (আটাছু), কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে আজি আটাছু, গোলাঘাট জিলা সমিতিৰ উদ্যোগত গোলাঘাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সম্মুখত দুই ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীৰ জবিয়তে সংগঠনটোৰে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ এক নিৰপেক্ষ, স্বচ্ছ আৰু ক্ষিপ্ৰ তদন্তৰ দাবী উত্থাপন কৰে। লগতে তদন্ত প্ৰক্ৰিয়াত যাতে কোনো ধৰণৰ ৰাজনৈতিক হস্তক্ষেপ বা প্ৰভাৱ নপৰে, সেই বিষয়টো নিশ্চিত কৰিবলৈ চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃ পক্ষক আহ্বান জনায়। সংগঠনটো বিষয়বীয়াসকলে কয় যে জুবিন গাৰ্গ কেৱল এগৰাকী জনপ্ৰিয় শিল্পীয়েই নাছিল, তেওঁ আছিল অসমৰ ভাষা, সংস্কৃতি, জাতীয় চেতনা আৰু সমাজ জীৱনৰ এক শক্তিশালী প্ৰতীক। সেয়েহে তেওঁৰ মৃত্যুৰ ঘটনাৰ প্ৰকৃত সত্য উদ্ঘাটন কৰাটো কেৱল পৰিয়ালটোৰ বাবেই নহয়, সমগ্ৰ অসমবাসীৰ বাবে এক ন্যায়সংগত দাবী। কোনো নিৰ্দেশী যাতে হাৰাশাস্তিৰ সম্মুখীন নহয় আৰু কোনো প্ৰকৃত দোষী যাতে আইনৰ আওতাৰ পৰা সাৰি যাব নোৱাৰে, তাৰ বাবে এক স্বচ্ছ আৰু বিশ্বাসযোগ্য তদন্ত অত্যন্ত জৰুৰী বুলিও সংগঠনটোৰে মত প্ৰকাশ কৰে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত আটাছু কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱা, সহকাৰী সম্পাদক ধ্ৰুবজ্যোতি শইকীয়া, প্ৰচাৰ সম্পাদক গৌতম লাহন, জিলা সভাপতি পংকজ গগৈ, কাৰ্যকৰী সভাপতি দিগন্ত গগৈ, যুচীয়া সম্পাদক অংকুৰ কোঁৱৰ, ভাস্কৰজ্যোতি ফুকন, উপ-সভাপতি ৰীপজ্যোতি তামোলী, জয়ন্ত গগৈ, বিতোপন গগৈ, সহকাৰী সম্পাদক পাৰ্থ প্ৰতীম কৌৰব, কোকাখাত, গোলাঘাট আৰু সৰুপথাৰ মহকুমা সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি, সম্পাদকে প্ৰমুখে কবি বিষয়ববীয়া সকল, আটাছু ভগ্নী সংগঠন গোলাঘাট জিলা তাই আহোম মহিলা মঞ্চৰ বিষয়ববীয়া, জিলাৰ প্ৰতিখন আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আজিৰ কাৰ্যসূচীৰ অন্তত আটাছু, গোলাঘাট জিলা সমিতি তৰফৰ পৰা গোলাঘাট জিলাৰ জিলা আয়ুক্তৰ জবিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰি উক্ত দাবীসমূহৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হয়। সদৌ তাই আহোম ছাত্ৰ সম্থা (আটাছু), গোলাঘাট জিলা সমিতিয়ে স্পষ্ট কৰি দিয়ে যে সংগঠনটোৰে এই বিষয়ত ন্যায় প্ৰতিষ্ঠাৰ স্বাৰ্থত সদায় গণতান্ত্ৰিক আৰু শান্তি পূৰ্ণ আন্দোলনৰ পথ অবলম্বন কৰি যাব। জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰকৃত সত্য উদঘাটন, নিৰপেক্ষ তদন্ত আৰু দোষীৰ আইনগত শাস্তি নিশ্চিত কৰাটোৱেই সংগঠনটোৰ মূল লক্ষ্য বুলি সংগঠনটোৰে প্ৰকাশ কৰে।

টাই ম' বংশাৱলী পৰিষদৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অসম বার্তা ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৪ নৱেম্বৰ ঃ চাইনডেঙ জিলাৰ অন্তৰ্গত মৰাণহাটত অবস্থিত টাই-আহোম আৰু গৱেষণা কেন্দ্ৰৰ সভাগৃহত যোৱা ১ নৱেম্বৰত টাই ম' (ম'ঙং/মহন, ছাউন্/দেওধাই, ম'ঙং/বাইলুং) বংশাৱলী পৰিষদৰ এখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। বংশাৱলী পৰিষদৰ তিনিজনীয়া সভাপতি মণ্ডলীৰ মাজৰ এজন সভাপতি তথা শলিয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কীৰ্তি ছুবুন ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা কেন্দ্ৰীয় চৰকাৰৰ অৱসৰপ্ৰাপ্ত বিষয়া শৰৎচন্দ্ৰ মহন বৰুৱাই। টাইম'ৰ বংশৰ অন্তৰ্গত ফৈদসমূহৰ কেন্দ্ৰীয় প্ৰতিনিধিসকলৰ লৈ আয়োজিত কাৰ্যনিৰ্বাহক সভাত টাই-ম' বংশাৱলী পৰিষদৰ জনগোষ্ঠীয় অভিবৰ্তনত চাইদেউ জিলাত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে জনগোষ্ঠীটোৰ শৈক্ষিক বিকাশ, সাংস্কৃতিক ঐতিহ্য, ৰীতি-নীতি আৰু পৰম্পৰাসমূহৰ লগতে অৰ্থ-সামাজিক বিকাশৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা হয়। উক্ত সভাত সাঁচিপাতত লিপিবদ্ধ টাই ভাষাৰ প্ৰসাৰ আৰু জনগোষ্ঠীয় বৈশিষ্ট্যকে আদি কৰি গুৰুত্বপূৰ্ণ দিশসমূহ বিস্তৃতভাবে আলোচনা কৰা হয়। উক্ত সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড গিৰীণ ফুকন, মহন বংশাৱলী পৰিষদৰ কেন্দ্ৰীয় সভাপতি ঘন মহন বৰুৱা, বাইলুং বংশাৱলী পৰিষদৰ কেন্দ্ৰীয় সভাপতি ক্ষীৰোদ ফুকন, জ্ঞান-বিজ্ঞান একাডেমীৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জ্যোতি ফুকন, পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক প্ৰদীপ ফুকন, অজয় বাইলুং, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক দেৱজিৎ ছাউন্, টাই অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ শিক্ষক ক্ৰমে দুলেন চাউন্ ফুকন আৰু ৰঞ্জন মহন, আছুম যুনিয়ন আৰ বৰ্কিং ডাৰ্লেলিষ্টৰ প্ৰাক্তন সভাপতি টুটুমণি ফুকন, অসম চৰকাৰৰ যুব লেখকবঁটা প্ৰাপ্ত বিশিষ্ট লেখক দিগন্ত বাইলুং প্ৰমুখে শীৰ্ষ ব্যক্তিসকলে অংশগ্ৰহণ কৰা সভাখনত টাই ম' জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষাৰ লগতে পৰিষদৰ কেন্দ্ৰীয় কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

জনগোষ্ঠীয় অভিবৰ্তনৰ প্ৰস্তুতি

মৰিয়নিৰ নাগাজাংকা সোণোৱাল চাহ বাগিচাত পিঞ্জৰাবদ্ধ নাহৰফুটুকী

স্বস্তিৰ নিশ্বাস নাগাজাংকাবাসীৰ

অসম বার্তা, মৰিয়নি, ৪ নৱেম্বৰ ঃ মৰিয়নিৰ নাগাজাংকা সোণোৱাল চাহ বাগিচাত পিঞ্জৰাত আবদ্ধ হ'ল এটা নাহৰফুটুকী বাঘ। দীৰ্ঘদিন ধৰি অঞ্চলটোত সন্ত্ৰাসৰ সৃষ্টি কৰি অহা নাহৰফুটুকীটোক মঙলবাৰে বন বিভাগে স্থাপন কৰি ৰখা পিঞ্জৰাত আবদ্ধ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি নাহৰফুটুকীটোৱে অঞ্চলটোৰ ছাগলী, গৰু আদি পোহনীয়া জীৱ-জন্তু ভক্ষণ কৰি আহিছিল। বাঘৰ আঘাত বিচৰণ আৰু আক্ৰমণৰ ঘটনাক কেন্দ্ৰ কৰি চাহ বাগিচাখনৰ শ্ৰমিক তথা স্থানীয় বাইজৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি হৈছিল। পৰবৰ্তী সময়ত বন বিভাগৰ তৰফৰ পৰা নাহৰফুটুকীটোক কবাগুৰু কৰাৰ উদ্দেশ্যে অঞ্চলটোত পিঞ্জৰা স্থাপন কৰা হৈছিল। অৱশেষত মঙলবাৰে বন বিভাগে পাতি ৰখা পিঞ্জৰাত আবদ্ধ হয় নাহৰফুটুকীটো। বন বিভাগৰ তৎপৰতাত বাঘটোক পিঞ্জৰাবদ্ধ কৰিবলৈ সক্ষম হোৱাত অঞ্চলটোৰ চাহ শ্ৰমিক তথা স্থানীয় বাইজে স্বস্তিৰ নিশ্বাস পেলাইছে।

গোসাঁইগাঁও হাট ৰে'ল ষ্টেচনৰ সমীপত অচিনাক্ত যুবকৰ মৃতদেহ উদ্ধাৰ

অসম বার্তা, গোসাঁইগাঁও, ৪ নৱেম্বৰ ঃ কোকাখাৰ জিলাৰ গোসাঁইগাঁও হাট ৰে'ল ষ্টেচনৰ পূৰ্ব দিশত ৰে'লপথৰ কাষত এগৰাকী অচিনাক্ত যুবকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। যোৱাৰাতি প্ৰায় ১১ বজাত নামনিয়া এখন ৰে'লৰ খুন্দাত যুবকজনৰ মৃত্যু হোৱা বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে। ৰে'লপথত যুবকজনৰ মৃতদেহ পৰি থকা প্ৰত্যক্ষ কৰি স্থানীয় বাইজে ৰে'ল আৰক্ষীক খবৰ দিয়ে। খবৰ লাভ কৰাৰ পিছতে ৰে'ল আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰোণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰৰ প্ৰেৰণ কৰে। মৃত যুবকজনৰ বয়স আনুমানিক ৩৪ বছৰ হ'ব বুলি অনুমান কৰা হৈছে। যুবকজনে ক'লা ৰঙৰ জিন্স পেণ্ট আৰু ক'লা ৰঙৰ গেঞ্জী পৰিধান কৰি আছিল। বাতৰি লিখা পৰলৈকে যুবকজনৰ পৰিচয় উদ্ধাৰ হোৱা নাই। ইপ

সৰুপথাৰ মহাবিদ্যালয়ৰ অনন্য পৰিৱেশ আৰু অনুশাসনত মুগ্ধ জ্যেষ্ঠ শিক্ষাবিদ; এক হৃদয়স্পৰ্শী অভিজ্ঞতা



অসম বাৰ্তা, সৰুপথাৰ, ৩ নৱেম্বৰ ঃ সৰুপথাৰ মহাবিদ্যালয়ত ৩০ অক্টোবৰ তাৰিখে অনুষ্ঠিত হৈছিল অসম চৰকাৰৰ প্ৰত্নতত্ত্ব সঞ্চালকালয় খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগ আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ সহযোগত 'ঐতিহ্য সজাগতা অনুষ্ঠান, ২০২৬'। উক্ত অনুষ্ঠান উপলক্ষে আগমন ঘটিছিল ৰাজ্যৰ এগৰাকী প্ৰবীণ শিক্ষাবিদ তথা দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক দীনেশ গগৈৰ। জন্মস্থানৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনলৈ বহু বছৰৰ পাছত আহি মহাবিদ্যালয়খনৰ শৈক্ষিক, সাংস্কৃতিক আৰু আন্তঃগাঁথনিমূলক পৰিৱৰ্তন প্ৰত্যক্ষকৰি তেওঁ অভিভূত হৈ পৰে আৰু নিজৰ সামাজিক মাধ্যমত এক আন্তৰিক অনুভৱ ব্যক্ত কৰে। ১৯৭০ চনৰ ১৪ নৱেম্বৰত প্ৰতিষ্ঠিত সৰুপথাৰ মহাবিদ্যালয়লৈ ইতিপূৰ্বে বিভিন্ন সভা-সমিতি আৰু পৰীক্ষা পৰ্যবেক্ষণৰ দায়িত্বত বহুবাৰ অহাৰ স্মৃতি ৰোমন্থন কৰি তেওঁ উল্লেখ কৰে যে, প্ৰাকৃতিক সৌন্দৰ্যৰে আবৰা মহাবিদ্যালয়খনৰ শান্ত-সমাহিত পৰিৱেশত প্ৰৱেশ কৰাৰ লগে লগেই মন জুৰ পৰি যায়। মহাবিদ্যালয়খনৰ সাম্প্ৰতিক সামগ্ৰিক বিকাশক তেওঁ মুক্তকণ্ঠে প্ৰশংসা কৰে। বিশেষকৈ মহাবিদ্যালয়খনৰ সংগ্ৰহালয় আৰু গ্ৰন্থাগাৰে তেওঁক গভীৰভাৱে আকৃষ্ট কৰে। "Dont go to a museum with a destination, museums are wormholes to other worlds" — এই উক্তিৰে তেওঁ কয় যে সৰুপথাৰৰ দৰে এখন সৰু চহৰৰ মহাবিদ্যালয়ত এনে বহুমূলীয়া আৰু আপুৰুগীয়া সম্পদেৰে পৰিপূৰ্ণ এটা সংগ্ৰহালয় যে গঢ় লৈ উঠিব পাৰে, সেয়া চকুৰে নেদেখিলে বিশ্বাস কৰা টান। একেদৰে "Library is an island in the middle of a vast sea of ignorance"— এই তাৎপৰ্যক সাৰোগত কৰি গঢ়ি তোলা মহাবিদ্যালয়খনৰ উচ্চমানৰ পুথিভঁৰালটোৰ কথাও তেওঁ উল্লেখ কৰে, যিটো ইতিমধ্যে বিভিন্ন সংবাদ মাধ্যমত চৰ্চিত হৈ আহিছে। ইয়াৰ উপৰিও চৌহদৰ ভিতৰতে থকা আটকধুনীয়া অধ্যক্ষৰ বাসভৱন (Principal's Quarter) আৰু অধ্যাপক-অধ্যাপিকাসকলৰ সক্ৰিয় দায়িত্ববোধৰ তেওঁ উচ্চ প্ৰশংসা কৰে। প্ৰবীণ শিক্ষাবিদগৰাকীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মানুবৰ্তিতা আৰু সংযমক জীৱনৰ এক বিৰল অভিজ্ঞতা আখ্যা দিয়ে। তেওঁ ব্যক্ত কৰে, "১৯৬৭ চনৰ পৰা মই কলেজৰ সৈতে জড়িত। ১৯৬৯ চনত দেৱৰাজ ৰয় মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ পৰা আৰম্ভ কৰি ২০১০ চনত অৱসৰ লোৱালৈকে কিমানবোৰ মহাবিদ্যালয়ৰ সভাত বক্তৃতা দিছোঁ তাৰ সঠিক হিচাপ নাই। কিন্তু সৰুপথাৰ মহাবিদ্যালয়ৰ সভাখন আছিল সম্পূৰ্ণ ব্যতিক্ৰম। মোৰ জীৱনৰ সেইখনেই একমাত্ৰ সভা আছিল, যত আৰম্ভণিৰ পৰা শেষলৈকে প্ৰতিগৰাকী শিক্ষাৰ্থী নিজ নিজ আসনত নীৰৱে বহি আছিল, কোনেও এষাৰো কথা পতা নাছিল।" শিক্ষানুষ্ঠানখনৰ এনে প্ৰশংসনীয় বিকাশ আৰু অনুকৰণীয় অনুশাসনৰ গুৰিতে থকা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰৰ নেতৃত্বৰ শলাগ লয় জ্যেষ্ঠ অতিথিগৰাকীয়ে। একেদৰে, উক্ত অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহটো সম্পূৰ্ণ শীত-তাপ নিয়ন্ত্ৰিত (AC) কৰি দিয়াৰ ৰাজহুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰা অঞ্চলটোৰ বিধায়ক তথা তেওঁৰ একালৰ ছাত্ৰ বিশ্বজিৎ ফুকনৰ ভূমিকাকো তেওঁ বিশেষভাৱে শলাগ জনায়। এগৰাকী বিশিষ্ট শিক্ষাবিদৰ এনে হৃদয়স্পৰ্শী মূল্যায়ন আৰু স্বীকৃতিয়ে মহাবিদ্যালয়খনৰ শৈক্ষিক সমাজখনৰ লগতে সমগ্ৰ অঞ্চলটোকে উৎসাহিত কৰি তুলিছে। ❐

বামগাঁৱৰ বৰনামঘৰৰ মঞ্চত প্ৰতিফলিত হ'ল গুৰুজনাৰ বৰঅসমৰ সমন্বয়ৰ আদৰ্শ

শংকৰী ভাওনাত সীতাৰ চৰিত্ৰত মুছলমান সম্প্ৰদায়ৰ কণমানি জিন্নাত আফ্ৰিন খান



অসম বাৰ্তা, গহপুৰ, ৩ নৱেম্বৰ ঃ জাতি-ধৰ্ম-বৰ্ণৰ নামত বিভাজনৰ পৰিৱেশ সৃষ্টি কৰাৰ বিভিন্ন প্ৰচেষ্টাৰ মাজতে বিশ্বনাথৰ বামগাঁৱৰ পৰা আহিল সম্প্ৰীতি, একতা আৰু ভাতৃত্ববোধৰ এক অনন্য ইতিবাচক বাৰ্তা। শংকৰী সংস্কৃতিৰ মঞ্চত সীতাৰ চৰিত্ৰত অভিনয় কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে মুছলমান সম্প্ৰদায়ৰ কণমানি শিল্পী জিন্নাত আফ্ৰিন খানে। প্ৰগতি মহিলা পাৰিজাতৰ উদ্যোগত আৰু বামগাঁওবাসী ৰাইজৰ সহযোগত 'আমি পোহৰ বিচাৰি যাওঁ'ৰ ৩১সংখ্যক অধিৱেশন-২০২৬ উপলক্ষে বামগাঁও বৰনামঘৰত দুদিনীয়া কাৰ্যসূচীৰে ৩০ আৰু ৩১ অক্টোবৰত অনুষ্ঠিত হয় শিশুসকলৰ দ্বাৰা অভিনীত জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি 'সীতা হৰণ বালী বধ' নাটৰ ভাওনা। নিশা অনুষ্ঠিত এই ভাওনাত শিশুশিল্পীসকলৰ মনোমোহা অভিনয়ে উপস্থিত ভক্তপ্ৰাণ ৰাইজক আপ্লুত কৰে। মহাপুৰুষীয়া সংস্কৃতি আৰু পৰম্পৰাক সুন্দৰভাৱে উপস্থাপন কৰি কণ কণ শিল্পীসকলে সকলোৰে প্ৰশংসা বুটলিবলৈ সক্ষম হয়। কিন্তু ভাওনাৰ দ্বিতীয় নিশাৰ এক বিশেষ মুহূৰ্তই অনুষ্ঠানটোক এক সুকীয়া মাত্ৰা প্ৰদান কৰে। সেই নিশা সীতাৰ মূল চৰিত্ৰত অভিনয় কৰে মুছলমান সম্প্ৰদায়ৰ কণমানি শিল্পী জিন্নাত আফ্ৰিন খানে। বৰনামঘৰৰ পবিত্ৰ মঞ্চত সীতাৰ ৰূপত জিন্নাতৰ উপস্থিতিয়ে জাতি-ধৰ্মৰ পৰিধি অতিক্ৰম কৰি সাংস্কৃতিক সমন্বয়ৰ এক অনন্য নিদৰ্শন দাঙি ধৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰা একশৰণ নামধৰ্মৰ মানৱতা, ভাতৃত্ববোধ আৰু সমন্বয়ৰ আদৰ্শ যেন জিন্নাতৰ অভিনয়ৰ মাজেৰে পুনৰ প্ৰতিফলিত হ'ল। গুৰুজনাৰ বৰঅসমৰ সপোন যে জাতি-ধৰ্ম-বৰ্ণৰ ভেদাভেদৰ ঊৰ্ধ্বত এক মানৱীয় সমাজ গঢ়াৰ সপোন, সেয়া এই কণমানি শিল্পীগৰাকীৰ অংশগ্ৰহণে পুনৰ স্মৰণ কৰাই দিলে। জিন্নাতৰ এই ব্যতিক্ৰমী অংশগ্ৰহণে প্ৰমাণ কৰিলে যে সংস্কৃতিৰ কোনো ধৰ্মীয় সীমাৰেখা নাথাকে। সংস্কৃতিয়ে মানুহক বিভাজন নকৰে, বৰঞ্চ একতাৰ এনাজৰীৰে সকলোকে বান্ধি ৰাখে। বামগাঁওবাসী ৰাইজ আৰু প্ৰগতি মহিলা পাৰিজাতৰ এনে প্ৰচেষ্টাই নতুন প্ৰজন্মৰ মাজত সম্প্ৰীতি, সহিষ্ণুতা আৰু পৰস্পৰৰ প্ৰতি সন্মানৰ ভাৱ গঢ়ি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে সচেতন মহলে। সঁচাকৈয়ে, বামগাঁৱৰ এই শিশু ভাওনা কেৱল এখন সাংস্কৃতিক অনুষ্ঠানতে সীমাবদ্ধ নাথাকিল; ই হৈ পৰিল ধৰ্মীয় সম্প্ৰীতি, সামাজিক ঐক্য আৰু মানৱতাৰ এক জীৱন্ত প্ৰতিচ্ছবি। কণমানি জিন্নাত আফ্ৰিন খানৰ অভিনয়ে সমাজলৈ দি গ'ল এক সুন্দৰ বাৰ্তা— মানুহৰ পৰিচয় ধৰ্মতকৈ ডাঙৰ, আৰু সংস্কৃতিৰ প্ৰকৃত শক্তি হ'ল সকলোকে একেলগে আগবঢ়াই নিয়াৰ সামৰ্থ্য। জিন্নাত আফ্ৰিন খান বিশ্বনাথ চাৰিআলি বামগাঁও নিবাসী সাংবাদিক আমিৰ খান আৰু বিশ্বনাথ কলা নিকেতনৰ সঞ্চালিকা জোনমণি বেগমৰ একমাত্ৰ জীয়ৰী। জিন্নাত আফ্ৰিন খান লিটাৰ ষ্টাৰ স্কুলৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী। উল্লেখযোগ্য যে -জিন্নাত আফ্ৰিন খানৰ পিতৃ আৰু মাতৃয়ে বিশ্বনাথ ৰাস মহোৎসৱত একেবাহে চাৰি বাৰ নন্দ যশোদাৰ চৰিত্ৰত অভিনয় কৰি ৰাস মহোৎসৱৰ বতৰত এক সমন্বয়ৰ বাৰ্তা প্ৰেৰণ কৰি আহিছে।

ঐতিহ্যমণ্ডিত ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয়ত নৱ-নিৰ্বাচিত বিদ্যালয় পৰিচালনা সমিতিৰ গুৰুত্বপূৰ্ণ সভা সম্পন্ন

গুণোৎসৱ আৰু সৰ্বাংগীণ বিকাশৰ ওপৰত আলোকপাত

অসম বাৰ্তা, লেংটিছিঙা, ৩ নৱেম্বৰ ঃ অভয়াপুৰীৰ অন্যতম ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ৭৫৬ নং অভয়াপুৰী ২নং প্ৰাথমিক বিদ্যালয়ত আজি নৱ-নিৰ্বাচিত বিদ্যালয় পৰিচালনা সমিতিৰ এখনি বিশেষ তথা গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। বিদ্যালয় প্ৰাংগণত আয়োজিত উক্ত সভাত সভাপতিত্ব কৰে পৰিচালনা সমিতিৰ নৱ-নিৰ্বাচিত সভাপতি কাৰ্তিক দাসে। সভাৰ আৰম্ভণিতে বিদ্যালয়ৰ প্ৰধান শিক্ষক শৰৎ চন্দ্ৰ বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰি বিগত দিনবোৰত বিদ্যালয়খনে লাভ কৰা সফলতা আৰু সন্মুখত থকা প্ৰত্যাহ্বানসমূহ দাঙি ধৰে। বিদ্যালয়খনৰ সামগ্ৰিক বিকাশৰ বাবে সমাজ, শিক্ষক আৰু অভিভাৱকৰ মাজত সমন্বয় বৃদ্ধিৰ প্ৰয়োজনীয়তা সম্পৰ্কে তেওঁ বিশেষভাৱে উল্লেখ কৰে। সভাত পৰিচালনা সমিতিৰ উপ-সভানেত্ৰী ৰাণী হালদাৰৰ লগতে কেইবাগৰাকীও বিশিষ্ট সদস্য তথা বক্তাই অংশগ্ৰহণ কৰি গঠনমূলক মন্তব্য আগবঢ়ায়। বক্তা সকলে বিদ্যালয়খনৰ গুণগত শিক্ষা আৰু নিয়মানুবৰ্তিতা, ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰা আৰু শৈক্ষিক পৰিৱেশ অধিক উন্নত কৰাৰ ওপৰত গুৰুত্ব দিয়ে। লগতে ছাত্ৰ-ছাত্ৰীক সময়মতে পুষ্টিকৰ, স্বাস্থ্যসম্মত তথা সুষম আহাৰ প্ৰদান সুনিশ্চিত কৰা, বিদ্যালয়ৰ শ্ৰেণীকোঠা, চৌহদ আৰু শৌচাগাৰ সদায় পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা, সকলো ছাত্ৰ-ছাত্ৰীয়ে নীতি-নিয়ম মানি বিদ্যালয়ৰ নিৰ্ধাৰিত ঐক্যসাঁজ পৰিধান কৰি অহাটো নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত 'গুণোৎসৱ'ৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰি ছাত্ৰ-ছাত্ৰীসকলে যাতে উন্নত প্ৰদৰ্শন কৰিব পাৰে, তাৰ বাবে শৈক্ষিক ঘাটি থকা শিশুসকলক চিনাক্ত কৰি তেওঁলোকৰ বাবে বিশেষ নিদানমূলক পাঠদানৰ ব্যৱস্থা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিদ্যালয়খনৰ কোনো এজন শিশুও যাতে পিছপৰি নাথাকে, সেই লক্ষ্য নিৰ্ধাৰণ কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সদস্যা সকলোৰ উপস্থিতিত অনুষ্ঠিত এই সভাই বিদ্যালয়খনৰ শিক্ষা আৰু আন্তঃগাঁথনিমূলক দিশত নতুন গতি প্ৰদান কৰিব।



কামৰূপৰ দদৰাত ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩ নৱেম্বৰ ঃ কামৰূপ জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত মঙ্গলবাৰে দদৰাৰ গন্ধমৌ গাঁৱত এটা ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন কৰে হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। শুভ উদ্বোধন কৰি বিধায়ক গৰাকীয়ে কয় যে এই ধান ক্ৰয় কেন্দ্ৰটো স্থাপনৰ জৰিয়তে জিলাখনৰ ধান ক্ৰয় ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লগতে স্থানীয় কৃষকসকলৰ বাবে উন্নত বজাৰ সুবিধা নিশ্চিত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। কেন্দ্ৰটোৰ জৰিয়তে চৰকাৰী ন্যূনতম সমৰ্থন মূল্য (MSP)ত কৃষকৰ পৰা ধান ক্ৰয়ৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত কৃষকসকলে এক স্বচ্ছ আৰু সুসংগঠিত বিপণন ব্যৱস্থা লাভ কৰাৰ লগতে উৎপাদিত ধানৰ উচিত মূল্য লাভ কৰিব আৰু কম মূল্যত ধান বিক্ৰী কৰিবলৈ বাধ্য হোৱা পৰিস্থিতিৰ পৰা ৰক্ষা পৰিব। উল্লেখ্য যে, চলিত ২০২৬-২৭ বৰ্ষৰ খাৰিফ বিপণন বতৰৰ (Kharif Marketing Season) বাবে ধানৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২,৪৪১ টকা নিৰ্ধাৰণ কৰা হৈছে। এই ব্যৱস্থাই কৃষকসকলক উৎপাদিত শস্যৰ উচিত আৰু লাভজনক মূল্য প্ৰদান কৰাৰ লগতে কৃষি খণ্ডৰ বিকাশত সহায় কৰিব। উদ্বোধনী অনুষ্ঠানত ৫০ গৰাকীৰো অধিক কৃষকে অংশগ্ৰহণ কৰে। ধান ক্ৰয় প্ৰক্ৰিয়াৰ এক উৎসাহজনক আৰম্ভণি হিচাপে এই উপলক্ষে কলিতাকুছি গাঁৱৰ কৃষক খগেন্দ্ৰ বেজবৰুৱাই কেন্দ্ৰটোত ৬৮ কুইণ্টল ধান বিক্ৰী কৰে। অনুষ্ঠানত কামৰূপৰ জিলা কৃষি বিষয়া হিতেশ বেজবৰুৱা, সহকাৰী কৃষি সঞ্চালক মুকুল বৰ্মন, হাজো কৃষি উন্নয়ন বিষয়া পাৰ্থজ্যোতি বৰা, ৰামদিয়া কৃষি উন্নয়ন বিষয়া ডেনিম বৰা আৰু গেৰোৱা কৃষি উন্নয়ন বিষয়া অম্লান জ্যোতি ডেকাৰ লগতে কৃষি বিভাগৰ অন্যান্য বিষয়া আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

পোহৰৰ উৎসৱ দীপাৱলীক লৈ দিনে নিশাই ব্যস্ততা বাঢ়িছে মহিলাকে ধৰি আবাল বৃদ্ধ বনিতাৰ নলবাৰীৰ মুকালমুৱাৰ দৰঙ্গীপাৰাত মৃৎ শিল্পীৰ ব্যস্ততা

অসম বাৰ্তা, বৰক্ষেত্ৰী, ৩ নৱেম্বৰ ঃ পোহৰৰ উৎসৱ দীপাৱলীলৈ মাজত মাত্ৰ কেইটামান দিন বাকী। দীপাৱলীৰ প্ৰাকমুহূৰ্তত ব্যস্ততা বাঢ়িছে মৃৎশিল্পীসকলৰ। মৃৎশিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে মাটিৰ চাকিৰ লগতে বিভিন্ন সা-সামগ্ৰী। নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত দৰঙ্গীপাৰাবাসীয়ে জীয়াই ৰাখিছে পূৰ্বাপৰ পৰম্পৰা। এই লোকসকলে বছৰৰ পিছত বছৰ ধৰি জীয়াই ৰাখিছে অসমৰ হেৰাই যাব ধৰা মৃৎশিল্পটি। সমাগত দেৱালী আৰু কালী পূজাক লৈ এতিয়া ব্যস্ততা বাঢ়িছে মৃৎশিল্পী সকলৰ। মহিলা, আবাল-বৃদ্ধ সকলোৱেই লাগি গৈছে নিজৰ নিজৰ কামত। সকলোৱে লগে ভাগে নিৰ্মাণ কৰিছে মাটিৰ চাকি, মাটিৰ কলহ, চৰুকে ধৰি বিভিন্ন সা-সামগ্ৰী। প্লাষ্টিক আৰু চীনা সামগ্ৰীৰে ভৰি পৰা বজাৰত মাটিৰ বাচনে হেৰুৱাইছে আদৰ। তথাপিও হাৰ মনা নাই এই শিল্পীসকলে। নিজৰ হাতেৰে মাটিৰে জীৱন গঢ়া এই পৰিয়ালসমূহে অসমীয়া সংস্কৃতিৰ চাকি জ্বলাই ৰাখিছে। কিন্তু পৰ্যাপ্ত চৰকাৰী সহায় আৰু বজাৰৰ অভাৱত তেওঁলোকৰ জীৱন সংগ্ৰাম কঠিন হৈ পৰিছে। দীপাৱলীত সকলোৱে যদিহে মাটিৰ চাকি ব্যৱহাৰ কৰে, তেন্তে হয়তো এই পৰিয়ালসমূহৰ মাজতো আশাৰ চাকিটি জ্বলিব।

ভাৰতৰ সপোন নিদ্ধাৰণ কৰিব যুৱ প্ৰজন্মই, আবেগেৰে নহয় বিবেকেৰে ভোটদান কৰিব লাগিব ঃ সাংসদ দেৱাশিস শৰ্মা

মেৰা যুৱ ভাৰত নগাঁৱৰ উদ্যোগত "বিকশিত ভাৰত যুৱ সংবাদ-নিজৰ ভোটৰ বিষয়ে জ্ঞান" শীৰ্ষক কাৰ্যসূচী



অসম বাৰ্তা, বেৰেজীয়া, ৩ নৱেম্বৰ ঃ "যুৱ কেৱল দেশৰ ভৱিষ্যত নহয়-বৰ্তমান ৰাষ্ট্ৰৰ এক শক্তিশালী সত্তা। যুৱ সকলৰ অংশ গ্ৰহণে কেৱল সুযোগৰ সন্ধান নিদিয়ে, ই দায়িত্ব বোধৰ অভিব্যক্তি দাঙি ধৰে। যুৱশক্তিয়ে সদায় শক্তিশালী - সদাজাগ্ৰত আৰু এক সুন্দৰ ভৱিষ্যতৰ বাবে সদা প্ৰস্তুত থাকিব লাগিব।" এই মন্তব্য নৱনিৰ্বাচিত সাংসদ দেৱাশিস শৰ্মাৰ। সোমবাৰে মেৰা যুৱ ভাৰত কেন্দ্ৰ নগাঁৱৰ উদ্যোগত বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ ব্যৱস্থাপনাত বহুমুখী গ্ৰাম্য বিকাশ পৰিষদৰ সহযোগত বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ত অনুষ্ঠিত "বিকশিত ভাৰত যুৱ সংবাদ-নিজৰ ভোটৰ বিষয়ে জ্ঞান" কাৰ্যসূচীত মুখ্য অতিথি হিচাবে উপস্থিত থাকি তেওঁ এই মন্তব্য আগবঢ়ায়। লগতে উল্লেখ কৰে যে ভাৰতৰ সপোন নিদ্ধাৰণ কৰিব যুৱ প্ৰজন্মই। আবেগেৰে নহয় বিবেকেৰে ভোটদান কৰিব লাগিব তেতিয়াহে এক শক্তিশালী গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ব। বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক সুজিত কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত তিনি শতাধিক যুৱক যুৱতীয়ে অংশগ্ৰহণ কৰে। বন্দেমাতৰম আৰু অসমৰ জাতীয় সংগীতেৰে শুভাৰম্ভ হোৱা বিকশিত ভাৰত যুৱ সংবাদ অনুষ্ঠানত বটদ্ৰৱা শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, বিশিষ্ট সত্ৰীয়া শিল্পী ৰঞ্জিত মহন্তও বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে। মায় ভাৰত কেন্দ্ৰ নগাঁৱৰ জিলা যুৱ বিষয়া ওম প্ৰকাশ মীনাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° নমিতা কলিতাই আদৰণি ভাষণ প্ৰদান কৰে। ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ যুৱ আইকন জীত পাঠকে বিষয় বস্তুৰ ওপৰত বিস্তৃত ভাবে আগবঢ়োৱা সাৱলীল উপস্থাপনে উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। সভাত বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় অধ্যক্ষা হীৰামনি বৰুৱা, বটদ্ৰৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৌৰৱজ্যোতি মহন্ত, সাংবাদিক দিব্যজ্যোতি বৰুৱা, যুৱ নেতা ভাস্কৰ শইকীয়া, মনজ্যোতি বৰা, আবু চাদ্দিক কবিৰৰ লগতে স্থানীয় কেইবাগৰাকী অতিথি, মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা, কৰ্মচাৰী সকল উপস্থিত থাকে। সাংসদ গৰাকীয়ে উপস্থিত যুৱ শক্তিক প্ৰশাসনিক আৰু লোকতন্ত্ৰৰ সংকল্প গ্ৰহণ কৰোৱায়। মাই ভাৰত কেন্দ্ৰ নগাঁৱৰ গাণনিক বিষয়া ধনঞ্জয় তালুকদাৰে আঁত ধৰা অনুষ্ঠান ৰাষ্ট্ৰীয় সংগীতেৰে সফল সামৰণি পৰে।

চাহ জনগোষ্ঠীৰ কলা-কৃষ্টিৰ সাধক মকৰ সিং ভূমিজৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ

অসম বাৰ্তা, মাকুম, ৩ নৱেম্বৰ ঃ যোৱা ইংৰাজী ২২ অক্টোবৰত ইহলীলা সম্বৰণ কৰা চাহ জনগোষ্ঠীৰ কলা-কৃষ্টিৰ সাধক তথা অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ বেতজান উপ-শাখা সমিতিৰ প্ৰাক্তন উপদেষ্টা মাকুমৰ লেছেঙ্কা বঙালী গাঁৱৰ নিবাসী মকৰ সিং ভূমিজৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আজি বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) মাকুম শাখা সমিতিৰ উদ্যোগত, বেতজান উপ-শাখা সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত লেছেঙ্কা ৰাজহুৱা খেলপথাৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। অনুষ্ঠানৰ আঁত ধৰে আটছাৰ মাকুম শাখা সমিতিৰ সভাপতি ৰবি কুৰ্মী আৰু সম্পাদক দীপক কুৰ্মীয়ে, তাৰ পাছতে কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি জ্ঞাপন, ঝংকাৰ নামৰ স্মৰণিকা উন্মোচন, সৰ্বধৰ্মীয় প্ৰাৰ্থনা আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক সাধক গৰাকীৰ প্ৰতিচ্ছবি সন্মুখত প্ৰথমে বন্তি প্ৰজ্বলন আৰু মাল্যপৰ্ণ কৰে পদ্মশ্ৰী দুলাল মানকীয়ে। আনহাতে, স্মৰণিকা উন্মোচন কৰে টিংৰাই ৰজনীকান্ত বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ৰাজেন চুড়ীয়ে। ৰাজহুৱা স্মৃতিচাৰণ সভাত মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণ, সমাজ কৰ্মী শংকৰ সিং ৰাজপুত, মনোজ ধানোৱাৰ, মাকুম শাখা সাহিত্য সভা, অসম চাহ জনজাতি ছাত্ৰ সন্থা কেন্দ্ৰীয়-শাখা-উপ-শাখা সমিতিৰ বিষয়ববীয়া সকল, সদৌ অসম ছাত্ৰ সন্থাৰ মাকুম আঞ্চলিক সমিতিৰ প্ৰতিনিধি, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা, অসম চাহ জনজাতি মহিলা সমিতি, অসম ঝুমইৰ সন্মিলন, অসম ভূমিজ সমাজ বিষয়ববীয়া সকল প্ৰমুখ্যে অগণন গুণমুগ্ধই অংশগ্ৰহণ কৰি প্ৰয়াত মকৰ সিং ভূমিজলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেওঁৰ কৰ্মৰাজি আৰু সমাজ-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানসমূহ স্মৰণ কৰে। সভাত উপস্থিত থকা বিভিন্ন দল-সংগঠনে ভূমিজৰ পৰিয়ালক একোখনিকৈ শোক বাৰ্তা প্ৰদান কৰে। তেওঁৰ বিয়োগে চাহ জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে বুলি স্মৃতিচাৰণ সভাত উপস্থিত থকা ব্যক্তিসকলে উল্লেখ কৰে।

প্ৰশাসন আৰু সংবাদ মাধ্যমৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰখাৰ আহ্বান জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণৰ

অসম বাৰ্তা, গহপুৰ, ৩ নৱেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকললৈ আগবঢ়োৱা শাৰদীয় উপহাৰ আজি বিশ্বনাথ জিলাৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ মাজত বিতৰণ কৰা হয়। এই উপলক্ষে বিশ্বনাথ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক অনুষ্ঠানত জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণে সাংবাদিকসকলৰ হাতত উক্ত উপহাৰসমূহ তুলি দিয়ে। অনুষ্ঠানত ভাষণ প্ৰসংগত জিলা আয়ুক্তগৰাকীয়ে প্ৰশাসন আৰু সংবাদ মাধ্যমৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰখাটো অত্যন্ত বাঞ্ছনীয় বুলি মন্তব্য কৰে। প্ৰশাসন আৰু সংবাদ মাধ্যমৰ মাজত ব্যৱধান নাথাকিলে সমাজৰ বিভিন্ন সমস্যা, অভাৱ-অভিযোগ আদিৰ বিষয়ে খৰতকীয়াকৈ অৱগত হোৱাত সুবিধা হয় বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ ফলত সমাজত ইতিবাচক প্ৰভাৱ পৰাৰ লগতে জনসাধাৰণৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰতো সহায়ক হয় বুলি তেওঁ মত প্ৰকাশ কৰে। এইক্ষেত্ৰত সাংবাদিকসকলক সমাজৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশ বাতৰিৰ জৰিয়তে দাঙি ধৰাৰ লগতে গঠনমূলক সমালোচনাৰ জৰিয়তে সমাজৰ উন্নয়নত অৰিহণা যোগাবলৈ আহ্বান জনায় জিলা আয়ুক্তগৰাকীয়ে। বিশ্বনাথ জিলাৰ সাংবাদিকসকলে বিভিন্ন বা-বাতৰি সবলভাৱে উপস্থাপন কৰি জিলাখনৰ সামগ্ৰিক উন্নয়ন আৰু জনসচেতনতা সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা বুলিও তেওঁ প্ৰশংসা কৰে। আনহাতে, সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ উদ্যোগত বিশ্বনাথত গ্ৰন্থ উৎসৱ অনুষ্ঠিত কৰিবলৈ লোৱা পদক্ষেপকো জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণে আদৰণি জনোৱাৰ লগতে শলাগ লয়। উক্ত অনুষ্ঠানত বিশ্বনাথ জিলাৰ ভাৰপ্ৰাপ্ত তথ্য আৰু জনসংযোগ বিষয়া মঞ্জুশ্ৰী বৰা, ৰণজিৎ শইকীয়া আদি উপস্থিত থাকে।

বিশ্বনাথ জিলাৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ মাজত মুখ্যমন্ত্ৰীৰ শাৰদীয় উপহাৰ বিতৰণ

আৰক্ষীৰ গুলীত নিহত ঘাটক ঘনকান্ত গগৈ

প্ৰডাকচন বাবেণ্ট লাভ কৰিছিল। আৰক্ষীৰ অভিযোগ অনুসৰি, এৰাকেভোঁৰ জংঘৰ বাবে গগৈয়ে বেংকত জাল নথি জমা দি ঋণ লৈছিল। নথি-পত্ৰ পৰীক্ষা কৰাব পাছত বেংকে তেওঁৰ বিৰুদ্ধে অভিযোগ দাখিল কৰে। ঘনকান্ত বিৰুদ্ধে মুঠ ছটা গোচৰ কজু হৈ থকাৰ কথাও আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষী অধীক্ষকগৰাকীয়ে জনোৱা মতে, আয়োজন্ত চলোৱাত প্ৰশিক্ষণপ্ৰাপ্ত গগৈয়ে অস্ত্ৰ উদ্ধাৰ কৰা বাবে গৌৰীসাগৰলৈ যোৱা আৰক্ষীৰ দলটোক সহায় কৰাৰ প্ৰস্তাব দিছিল। কিন্তু যাত্ৰাপথতে তেওঁ পলাবলৈ চেষ্টা কৰে আৰু এজন আৰক্ষী কমীয়ে পাছৰ পৰা পিষ্টল কাঢ়ি নিবলৈ উদ্যত হয়। ইয়াৰ ফলত আৰক্ষীৰ সৈতে হাতাহতিৰ সৃষ্টি হয়। সংঘৰ্ষৰ সময়ত আৰক্ষীৰ চাৰিটি বিভাগভাৰৰ পৰা তিনিজনী গুলী ফুটে। ঘটনাত এজন আৰক্ষী কমী গুৰুতৰভাবে আহত হয়; তেওঁক তাতেইকৈ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ শিৱসাগৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই নিজৰ চাৰিটি অস্ত্ৰলৈ ঘনকান্ত লক্ষ্য কৰি গুলীচালনা কৰে। গুলীবিদ্ধ ঘনকান্তক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। আৰক্ষীৰ বাহনখনতো গুলীৰ আঘাত লাগে। গুৱাহাটীৰ আহত আৰক্ষী কমীজনৰ উপনি সংঘৰ্ষত আন এজন আৰক্ষী কমীও সামান্য আহত হোৱা বুলি আৰক্ষীয়ে জানিবলৈ দিছে। ইফালে, ঘনকান্ত গগৈৰ মবণোত্তৰ পৰীক্ষা ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় (AMCH)ত সম্পন্ন কৰা হ'ব। প্ৰথমে শিৱসাগৰ অসামৰিক চিকিৎসালয়ত পৰীক্ষা কৰাব কথা আছিল যদিও প্ৰয়োজনীয়া সা-সুবিধা আৰু ফৰেন্সিক বিশেষজ্ঞ অভাৱৰ বাবে স্থান সলনি কৰা হৈছে। মবণোত্তৰ পৰীক্ষা সম্পন্ন কৰিবলৈ AMCHত তিনিজনীয়া চিকিৎসকৰ এখন ৰ'ড গঠন কৰা হৈছে। ইতিমধ্যে মবণোত্তৰ পৰীক্ষাৰ বাবে ঘনকান্ত মৃততহঁতৰ ডব্ৰুগড়লৈ লৈ যোৱা হৈছে। উল্লেখ্য, গুৱাহাটীৰ 'হোটেল বিলাস ইন'ত সংঘটিত ওলিবন্দুকৰ ঘটনাত পাঁচজন লোকৰ মৃত্যু হৈছিল। এই ঘটনাৰ মূল অভিযুক্ত ঘনকান্ত গগৈ বুধবাৰে শুচ্ছ নৱেম্বৰত পুনৰ্বি শিৱসাগৰত আৰক্ষীৰ গুলীত নিহত হয়। আৰক্ষীৰ মতে, পলায়ন চেষ্টা কৰাৰ সময়তে এই ঘটনা সংঘটিত হয়।

শিৱসাগৰৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত ফুলপাৰীগাঁওৰ ৰংমন্ত্ৰ থাবৰ সমীপত পুৱতি নিশা প্ৰায় ০৫ ১০ বজাত এই ঘটনা ঘটে। শিৱসাগৰ আৰক্ষীৰ এটি দলে গগৈক গুৱাহাটীৰ পৰা শিৱসাগৰ সদৰ থানাত কজু হোৱা এক গোচৰৰ তদন্তৰ বাবে লৈ আছিল।

ঘনকান্ত গগৈৰ এনকাউণ্টাৰ ভুক্তভোগী

বাহিবঁলে যাবলৈ কয়। তেওঁক বাহনৰ পৰা নামোৱাৰ সময়ত আৰক্ষী উপ-পৰিদৰ্শক দেৱাশিস শৰ্মাৰ পৰা চাৰিটা পিষ্টল কাঢ়ি লৈছিল যদ্ধ কৰে আৰু আৰক্ষীৰ সৈতে টনা-আঁজোৱা লাগে। সেই সময়তে আৰক্ষী বিষয়াৰ বিভলভাৰ পৰা তিনিটিকৈ গুলী বাহিৰ হয়। পিছত আঘুৰাৰ বাবে আন এগৰাকী আৰক্ষীয়ে গুলীচালনা কৰে আৰু সেই গুলীত ঘনকান্ত গুৰুতৰভাবে আহত হয়। তেওঁক চিকিৎসালয়লৈ নিয়াৰ পথত মৃত ঘোষণা কৰা হয়। এই ঘটনাত আৰক্ষী বিষয়াজনীয়ে ভবিত গুলী লাগি তেওঁ গুৰুতৰভাবে আহত হয় আৰু বৰ্তমান চিকিৎসাধীন হৈ আছে। জোঙ আৰক্ষী থানাৰ পাৰ্শ্বি চিতিয়াই সাংবাদিকক জনোৱা মতে, ঘনকান্ত এজন প্ৰফেশ্যনেলী প্ৰশিক্ষণপ্ৰাপ্ত শ্বুটাৰ আছিল আৰু বিভিন্ন অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰৰ অভিজ্ঞতা তেওঁৰ আছিল। আৰক্ষীৰ মতে, পিষ্টল কাঢ়িবলৈ চেষ্টা কৰোঁতে যন্ত্ৰৰ সময়ত সংঘটিত হতাহতৰ পিছত আৰক্ষীয়ে আয়ত্বকাৰ বাবে গুলীচালনা কৰিবলৈ বাধ্য হয়। ইফালে, ঘনকান্ত গগৈৰ মৃত্যুৰ খবৰ পাই 'হোটেল বিলাস ইন' হত্যাকাণ্ড ভুক্তভোগী বৰপেটাৰ ভবালী পৰিয়ালে সকাহ অনুভৱ কৰিছে। বৰপেটাৰ বাসগৃহত সাংবাদিকৰ আগত পৰিয়ালৰ সদস্যসকলে কয়, "তেওঁলোকৰ আত্মাই এতিয়া শান্তি পাব। পৰিয়াল হিচাপে আমিও কিছু শান্তি পাম। আমাক এই ন্যায় দিয়াৰ বাবে ভগৱানক ধন্যবাদ জনাইছো। ভগৱানৰ ওপৰত মোৰ বিশ্বাস আছিল যে আমি ন্যায় পাম।" এই কথিন সময়তেও পৰিয়ালৰ কাষত থিয় দিয়াৰ বাবে নিহত ভূপেন ভবালীৰ কন্যাই অসমবাসীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, "অসম বাইজৰ সহায় আৰু সহানুভূতিৰ বাবে আমি কৃতজ্ঞ। এই দুখৰ সময়তো অভিযুক্তৰ মৃত্যুৰ খবৰে আমাক কিছু শান্তি দিছে। ভগৱানে আমাক ন্যায় দিছে।" পৰিয়ালৰ আন এগৰাকী সদস্যই উল্লেখ কৰে যে অভিযুক্ত ঘনকান্ত জীয়াই থাকিলে বা পিছত মুকলি আকাশৰ তললৈ আহিলেহে সক্ষম হ'লে তেওঁলোকক পুনৰ লক্ষ্য কৰিব পাৰে বুলি ভয় আছিল, কিন্তু এতিয়া তেওঁলোকে সকাহ পাইছে। একেদৰে 'হোটেল বিলাস ইন' ঘটনাত আহত সত্যেন পাঠকৰ মাতৃয়েও কয় যে ঘনকান্তৰ মৃত্যুৰ লগে লগে তেওঁলোকে পুত্ৰৰ সুবন্ধাক লৈ নিশ্চিন্ত হ'ব পাৰিছে। তেওঁ কয়, "মোৰ লৰা সুবন্ধাৰ বাবে চিন্তিত আছিলোঁ। এতিয়া গগৈৰ মৃত্যুৰ লগে লগে আমি বহু পৰিমাণে সকাহ পাইছোঁ।" উল্লেখ্য যে, ২৬ অক্টোবৰৰ নিশা 'হোটেল বিলাস ইন'ত সংঘটিত ওলীচালনাৰ ঘটনাৰ পিছত আৰক্ষীয়ে ঘনকান্ত গগৈক আটক কৰিছিল। পিছত তেওঁক পল্টন বজাৰ থানাত গোচা-পোছাৰ পিছত গুৱাহাটীৰ চিজেএম আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে তেওঁক ৭ দিনৰ আৰক্ষী জিম্মালৈ প্ৰে�ৰণ কৰে। সেই জিম্মাৰ মাদ শেষ হোৱাত মঙলবাৰে পুনৰ আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে তেওঁক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ঘনকান্তৰ মৃততহঁত প্ৰথমে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। কিন্তু ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ নিৰ্দেশনা অনুসৰি আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা লোকৰ ক্ষেত্ৰত পালন কৰিবলগীয়া নিয়মৰ বাবে শিৱসাগৰত মবণোত্তৰ পৰীক্ষা সম্পন্ন কৰা নহয়। সেয়ে মবণোত্তৰ পৰীক্ষা ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত কৰাৰ সিদ্ধান্ত লোৱা হয়। প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়লৈ ঘনকান্তৰ মৃততহঁত শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰখা হৈছিল। এই সময়তে ঘনকান্তৰ ভাতৃ শুভকান্ত গগৈ হাস্পতালত উপস্থিত হৈ মৃততহঁত চিনাক্ত কৰে। তেওঁ কয়, "মবণোত্তৰ পৰীক্ষাৰ পিছতহে সবিশেষ ক'ব পাৰিম। তেওঁৰ বুকুত গুলী লাগিছে। সংকাৰ ঘৰতে কৰা হ'ব।"

ঘনকান্ত গগৈৰ এনকাউণ্টাৰৰ তথ্য

বুলি উল্লেখ কৰি পৰিয়ালৰ লোকে কয়, "আমাক কিয় কৰা হৈছে? প্ৰশাসনৰ ফালৰ পৰা আমাক এতিয়ালৈকে একো জনোৱা নাই।" ঘনকান্ত গগৈক গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ পৰা শিৱসাগৰলৈ নিয়াৰ বিষয়েও পৰিয়ালক কোনো আনুষ্ঠানিক তথ্য প্ৰদান কৰা নাছিল বুলি তেওঁলোকে অভিযোগ কৰিছে। এই সন্দৰ্ভত পৰিয়ালৰ সদস্যসকলে কয়, "আমাৰ পৰিয়ালৰ এজন সদস্য নোহোৱা হ'ল, অথচ আমাক কানো তথ্য নিদিয়াকৈ এনেদৰে সময়ত ঘটনা ঘটি গ'ল।" এনকাউণ্টাৰৰ পাছতেই সংবাদ মাধ্যমৰ সমুখত আৰেগিক হৈ পৰা পৰিয়ালৰ সদস্যসকলে মন্তব্য কৰে যে আৰক্ষীৰ জিম্মাত থকা অৱস্থাত এজন সুবন্ধা দিয়াৰ সলনি এনেদৰে এনকাউণ্টাৰ কৰা কাৰ্যই তেওঁলোকক সহজভাবে লৈ পৰা নাই। ইপিনে, এই ঘটনাক কেন্দ্ৰ কৰি ঘটনাস্থলীত আৰক্ষীয়ে বেৰিকেড স্থাপন কৰিছে। শীৰ্ষ আৰক্ষী বিষয়াৰ তদাৰকীত সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ হৈছে। ঘটনাস্থলীত উপস্থিত হৈ ফৰেনচিক বিশেষজ্ঞৰ দলেও নমুনা সংগ্ৰহ কৰিছে।

ভোটাৰ তালিকাৰ খচৰাত নাম নথকাসকলে

কৰিব লাগিব। পূৰ্বৰ নিৰ্বাচনী তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰা হ'লেও তালিকাত নাম নাথাকিলে এই নীতি প্ৰযোজ্য হ'ব। এইসকল লোকে এতিয়া নতুন আবেদন দাখিল কৰিব লাগিব। ইতিমধ্যে পঞ্জীয়ন হোৱাৰ পিছতো নতুনকৈ আবেদন দাখিল কৰাৰ বাবেই এনে ভোটাৰৰ বিৰুদ্ধে কোনো আপত্তি ব্যৱস্থা লোৱা নহ'ব বুলিও নিৰ্বাচন আয়োগে আশ্বাস দিয়ে। আনহাতে, ৰাজ্য আৰু কেন্দ্ৰীয় বাহিনীৰ আঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকলে প্ৰেৰণ কৰা এক পত্ৰত নিৰ্বাচন আয়োগে ইতিমধ্যে পঞ্জীয়নভুক্ত একাধিক ভোটাৰে 'ফৰ্ম্ম ছ' দাখিল কৰিবলৈ দ্বিধাবোধ কৰা বুলি উল্লেখ প্ৰকাশ কৰে। কিয়নো ইয়াৰ বাবে প্ৰথমবাৰৰ বাবে নিৰ্বাচনী তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে বুলি ঘোষণা প্ৰয়োজন। এনে ভোটাৰসকলে আশংকা কৰিছিল যে পূৰ্ব নাম অন্তৰ্ভুক্তি পিছতেই এই ঘোষণা কৰাটো ভুৱা তথ্য প্ৰদান কৰাৰ সমান হ'ব পাৰে আৰু ১৯০০ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ৩১ন ধাৰাত তেওঁলোকৰ বিচাৰৰ সম্মুখীন হ'ব পাৰে। এই কথা নিৰ্বাচন আয়োগে জানিবলৈ দিছে।

অগ্নিবীৰৰ চাকৰিৰ কার্যকাল দুবছৰ বৃদ্ধি

মন্ত্ৰী বাজনাথ সিঙে সিদ্ধান্ত লৈ এৰাঘোলে জনায় যে প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত অগ্নিবীৰসকলৰ চাকৰিৰ সময়সীমা দুবছৰলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াক অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰসকলৰ দ্বিতীয় কার্যকাল হিচাপে গণ্য কৰা হ'ব। তেওঁ কয় যে এই সিদ্ধান্তৰ ফলত চাৰিৰ পথা ছয় বছৰলৈ তেওঁলোকৰ কার্যকাল বৃদ্ধি পাব আৰু ই ভাৰতীয় সেনাক দীর্ঘকালীন অধিক শক্তিশালী কৰিব। দেশৰ যুৰশক্তি সেনাত অধিক নিয়োগৰ ফলত আগন্তুক যুদ্ধসদৃশ পৰিস্থিতিৰ সৃষ্টি হয়। বন্ধ কার্যকৰী কৰিবলৈ ওলাই সহা সমৰ্থকসকলক আৰক্ষীয়ে বাধা প্ৰদান কৰাৰ ফলত অধিকাংশ ঠাইতে ৰাজ্য চৰকাৰে বন্ধ প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। তেওঁলোকৰ মুখ্য দাবীসমূহ হ'ল ঃ পাছিঘাটত উভনি চিয়াং বহুমুখী প্ৰকল্পৰ বিৰুদ্ধে অনুষ্ঠিত শান্তি সমন্বয় সমন্বয় আৰক্ষীয়ে অন্যায়ভাৱে গ্ৰেপ্তাৰ কৰা প্ৰতিবাদকাৰীসকলক নিশাতেই শীঘ্ৰে মুকলি কৰি দিয়া, ডিটিএল (DTL) শীঘ্ৰে কার্যক্ষম কৰা, ফাংচী খণ্ডৰ সংস্কাৰ আৰু স্বচ্ছতা নিশ্চিত কৰা, বাজধানী অঞ্চলৰ অবাজনী ঘটিপথসমূহ স্থায়ী মেৰামতি আৰু ওপৰত নিৰ্মাণ সুশিশ্চিত কৰা। আজিৰ এই বন্ধৰ ফলত বাজধানী ইটানগৰ ব্যাপক প্ৰভাব পৰে। ব্যবসায়-বাণিজ্য, শিক্ষা প্ৰতিষ্ঠান আৰু যান-বাহন চলাচল প্ৰায় স্তব্ধ হৈ পৰে। প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ চেষ্টা অব্যাহত ৰাখিছে যদিও দৰাইসমূহ পূৰ্বৰ ওলাই নোযোৱাকৈকে ধাৰাবাহিক আন্দোলন চলাই যাব বুলি সংগঠনে স্পষ্ট কৰি দিছে।

এনকাউণ্টাৰ সমর্থন নকৰোঁ, কিন্তু আইনী

তেওঁ এনকাউণ্টাৰৰ সমর্থন নকৰিলেও নিহত ঘনকান্তক 'সন্ত্ৰাসবাদী' আখ্যা দি নিজৰ স্থিতি স্পষ্ট কৰে। ঘনকান্ত গগৈক এনকাউণ্টাৰ সদৰ্ভত বিধায়ক অখিল গগৈয়ে কয়, "সন্ত্ৰাসবাদী এজন গুলীত নিহত হৈছে, তাত কাৰো বেয়া পাবলগা নাই।" তেওঁ উল্লেখ কৰে যে ঘিয়ৰ বাজিয়ে পাঁচজন নিৰ্দোষী মানুহক দুশাংসভাৱে ওলীয়াই হত্যা কৰিছিল, তেওঁ এজন সন্ত্ৰাসবাদীতকৈ কোনো গুণে কম নাছিল। অসম আৰক্ষীক আগতেই বহু দিনৰ ভিতৰত চাৰ্চাধীন দাখিল কৰিবলৈ আহ্বান জনাইছিলো বুলি উল্লেখ কৰি তেওঁ কয় যে তিনিমাহৰ ভিতৰত সকলো প্ৰক্ৰিয়া সম্পন্ন কৰি তেওঁক ফাঁচী নহ'লে ওলীয়াব লাগে বুলিও তেওঁ আগতেই কৈছিল। নিজৰ বিবোধী স্থিতি দোহাৰি বিধায়কগৰাকীয়ে কয়, "আপোনালোকে নিশ্চয় জানে মই একাউণ্টাৰক সমর্থন নকৰোঁ। তেওঁক যদি আইনৰ মজিয়াত আদালতত বিচাৰ কৰাই ফাঁচীতকৈও ওলমাব পৰা গাঁহলৈকেন, তেন্তে সেয়াই আটাইতকৈ ভাল আছিল।" অখিল গগৈৰ মতে, ন্যায়পালিকাক আঁতৰাই প্ৰশাসনে এনকাউণ্টাৰৰ নীতি গ্ৰহণ কৰাতকৈ আইনী ব্যৱস্থাৰ জৰিয়তে সৰ্বোচ্চ শাস্তি প্ৰদান কৰাহে এক সুস্থ গণতান্ত্ৰিক সমাজৰ বাবে সঠিক পথ। তথাপি নিহত ব্যক্তিজনৰ অপৰাধৰ তয়াহতা বিবেচনা কৰি তেওঁৰ মৃত্যুত বেজাৰ কৰাৰ কোনো কাৰণ নাই বুলিও বিধায়কগৰাকীয়ে মন্তব্য কৰে।

আমেৰিকাৰ মধ্যকালীন নির্বাচনত

আগ্ৰাসন লাভ কৰিছে। এই ফলাফলে ট্ৰাম্পৰ বাষ্ট্ৰপতিত্বৰ বাকী দুবছৰৰ কার্যকালত তেওঁক বহু পৰিমাণে বাধাৰ সম্মুখীন কৰিব বুলি বিশ্লেষকসকলে কয়। প্ৰকাশিত প্ৰাৰম্ভিক ফলাফলত দেখা গৈছে, ডেমক্ৰেটসকলে ২২৭খন আসনৰ ভিতৰত ডেম'ক্ৰেটসকলে ৪৪৯নত আৰু ৰিপাব্লিকানসকলে ৪২৯নত জয়ৰ দিশে অগ্ৰগতি লাভ কৰিছে। আনহাতে, হাউচ অব ৰিপ্ৰেজেনটেটিভৰ ৪৩৫খন আসনৰ ভিতৰত ডেম'ক্ৰেটসকলে ২২৭খন আৰু ৰিপাব্লিকানসকলে ১৩৫খন আসনত জয়ৰ দিশে আগবাঢ়িছে। এগিদ তথ্য অনুসৰি ডেম'ক্ৰেটসকলে আমেৰিকান কংগ্ৰেছৰ নিয়ন্ত্ৰণ লাভ কৰিছে। বুধবাৰে ট্ৰাম্পে পৰাজয় স্বীকাৰ কৰিছে। এই পৰাজয়ৰ বাবে তেওঁ ভোটবুৰি বা অন্য কোনো কাৰকক দোষাৰোপ কৰা নাই। বৰঞ্চ ডেম'ক্ৰেটসকলে সেইসকলে কাম কৰাৰ ইছা প্ৰকাশ কৰিছে। মাৰ্কিন সংবাদ মাধ্যমক দিয়া সাক্ষাৎকাৰত তেওঁ কয়, "তেওঁলোকৰ সৈতে কাম কৰাৰ বাবে অপেক্ষাত আছোঁ।" ট্ৰাম্পে এই ফলাফল সম্পূৰ্ণৰূপে মানি লৈখেলে প্ৰস্তুতি কৰাৰ পৰামৰ্শ দিছে। ফক্স নিউজৰ সৈতে হোৱা বাৰ্তালাপত ট্ৰাম্পে ডেম'ক্ৰেটসকলক অভিনন্দন জনাই কয়, "ডেম'ক্ৰেটসকলক অভিনন্দন। তেওঁলোকে ভাল কাম কৰিছে। তেওঁলোকে বিগত বহু বছৰ ধৰি চিয়ৰ সদ্যাদাত আছিল আৰু অৱশেষত সেইটো লাভ কৰিলে। কিন্তু মই ইয়াক মোৰ ওপৰত আঘাত বুলি নাভাবো।" তেওঁ দাবী কৰে যে বাষ্ট্ৰপতি হিচাপে তেওঁৰ বিগত দুবছৰৰ কার্যকাল আটাইতকৈ ভাল আছিল। ইয়াৰ লগতে তেওঁ উল্লেখ কৰে যে এই পৰাজয়ৰ এটা অংশৰ কাৰণ ইবাণৰ যুদ্ধ আছিল; তথাপি ইবাণৰ সৈতে তেওঁ গ্ৰহণ কৰা পদক্ষেপৰ ওকত অনসাধাৰণে বুজি পাইছে বুলি তেওঁ বিশ্বাস কৰে। ডেম'ক্ৰেটসকলে কেবল সংখ্যাগৰিষ্ঠতা লাভ কৰাই নহয়, ৰিপাব্লিকানৰ পৰম্পৰাগত দুৰ্গসমূহতো উল্লেখযোগ্য সফলতা লাভ কৰিছে। কেন্টাছ, আইঅৱা, টেক্সাছ, আইয়া, মেইন, উত্তৰ কেৰলিনা আৰু দক্ষিণ কেৰলিনাত আসন সংখ্যাগৰিষ্ঠতা লাভ কৰাই নহয়, ৰিপাব্লিকানৰ পৰম্পৰাগত দুৰ্গসমূহতো উল্লেখযোগ্য সফলতা লাভ কৰিছে। কেন্টাছ, আইঅৱা, টেক্সাছ, আইয়া, মেইন, উত্তৰ কেৰলিনা আৰু দক্ষিণ কেৰলিনাত অতি কমেও সাতখন ছিনাটৰ আসন ডেম'ক্ৰেটসকলে লাভ কৰিছে। উল্লেখযোগ্য যে কেন্টাছত প্ৰায় এশ বছৰ ধৰি ডেম'ক্ৰেটিক দলৰ কোনো ছিনেটৰ নিৰ্বাচিত হোৱা নাছিল। হাউছতো ডেম'ক্ৰেটসকলে এনে সমষ্টিত জয়লাভ কৰিছে, যাঁ২ ২০২৪ চনত ট্ৰাম্পে ১৮খন আসন পৰ্যন্ত অগ্ৰগতি লাভ কৰিছিল। গৰ্ভৰ্ণৰ পদৰ নিৰ্বাচনতো ডেম'ক্ৰেটসকলে গুৰুত্বপূৰ্ণ জয় লাভ কৰিছে। জৰ্জিয়াত কেইছা লেন্স বাঁচছ, অহিঅ'ত এমি এক্লৈ, আইঅ'য়াত বড ডেণ্ড আৰু টেক্সাছত জিনা হিনোজোছাই গৰ্ভৰ্ণৰ পদৰ দৌৰত জয়লাভ কৰিছে। 'দ্য এপি ভোটকাষ্ট' সমীক্ষা অনুসৰি, ট্ৰাম্পে নিজকে নিৰ্বাচনী বগাকেত্ৰত থকা লৰি দেখুৱাবলৈ চেষ্টা কৰিছিল যদিও বেছিভাগ ভোটাৰে বৰ্তমান অৰ্থনীতিৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে তেওঁৰ প্ৰশাসনক দোষাৰোপ কৰিছে আৰু কংগ্ৰেছে তেওঁৰ ওপৰত অধিক চাপ প্ৰয়োগ কৰাটো বিচাৰিছে। মধ্যকালীন নিৰ্বাচনত ডেম'ক্ৰেটসকলে জয়লাভ কৰাৰ বিভিন্ন কাৰণ আছে। এগিদ তথ্য অনুসৰি, তেওঁলোকে এনে ৰাজনীতি বিচাৰে যিয়ে মানুহক বিভজিত কৰাতকৈ একত্ৰিত কৰাৰ আঁচ এনে নেতা বিচাৰে যিয়ে তেওঁলোকে সম্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ সুনিৰ্দিষ্ট সমাধান আগবঢ়ায়।" এই ফলাফল দেশৰ বিভিন্ন অঞ্চলৰ পথা আহা আসাধাৰণ প্ৰাৰ্থীসকলৰ বাবে সম্ভৱ হৈছে বুলিও তেওঁ উল্লেখ কৰে। ওবামাই নিৰ্বাচন পৰিচালনা কৰা কৰ্মকৰ্তা আৰু স্বেচ্ছাসেবকসকলকো কৃতজ্ঞতা জনায়। জোঙ সমাজবাদী নেতা তথা ছিনেট বাৰ্ণি ছেণ্ডাৰ্ছে কয় যে ডেম'ক্ৰেটসকলে এতিয়া হাউছ আৰু ছিনেট নিয়ন্ত্ৰণ কৰা আৰু ট্ৰাম্পক কার্যকৰীভাবে বাধা দিবলৈ সক্ষম হ'ব। তেওঁ এজাত লিখিছে যে তাহা আৰু সম্পদৰ ব্যাপক বেষমাৰ সময়ত কর্মৰত পৰিয়ালৰ বাবে অধিক আক্ৰমণাত্মকভাবে যুজিব লাগিব আৰু "আৰু কোনো অজুহাত নাই।" এই নিৰ্বাচন ফলাফলক লৈ ভাৰতত বাজনৈতিক প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। কংবংহ জনতা পাৰ্টীৰ প্ৰতিক্ষাপক অভিজিৎ দীপকে আমেৰিকাৰ মধ্যকালীন নিৰ্বাচনৰ ফলাফলটোৰ ইংগিত দি ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰিছে। তেওঁ এজাত লিখিছে, "জ্ঞানেশ কুমাৰে ট্ৰাম্পৰ লগত এনেকুবা কেইয়াও হ'বলৈ নিদিলেহেঁতেন।" ভাৰতীয় মূলৰ আমেৰিকান বাজনীতিবিদসকলৰ ফলাফললৈ এই নিৰ্বাচনত উল্লেখযোগ্য। কেলিফৰ্ণিয়াৰ ১৭ নং কংগ্ৰেছ জিলাৰ পথা ডেম'ক্ৰেট বো খান্না পুনৰ আমেৰিকান হাউছলৈ নিৰ্বাচিত হৈছে। মিনেছোটৰ পঞ্চম জিলাত ডেম'ক্ৰেট ইলহান ওমৰে পঞ্চমটো কার্যকৰণ লাবে পুনৰ জয়লাভ কৰিছে, তেওঁ ৭৬.৪৫ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে বিপাব্লিকান উদ্যোক্তাজন নাগোলে ১৬.২৬ শতাংশ ভোট পাইছে। ট্ৰাম্পে ওমৰক লক্ষ্য কৰি বাৰম্বাৰ কৰা মন্তব্যৰ পিছত ওমৰে আক্ৰমণ কৰিছে। কংবংহ জনতা পাৰ্টীৰ প্ৰতিক্ষাপক অভিজিৎ দীপকে আমেৰিকাৰ মধ্যকালীন নিৰ্বাচনৰ ফলাফলটোৰ ইংগিত দি ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰিছে। তেওঁ এজাত লিখিছে, "জ্ঞানেশ কুমাৰে ট্ৰাম্পৰ লগত এনেকুবা কেইয়াও হ'বলৈ নিদিলেহেঁতেন।" ভাৰতীয় মূলৰ আমেৰিকান বাজনীতিবিদসকলৰ ফলাফললৈ এই নিৰ্বাচনত উল্লেখযোগ্য। কেলিফৰ্ণিয়াৰ ১৭ নং কংগ্ৰেছ জিলাৰ পথা ডেম'ক্ৰেট বো খান্না পুনৰ আমেৰিকান হাউছলৈ নিৰ্বাচিত হৈছে। মিনেছোটৰ পঞ্চম জিলাত ডেম'ক্ৰেট ইলহান ওমৰে পঞ্চমটো কার্যকৰণ লাবে পুনৰ জয়লাভ কৰিছে, তেওঁ ৭৬.৪৫ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে বিপাব্লিকান উদ্যোক্তাজন নাগোলে ১৬.২৬ শতাংশ ভোট পাইছে। ট্ৰাম্পে ওমৰক লক্ষ্য কৰি

১ ডিচেম্বৰৰ পৰা ৯ ডিচেম্বৰলৈ কোকৰাঝাৰত উত্তৰ-পূব ৰাষ্ট্ৰীয় গ্ৰন্থমেলা

অসম বার্তা, কোকৰাঝাৰ, ৪ নৱেম্বৰ ঃ পঢ়াৰ অভ্যাস গঢ়ি তোলা, সাহিত্যিক চৰ্চাক উৎসাহিত কৰা আৰু অঞ্চলটোৰ বৌদ্ধিক তথা শৈক্ষিক পৰিবেশ অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে অহা ১ ডিচেম্বৰৰ পৰা ৯ ডিচেম্বৰলৈ কোকৰাঝাৰৰ প্ৰাণ ফিল্ডত অনুষ্ঠিত হ'ব উত্তৰ-পূব ৰাষ্ট্ৰীয় গ্ৰন্থমেলা, বডোলেণ্ড-২০২৬। নদিনীয়া এই গ্ৰন্থমেলাখন বডোলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি) আৰু পাব্লিচাৰ্ছ এণ্ড বুক ছেলাৰ্ছ গিল্ড, নৰ্থ-ইষ্টৰ যৌথ উদ্যোগত অনুষ্ঠিত হ'ব। গ্ৰন্থমেলাত কিতাপ ক্ৰয়ৰ বাবে বিটিচিয়ে পৰ্যাপ্ত পুঁজি আবণ্টন কৰিছে শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য বৰবিমা নাৰ্জাৰীয়ে। বিটিচি শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য তথা বিধায়ক বৰবিমা নাৰ্জাৰীয়ে এই কথা ঘোষণা কৰে। বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীক নেতৃত্ব আৰু দিহা-পৰামৰ্শত এই বিশেষ গ্ৰন্থমেলাখন সফলভাবে অনুষ্ঠিত কৰাৰ বাবে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰা হৈছে বুলি তেওঁ জনোৱা অনুসৰি, অহা ১ ডিচেম্বৰত অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ড' বণ্ডোজ পেণ্ড আৰু বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আনুষ্ঠানিকভাবে গ্ৰন্থমেলাখন উদ্বোধন কৰিব। দীৰ্ঘদিনৰ বিৰতিৰ পিছত কোকৰাঝাৰত পুনৰ গ্ৰন্থমেলা অনুষ্ঠিত হ'বলৈ ওলোৱাত সন্তুষ্টি প্ৰকাশ কৰি ৰবিবাম নাৰ্জাৰীয়ে কয় যে এই পদক্ষেপে বিশেষকৈ নৰপ্ৰজন্মৰ মাজত শিক্ষা, সাহিত্য আৰু পঢ়াৰ সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্ৰত বিটিচি চৰকাৰৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰিছে। গ্ৰন্থমেলাখন সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে বিটিচিৰ পাল্লন উপ-মুখ্য তথা বৰ্তমান এমচিএল এ খাম্পা বৰগয়াৰীৰ অধ্যক্ষতাত এখন আয়োজক সমিতি গঠন কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। গ্ৰন্থ অধ্যয়নৰ প্ৰতি বাইজৰ অধিক আগ্ৰহী কৰি তোলাৰ ক্ষেত্ৰত বিটিচি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰি ৰবিবাম নাৰ্জাৰীয়ে ঘোষণা কৰে যে গ্ৰন্থমেলাৰ সময়ছোৱাত কিতাপ ক্ৰয়ৰ বাবে বিটিচি কৰ্তৃপক্ষই পৰ্যাপ্ত পৰিমাণৰ পুঁজি আবণ্টন কৰিছে। বিটিচিৰ অধীনস্থ বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানসমূহক নিজৰ পুথিভঁৰাল তথা শৈক্ষিক প্ৰয়োজনীয়তাৰ বাবে গ্ৰন্থমেলাৰ পৰা কিতাপ ক্ৰয় কৰিবলৈ উৎসাহিত কৰা হ'ব। এই ক্ষেত্ৰত সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পৰিষদে। গ্ৰন্থমেলাখন সফল কৰি তুলিবলৈ বড়ো সাহিত্য সভা, অসম সাহিত্য সভাৰ লগতে বিভিন্ন জনগোষ্ঠীয়া সাহিত্য সংগঠন, ছাত্ৰ সংগঠন, বিশ্ববিদ্যালয়, শিক্ষানুষ্ঠান আৰু অন্যান্য সামাজিক-সাংস্কৃতিক সংগঠনসমূহক সক্ৰিয় সহযোগিতা আৰু অংশগ্ৰহণৰ বাবেও তেওঁ আহ্বান জনায়। এই গ্ৰন্থমেলাত অসম, উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্য আৰু দেশৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ প্ৰকাশক তথা গ্ৰন্থ বিক্ৰেতাসকলে অংশগ্ৰহণ কৰাৰ সম্ভাবনা আছে। ইয়াৰ জৰিয়তে লেখক, পাঠক, প্ৰকাশক, শিক্ষাৰ্থী আৰু সাহিত্যপ্ৰেমীসকলৰ বাবে এক উমৈহতীয়া মঞ্চ গঢ় লৈ উঠিব। তেওঁ জনোৱা অনুসৰি, ন দিনীয়া এই গ্ৰন্থমেলাত সাহিত্যিক আলোচনা, লেখক-পাঠক-প্ৰকাশকৰ মাজত মত বিনিময়, ভাষা-সাহিত্য-সংস্কৃতি আৰু ইতিহাস বিষয়ক বিভিন্ন অনুষ্ঠান, নবাগত লেখকসকলৰ বাবে বিশেষ কাৰ্যসূচী আৰু শিশুসকলৰ বাবে পৃথক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। গ্ৰন্থ ক্ৰয়ৰ প্ৰতি বাইজক উৎসাহিত কৰাৰ উদ্দেশ্যে আয়োজকসকলে বিশেষ লাকী ড্ৰ' আঁচনিও ঘোষণা কৰিছে। এই আঁচনি অনুসৰি ১,০০০ টকাৰ কিতাপ ক্ৰয় কৰা প্ৰতিগৰাকী গ্ৰাহকক এটা কুপন প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে প্ৰথম পুৰস্কাৰ হিচাপে ২০,০০০ টকা, দ্বিতীয় পুৰস্কাৰ ১০,০০০ টকা আৰু তৃতীয় পুৰস্কাৰ ৫,০০০ টকাৰ লগতে পাঁচটা সান্ত্বনা বঁটা লাভ কৰাৰ সুযোগ থাকিব। উল্লেখ্য যে গ্ৰন্থমেলাত প্ৰৱেশ সকলোৰে বাবে বিনামূলীয়া হ'ব। আয়োজকসকলে জানিবলৈ দিয়া অনুসৰি, নেশ্যানেল বুক ট্ৰাষ্ট (NBT), সাহিত্য অকাডেমী, হাৰ্পাৰকলিন, পেংগুইন, বুক ফৰ্ড পাব্লিকেচন, ইলিফেণ্ট বুকছ, অসম বুক ট্ৰাষ্ট, আংগিক, লাৰ্ছাৰ্ছ ব্লেক, চৰ্লেষ্টন আৰু কল্যাণী পাব্লিচাৰ্ছকে ধৰি কেইবাটাও আশাৰীয়ৰ প্ৰকাশন প্ৰতিষ্ঠান আৰু সংস্থাই এই গ্ৰন্থমেলাত অংশগ্ৰহণ কৰাৰ সম্ভাবনা আছে। গ্ৰন্থমেলাৰ বাকচিত এটা বিশেষ 'বডোলেণ্ড পেভিলিয়ন' স্থাপন কৰা হ'ব। এই পেভিলিয়নত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ বিভিন্ন বিভাগে গ্ৰহণ কৰা উন্নয়নমূলক পদক্ষেপ, সাফল্য আৰু গুৰুত্বপূৰ্ণ কাৰ্যসূচীসমূহ প্ৰদৰ্শন কৰা হ'ব। আয়োজকসকলে আশা প্ৰকাশ কৰে যে উত্তৰ-পূব ৰাষ্ট্ৰীয় গ্ৰন্থমেলা, বডোলেণ্ড-২০২৬ কেৱল গ্ৰন্থ ক্ৰয়-বিক্ৰয়ৰ মঞ্চতে সীমাবদ্ধ নাথাকি সাহিত্যিক আদান-প্ৰদান, সাংস্কৃতিক সম্পৰ্ক আৰু বৌদ্ধিক বিকাশৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব। ইয়াৰ জৰিয়তে বড়োলেণ্ড তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত পঢ়াৰ সংস্কৃতি অধিক শক্তিশালী হ'ব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

বিশ্বনাথত জিলা নিৰ্বাচনী বিষয়াৰ সংবাদমেল; মিচিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন, ২০২৬ৰ সময়সূচী প্ৰকাশ

অসম বার্তা, বিহালী, ৪ নৱেম্বৰ ঃ মিচিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে আজি বিশ্বনাথৰ জিলা নিৰ্বাচনী বিষয়া তথা বিশ্বনাথৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণে এখন সংবাদমেল সংস্থাপন কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত বিয়লি অনুষ্ঠিত হোৱা সংবাদমেলখনত জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত গৰাকীয়ে মিচিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন, ২০২৬ৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন নিৰ্দ্ধাৰণ কৰা হৈছে। অহা ৩০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব আৰু ৩ ডিচেম্বৰ, ২০২৬ তাৰিখে ভোট গণনা সম্পন্ন হ'ব। জিলা নিৰ্বাচনী বিষয়া কৰবী শইকীয়া কৰণে স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে অসম ৰাজ্যিক নিৰ্বাচন আয়োগে ৩ নৱেম্বৰ তাৰিখে জাননী জাৰি কৰিছে। সেইদৰে মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিলৰ অন্তিম দিন হৈছে ১০ নৱেম্বৰ। ১২ নৱেম্বৰত এই মনোনয়ন পত্ৰ সমূহ পৰীক্ষা কৰা হ'ব আৰু ১৬ নৱেম্বৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন নিৰ্দ্ধাৰণ কৰা হৈছে। অহা ৩০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব আৰু ৩ ডিচেম্বৰ, ২০২৬ তাৰিখে ভোট গণনা সম্পন্ন হ'ব। জিলা নিৰ্বাচনী বিষয়া কৰবী শইকীয়া কৰণে জিলাখনৰ দুয়োটা স্বায়ত্ত শাসিত পৰিষদ সমষ্টিতে নিকা আৰু মুক্ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছেবুলি প্ৰকাশ কৰি এই ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। উল্লেখযোগ্য যে, বিশ্বনাথ জিলাৰ অন্তৰ্গত মিচিং স্বায়ত্ত শাসিত পৰিষদৰ দুয়োটা সমষ্টিত সৰ্বমুঠ ৩৩,৫৭৫ গৰাকী ভোটাৰ আছে। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ১৭,০৬৪ গৰাকী আৰু মহিলা ভোটাৰৰ সংখ্যা হৈছে ১৬,৫১১ গৰাকী। দুয়োটা সমষ্টিত মুঠ ভোট গ্ৰহণ কেন্দ্ৰ সংখ্যা হৈছে ৭৯টা। সংবাদমেলত জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত গৰাকীয়ে জানিবলৈ দিয়া মতে ২৭ নং লোহিত্যমুখ স্বায়ত্ত শাসিত মুঠ ভোটাৰ হৈছে ১৭,৩৫৮ গৰাকী। ইয়াৰে ৮৭৮৬ গৰাকী পুৰুষ আৰু ৮৫৭২ গৰাকী মহিলা ভোটাৰ। এই সমষ্টিত ৩৮টা ভোট গ্ৰহণ কেন্দ্ৰ আছে। একেদৰে ৩৭ নং বুৰে সমষ্টিত মুঠ ভোটাৰ হৈছে ১৬,২১৭ গৰাকী। ইয়াৰে ৮২৭৮ গৰাকী পুৰুষ আৰু ৭৯৩৯ গৰাকী মহিলা ভোটাৰ। এই সমষ্টিত ৪১টা ভোটগ্ৰহণ কেন্দ্ৰ আছে।

মুক্ত আৰু স্বচ্ছ নিৰ্বাচনৰ বাবে সকলোৰে সহযোগিতাৰ আহ্বান

আমগুৰিত মটৰচাইকেলৰ খুন্দাত নিহত ছাত্ৰমুক্তি সংগ্ৰাম সমিতিৰ শিৰসাগৰ জিলা সভাপতি পল্লৱ শইকীয়া

অসম বার্তা, আমগুৰি, ৪ নৱেম্বৰ ঃ শিৰসাগৰ জিলাৰ আমগুৰিত আজি সংঘটিত এক পথ দুৰ্ঘটনাত নিহত হৈছে ছাত্ৰ মুক্তিৰ শিৰসাগৰ জিলা সভাপতি পল্লৱ শইকীয়া। আজি বিয়লি আমগুৰি কছাৰী লাইনৰ সমীপৰ ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথটো সংঘটিত এক দুৰ্ঘটনাত প্ৰাণ হেৰুৱাই ছাত্ৰ নেতা গৰাকীয়ে। জানিবপৰামতে পল্লৱ শইকীয়াই খোজেবে ৬১ নং ৰাষ্ট্ৰীয় ঘাই পথটো অতিক্ৰম কৰাৰ সময়তে এগছ ০৪ এডি ৬৯১৮ নম্বৰৰ মটৰছাইকেলখন খুন্দাত পথৰ ওপৰতে টিটকি পৰে। ঘটনাটোত গুৰুতৰভাবে আঘাতপ্ৰাপ্ত পল্লৱ শইকীয়াক আমগুৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কিন্তু জয়ন্তগাৰধি শিৰসাগৰ অসামৰিক চিকিৎসালয়তে মৃত্যুক সাবটি লয় পল্লৱ শইকীয়াই। ঘটনাটোত বাইক চালক, বাঘজান চাহবাগিচাৰ বিষ্ণু কামাৰ মোডী সাময়াল পৰিষ্কাৰে আহত হয়। পল্লৱ শইকীয়া আমগুৰি নগৰৰ ১ নং বাৰ্ডৰ কমলেশ্বৰ শইকীয়াৰ একমাত্ৰ পুত্ৰ। পল্লৱ শইকীয়াৰ মৃত্যুত সমগ্ৰ আমগুৰি অঞ্চলত শোকৰ ছাঁ পৰিছে। আমগুৰিত চলি থকা ''আমগুৰি গ্ৰন্থমেলা-২০২৬''ৰ সকলো সাংস্কৃতিক অনুষ্ঠান বাতিল কৰে।

নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বাবে শুকাই গ'ল সোৱণশিৰি নদী

খোজকাঢ়ি নদী পাৰ হ'ব পৰা অৱস্থা, সচেতন মহলৰ ব্যাপক প্ৰতিক্ৰিয়া

অসম বার্তা, লখিমপুৰ বিশেষ, ৪ নৱেম্বৰ ঃ গেৰুকামুখস্থিত ২০০০ মেগাৱাট নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বাবেই শুকাই গ'ল ঐতিহাসিক সোৱণশিৰি নদী। গেৰুকামুখ স্থিত প্ৰকল্পটোৰ কৰ্তৃপক্ষই পানী বন্ধ কৰি ৰখাৰ ফলত নদীখনৰ ভটীয়া অঞ্চলত এতিয়া পানীৰ পৰিবৰ্তে দেখা গৈছে কেৱল বালি আৰু শিল। সৃষ্টি হোৱা এই ভয়ংকৰ পৰিস্থিতিৰ বাবে এতিয়া খোজকাঢ়িয়েই নদী পাৰ হ'ব পৰা অৱস্থাৰ সৃষ্টি হৈছে। নদীৰ বুকু শুকাই যোৱাত সহজতেই মৎস্য চিকাৰ কৰিছে নদীপৰীয়াই। পানী কমি যোৱাৰ সুযোগ লৈ বহু লোকে নদীৰ মাজত মাছ ধৰাত ব্যস্ত হে পৰা দেখা গৈছে। উল্লেখযোগ্য যে গেৰুকামুখৰ বৃহৎ নদীবান্ধটোৰে অঞ্চলটোৰ প্ৰাকৃতিক ভাৰসাম্য সম্পূৰ্ণৰূপে নষ্ট কৰি পেলাইছে। নদী শুকাই যোৱাৰ ফলত নদীৰ জৈৱ-বৈচিত্ৰ্য, মৎস্য সম্পদৰ লগতে নদীৰ ওপৰত নিৰ্ভৰশীল হাজাৰ হাজাৰ পৰিয়ালৰ জীৱন-জীবিকা ভাবুকিৰ সম্মুখীন হৈছে। ইফালে এই ঘটনাক ঢে নামনিপৰীয়া ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নামনি অঞ্চলৰ ৰাইজৰ মাজত সৃষ্টি হৈছে ভয় আৰু শংকা। সচেতন মহলে অভিযোগ কৰা মতে, এসময়ত বিজেপিয়ে নদীবান্ধৰ বিৰোধিতা কৰি শাসনলৈ আহিছিল, কিন্তু শাসনলৈ আহাৰ পিছত দল-সংগঠন আৰু ৰাইজৰ দাবীক অবিৰে মোহাৰি নদীবান্ধৰ সমৰ্থক হৈ পৰিল বিজেপি চৰকাৰখন। এই ঘটনাক লৈ সচেতন মহলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পৰিবেশপ্ৰেমী, বিভিন্ন দল-সংগঠন তথা স্থানীয় ৰাইজে গেৰুকামুখ স্থিত প্ৰকল্পটো প্ৰকৃতিৰ ওপৰত অত্যাচাৰ তথা সোৱণশিৰি নদীপৰীয়া সভ্যতা ধ্বংসৰ কাৰণ হ'বলৈ দৃঢ় মন্তব্য কৰিছে। উল্লেখযোগ্য যে, নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিৰুদ্ধে আন্দোলন কৰি বহুতো নেতা বিধায়ক, মন্ত্ৰী হ'লে কিন্তু সৰ্বসাধাৰণ ৰাইজক অনিশ্চিত ভবিষ্যতৰ দিশত এৰি থৈ গ'ল।

ইভিএমৰ সলনি বেলট পেপাৰৰ যোগেদি হ'ব এই নিৰ্বাচন

নিৰ্বাচনলৈ সাজু গোলাঘাট জিলা প্ৰশাসন; সোণোৱাল কছাৰী আৰু মিছিং পৰিষদৰ ৫টা সমষ্টিত হ'ব ভোটগ্ৰহণ

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, গোলাঘাট, ৪ নৱেম্বৰ ঃ সোণোৱাল কছাৰী আৰু মিছিং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচনক কেন্দ্ৰ কৰি ব্যাপক প্ৰস্তুতি চলাইছে গোলাঘাট জিলা প্ৰশাসনে। জিলাখনৰ দুটা সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদীয় সমষ্টি আৰু তিনিটা মিছিং স্বায়ত্তশাসিত পৰিষদীয় সমষ্টিত এখন সংবাদমেলত নিৰ্বাচনৰ প্ৰস্তুতি, ভোটাৰ সংখ্যা, ভোটগ্ৰহণ কেন্দ্ৰ আৰু নিৰাপত্তা ব্যৱস্থা বিষয়ে বিস্তৃত তথ্য দিঙি ধৰে ৰিটার্নিং বিষয়া তথা গোলাঘাটৰ জিলা আয়ুক্ত ৰিশ্বজিৎ ফুকনে। সংবাদমেলত অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোণোৱালকে ধৰি সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত আছিল। সংবাদমেলত প্ৰকাশ কৰা তথ্য অনুসৰি, গোলাঘাট আৰু দৈয়াং সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদীয় সমষ্টিৰ বাবে দহটাকৈ মুঠ ২০টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। গোলাঘাট সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা ৩, ৮৮৮ গৰাকী আৰু দৈয়াং সমষ্টিত ৪, ১৪৯ গৰাকী। অৰ্থাৎ সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ এই দুটা সমষ্টিত মুঠ ৮, ০৩৭ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। আনহাতে, জিলাখনৰ অন্তৰ্গত মিছিং স্বায়ত্তশাসিত পৰিষদৰ তিনিটা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা ৪৭,৬৪৪ গৰাকী। ইয়াৰে ধনশিৰি সমষ্টিত ২০,০৩৮ গৰাকী, দিচৈ সমষ্টিত ১১,৩৮৬ গৰাকী আৰু বনবৈ-বিলাম সমষ্টিত ১৬,২২০ গৰাকী ভোটাৰ আছে। সেই অনুসৰি, সোণোৱাল কছাৰী আৰু মিছিং স্বায়ত্তশাসিত পৰিষদৰ পাঁচটা সমষ্টিত মুঠ ৫১,৬৮১ গৰাকী ভোটাৰে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে প্ৰশাসনে ইতিমধ্যে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনী কাম-কাজ অধিক সুশৃংখলিত কৰাৰ উদ্দেশ্যে পাঁচগৰাকী অতিৰিক্ত ৰিটার্নিং বিষয়া নিয়োগ কৰা হৈছে বুলি সংবাদমেলত জানিবলৈ দিয়ে জিলা আয়ুক্ত ৰিশ্বজিৎ ফুকনে। ইফালে, নিৰ্বাচনক কেন্দ্ৰ কৰি জিলাখনৰ আৰক্ষী প্ৰশাসনেও ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত শান্তিপূর্ণ আৰু নিৰাপদ পৰিবেশত ভোটগ্ৰহণ সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোণোৱালে সাংবাদিকসকলক জনাইছে। সাংবাদিকসকলে সোণোৱাল কছাৰী আৰু মিছিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন শান্তিপূর্ণ, নিষ্পা আৰু সুচাৰুকৰূপে সম্পন্ন কৰাৰ লক্ষ্যৰে সাজু হৈউঠিছে গোলাঘাট জিলা প্ৰশাসন। ভোটাৰসূচী প্ৰক্ৰিয়াক লৈ প্ৰশাসন আৰু আৰক্ষী বিভাগে সমন্বয়ৰে কাম কৰি থকা বুলি সংবাদমেলত প্ৰকাশ কৰা হয়।

ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত ব্যতিক্ৰমী ফুলৰ মেলা

ফুলৰ সুবাসেৰে মুখৰিত ডুমডুমা মহাবিদ্যালয়

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, তিনিচুকীয়া, ৪ নৱেম্বৰ ঃ কেবল কিতাপৰ পাততে সীমাবদ্ধ নাথাকি ব্যৱহাৰিক শিক্ষাৰ জৰিয়তে স্বাবলম্বিতাৰ সপোন বাস্তবায়িত কৰাৰ লক্ষ্যৰে ডুমডুমা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে গ্ৰহণ কৰিলে এক ব্যতিক্ৰমী পদক্ষেপ। মহাবিদ্যালয় খনৰ 'কল্পোল' প্ৰেক্ষাগৃহত আজি উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত অনুষ্ঠিত হয় এখন বৃহৎ ফুলৰ মেলা। ৱাতক তৃতীয় বাষ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে নিজে উৎপাদন কৰা বিভিন্ন প্ৰজাতিৰ ফুল আৰু গছপুলি মেলাখনত সজাই পুলি আনি বিক্ৰীৰ বাবে প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ নিজা উদ্যোগত অনুষ্ঠিত এই মেলাত বিভিন্ন প্ৰজাতিৰ ফুল আৰু গছপুলিৰ সমাহাৰে দৰ্শনাৰ্থীক আকৰ্ষিত কৰে। স্থানীয় বাইজৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলেও পুলি ক্ৰয় কৰি ছাত্ৰ-ছাত্ৰীসকলৰ পৃষ্ঠপোষক উৎসাহিত কৰে। পুবা ১০ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই ফিতা কাটি মেলাখনৰ আনুষ্ঠানিক উদ্বোধন কৰে। উদ্বোধনী ভাষণত তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ এই সৃষ্টিশীল আৰু সময়োপযোগী প্ৰচেষ্টাৰ ভূয়সী প্ৰশংসা কৰে। এনে উদ্যোগযোগ্য যে নতুন শিক্ষা নীতিৰ আধাৰত প্ৰবৰ্তিত বৃত্তিগত শিক্ষাৰ পাঠ্যক্ৰমৰ অধীনত তৃতীয় যাষ্মাসিকত ন্যাচাৰি এণ্ড গাৰ্ডেনিং' বিষয়টো অন্তৰ্ভুক্ত কৰা হৈছে। এই বিষয়টোৰ ব্যবহাৰিক জ্ঞান আহৰণৰ লগতে ভবিষ্যতে নিজাকৈ ফুলৰ নাৰ্ছাৰি স্থাপন কৰি স্বনিয়োজনৰ পথ উলিয়াব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যেই এই মেলাৰ আয়োজন কৰা হয়। মেলাত প্ৰতিগৰাকী অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীয়ে প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে মেলাখনে মহাবিদ্যালয় চৌহদত এক উৎসমুখৰ পৰিবেশৰ সৃষ্টি কৰে। কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলক আত্মনির্ভৰশীল হোৱাৰ লগতে ভবিষ্যতে নিজৰ উপাৰ্জনৰ পথ সৃষ্টি কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইফালে, অনুষ্ঠানৰ লগত সংগতি ৰাখি বিজ্ঞান বিভাগৰ তৰষৰু বৰাই প্ৰকাশ কৰা এখন নিউজ বুলেটিন মহাবিদ্যালয়ৰ উপাধ্যক্ষ দীপক ৰঞ্জন বৰুৱাই উন্মোচন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উৎসাহ বৃদ্ধি কৰাৰ উদ্দেশ্যে মেলাত তিনিটা বিশেষ পুৰস্কাৰৰ ব্যৱস্থা কৰা হয়। হিন্দী বিভাগৰ মুৰব্বী সহযোগী অধ্যাপিকা হীৰণ বৈশ্য দত্ত আৰু প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° গীতিবৰ্ষা দত্ত মহন্তই বিচাৰকৰ দায়িত্ব পালন কৰি তিনিটা শ্ৰেষ্ঠ গোট নিৰ্বাচন কৰে। উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° দীপিকা বাজপুত আৰু মহৰ্ষি কলিতাই অনুষ্ঠানটোৰ সামগ্ৰিক পৰিচালনাৰ লগতে তাঁত ধৰে। শিক্ষাৰ সৈতে কৰ্মমুখী চিন্তা আৰু উদ্যোগী মানসিকতাৰ সংযোগ ঘটোৱা ডুমডুমা মহাবিদ্যালয়ৰ এই প্ৰচেষ্টাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সৃষ্টিশীলতা আৰু স্বাবলম্বিতাৰ বীজ বোপণ কৰাৰ লগতে পৰিবেশ সজাগতাৰ ক্ষেত্ৰতো এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে।

৭ নৱেম্বৰৰ পৰা ১৬খন পঞ্চায়তত আৰম্ভ হ'ব ক্ৰীড়া সমৰ

দুলীয়াজানত 'খেল মহাৰণ ৩.০'ৰ ব্যাপক প্ৰস্তুতি

অসম বার্তা, দুলীয়াজান, ৪ নৱেম্বৰ ঃ ৰাজ্য চৰকাৰৰ ক্ৰীড়া প্ৰতিভা অন্বেষণ অভিযানী কাৰ্যসূচী 'খেল মহাৰণ ৩.০'ক লৈ এতিয়া উখল-মাখল পৰিবেশ দুলীয়াজান বিধানসভা সমষ্টিত। গ্ৰামাঞ্চলৰ নৰপ্ৰজন্মৰ মাজত ক্ৰীড়াৰ প্ৰসাৰ আৰু সুপ্ত প্ৰতিভা বিকাশৰ লক্ষ্যৰে অহা ৭ নৱেম্বৰৰ পৰা সমষ্টিটোৰ ১৬খনকৈ গাঁও পঞ্চায়তত প্ৰথম পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। আগন্তুক ২৪ নৱেম্বৰলৈকে চলিবলগীয়া এই ক্ৰীড়া মহোৎসৱক লৈ এতিয়া অঞ্চলটোৰ খেলুৰে তথা ক্ৰীড়াপ্ৰেমী ৰাইজৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, এই ৰাবৰ খেল মহাৰণত এখনেটিকছ, ফুটবল আৰু ভলীবলৰ লগতে যোগাসন আৰু দৰা খেল প্ৰতিযোগিতাক অন্তৰ্ভুক্ত কৰা হৈছে। অহা ৭ নৱেম্বৰৰ পুৰা ৭ বজাত টেঙাখাতৰ সৰস্বতী হাই স্কুল খেলপথাৰত এই ক্ৰীড়া সমাৰোহ খনৰ আনুষ্ঠানিক শুভাৰম্ভণি ঘটিব। ইয়াৰ পিছতে পুবা ৮ বজাৰ পৰা পৰ্যায়ক্ৰমে বিভিন্ন পঞ্চায়তত খেলসমূহ অনুষ্ঠিত হ'ব। নিৰ্ধাৰিত সূচী অনুসৰি ১০ৰ পৰা ১২ নৱেম্বৰলৈ টিপলিং, কঠালগুৰি আৰু খেৰেঙাপা পঞ্চায়তৰ খেলসমূহ ক্ৰমান্বয়ে টিপলিংঘাট হাইস্কুল, কছাৰীপথাৰ এমই স্কুল আৰু বালিজান খেলপথাৰত অনুষ্ঠিত হ'ব। আনহাতে, ১৩ৰ পৰা ১৫ নৱেম্বৰৰ ভিতৰত ভাদিপুৰ হাই স্কুল খেলপথাৰত ভাদিপুৰ পঞ্চায়ত, ঢেকীয়াজুলি তিউাপুৰৰ আৰু ৰূপাই ৰাম খেলপথাৰত ৰঙাগড়া পঞ্চায়তৰ খেলসমূহ অনুষ্ঠিত হ'ব। একেদৰে বকুলনি, মাধুটিং, নাঁওহলীয়া, ৰঙীজান, নকাৰী, ডেকুলজান, ধৰীয়া হাতীবন্ধা, তেলপাৰী, লেংবাইআৰু গান্ধীয়া ভজনী আদি আন পঞ্চায়তসমূহৰ খেলসমূহো নিজা নিজা নিৰ্ধাৰিত স্থানত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে আৰু শৃংখলাবদ্ধভাবে পৰিচালনা কৰিবলৈ আয়োজক সমিতিয়ে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি, প্ৰতিগৰাকী খেলুৰেয়ে খেল আৰম্ভ হোৱাৰ কমেও এঘণ্টা পূৰ্বে খেলপথাৰত উপস্থিত থকাটো বাধ্যতামূলক কৰাৰ লগতে প্ৰয়োজনীয় ব্যক্তিগত ক্ৰীড়া সামগ্ৰীসমূহ লগত আনিবলৈ নিৰ্দেশ দিয